DSL 04

# সংস্কৃত শিক্ষাৰ কিছু গুৰুত্বপূৰ্ণ দিশ

## সংস্কৃত শিক্ষণৰ ডিপ্লোমা

পাঠ্যবিষয় ঃ ৪

খণ্ড ঃ ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

**বিষয় বিশেষজ্ঞ**

অধ্যাপক অশোক কুমাৰ গোস্বামী, প্ৰাক্তন অধ্যক্ষ, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক দীপক কুমাৰ শৰ্মা, সঞ্চালক, মহাবিদ্যালয় উন্নয়ন পৰিষদ, গুৱাহাটী বিশ্ববিদ্যালয়

**সমন্বয়ৰক্ষীঃ** ড° ইন্দ্ৰানী ডেকা, সহকাৰী অধ্যাপিকা (সংস্কৃত), কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

**প্ৰস্তুতি গোটৰ সদস্য**

| *অধ্যায়* | *অৰিহণা যোগাইছে* |
|---|---|
| ১ | ড° সুদেষ্ণা ভট্টাচার্য, সহযোগী অধ্যাপিকা (সংস্কৃত), গুৱাহাটী বিশ্ববিদ্যালয় |
| ২,৩ | ড° জগদীশ শৰ্মা, সহযোগী অধ্যাপিক (সংস্কৃত), গুৱাহাটী বিশ্ববিদ্যালয় |
| ৪,৫ | ড° কামেশ্বৰ শুক্লা, সহযোগী অধ্যাপিক (সংস্কৃত), গুৱাহাটী বিশ্ববিদ্যালয় |
| ৬ | ড° বীণিমা বুজৰবৰুৱা, সহকাৰী অধ্যাপিকা (সংস্কৃত), কটন কলেজ |
| ৭ | ড° থানেশ্বৰ শৰ্মা, প্ৰাক্তন মুৰব্বী অধ্যাপক (সংস্কৃত), গুৱাহাটী বিশ্ববিদ্যালয় |

**সম্পাদনাঃ**

**বিষয়বস্তু সম্পাদনা ঃ** ড° দীপক কুমাৰ শৰ্মা, (অধ্যায় ১), ড° সুদেষ্ণা ভট্টাচার্য, (অধ্যায় ২,৩,৬), ড° মুক্তা বিশ্বাস, (অধ্যায় ৪,৫), ড° মঞ্জুলা দেৱী, (অধ্যায় ৭),

**গাঁথনিক সম্পাদনা ঃ** ড° ইন্দ্ৰানী ডেকা, সহকাৰী অধ্যাপিকা (সংস্কৃত)
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

চেপ্তেম্বৰ, ২০১৮

Copyright © Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

*কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।*

**মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী- ৭৮১০১৭**
**উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬ ;**
**Web : www.kkhsou.in**

## পাঠ্যবিষয় পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা সংস্কৃত শিক্ষণৰ ডিপ্লোমা পাঠ্যক্ৰমৰ চতুৰ্থ পাঠ্যবিষয়ৰ বাবে এই পাঠখিনি প্ৰস্তুত কৰা হৈছে। এই পাঠ্যবিষয়টিত সংস্কৃত শিক্ষাৰ বহুতো উল্লেখযোগ্য বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। পাঠ্যবিষয়টিৰ নাম হ'ল — সংস্কৃত শিক্ষাণৰ কিছু গুৰুত্বপূৰ্ণ দিশ। ইয়াত সৰ্বমুঠ পোন্ধাৰটা (১৫) অধ্যায় আছে আৰু পাঠ্যবিষয়টি দুটা খণ্ডত বিভক্ত কৰা হৈছে। আপুনি ইয়াত বেদ, উপনিষদ, ৰামায়ণ, গীতা, সংস্কৃত বাৰ্তালাপ আদি বিভিন্ন বিষয় অধ্যয়ণ কৰিব পাৰিব।

## খণ্ড পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা সংস্কৃত শিক্ষণৰ ডিপ্লোমা পাঠ্যক্ৰমৰ চতুৰ্থ যান্মাসিকৰ প্ৰথম খণ্ডৰ বাবে এই পাঠখিনি প্ৰস্তুত কৰা হৈছে। এই খণ্ডটিত সৰ্বমঠ সাতটা অধ্যায় আছে। অধ্যায়সমূহ হ'ল— (১) ঐতিহাসিক প্ৰেক্ষাপটত সংস্কৃত ভাষাৰ ক্ৰমবিকাশ, (২) অনুবাদ (অসমীয়া ভাষাৰ পৰা সংস্কৃত ভাষালৈ), (৩) ভাৱবোধ পৰীক্ষণ (Comprehension), (৪) संस्कृत - सम्भाषणम् (সংস্কৃত বাৰ্তালাপ), (৫) व्यावहारिक-संस्कृत शिक्षाभ्यासः (ব্যৱহাৰিক সংস্কৃত শিক্ষাভ্যাস), (৬) ৰামায়ণ (বালকাণ্ড, প্ৰথম সৰ্গ)ঃ সাধাৰণ অধ্যয়ন, (৭) বৈদিক সাহিত্যৰ সাধাৰণ পৰিচয়।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে আয়তাকাৰ বাকচ লক্ষ্য কৰিব। ইয়াৰ 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

# বিষয় সূচী


পৃষ্ঠা নং

অধ্যায় ১ঃ **ঐতিহাসিক প্রেক্ষাপটত সংস্কৃত ভাষাৰ ক্রমবিকাশ** ৫-১৬

সংস্কৃত ভাষাৰ পৰিচয়; ইন্দো-ইউৰোপীয় ভাষা আৰু সংস্কৃত; বৈদিক সংস্কৃত ভাষা; লৌকিক সংস্কৃত ভাষা; সংস্কৃত ভাষাৰ বৰ্তমান অৱস্থা

অধ্যায় ২ঃ **অনুবাদ (অসমীয়া ভাষাৰ পৰা সংস্কৃত ভাষালৈ)** ১৭-৩১

অনুবাদৰ বিভিন্ন কৌশলসমূহ, সংস্কৃত বাক্যসমূহৰ গাঁথনি, বাক্যত কৰ্ত্তা আৰু ক্রিয়াৰ প্রয়োগ, বিশেষ্য (অথবা সর্বনাম) আৰু বিশেষণৰ সংযোগ, লকাৰৰ প্রয়োগ; অনুবাদ সম্বন্ধে আৰু কিছুমান জানিবলগীয়া কথা; অনুবাদৰ নমুনা

অধ্যায় ৩ঃ **ভাৱবোধ পৰীক্ষণ (Comprehension)** ৩২-৪৫

ভাৱবোধ পৰীক্ষণৰ সাধাৰণ কৌশলসমূহ, অধ্যয়নৰ কৌশল, উত্তৰকৰণৰ কৌশল; উদাহৰণ

অধ্যায় ৪ঃ **संस्कृत - सम्भाषणम् (সংস্কৃত বার্তালাপ)** ৪৬-৮০

नामग्रामादि-परिचय : सम्भाषणस्य महत्त्वम्, विद्यार्थिनः दिनचर्या, अतिथेः स्वागतं सत्कारश्च, आपणात् वस्तूनाम् आनयनम्, चिकित्सकात् औषधग्रहणम्, शिक्षकात् पाठस्य पठनम्, शयन - जागरणयोः समयः गुरोः साहाय्यम्, विभागे उपस्थितेः चिन्ता, छात्रावासे निवासार्थम् अनुरोधः स्वास्थ्यस्य कृते परिश्रमस्य आवश्यकता, अस्मात् अध्यायात् अस्माभिः किं ज्ञातम्

অধ্যায় ৫ঃ **व्यावहारिक-संस्कृत शिक्षाभ्यासः (ব্যৱহাৰিক সংস্কৃত শিক্ষাভ্যাস)** ৮১-১১৩

सर्वनाम-शब्दानां (अस्मद्, युष्मद्, भवत्, एतत्, तत्, किम्)प्रयोगाभ्यास :
केषाञ्चित् अव्ययपदानां प्रयोगाभ्यासः संख्यावाचकशब्दानां प्रयोगाभ्यास :
समयवाचक-शब्दानां प्रयोगाभ्यासः विशेष्य-विशेषण-शब्दानां प्रयोगाभ्यासः
क्त्वा-ल्यप्-तुमुन्-प्रत्ययान्तप्रयोगाः ण्यन्तक्रियापदानां प्रयोगाभ्यासः
कर्तृ-कर्म-भाववाच्येषु प्रयोगाभ्यासः अस्मात् अध्यायात् अस्माभिः किं ज्ञातम्

অধ্যায় ৬ঃ **ৰামায়ণ (বালকাণ্ড, প্রথম সর্গ)ঃ সাধাৰণ অধ্যয়ন** ১১৪-১২৫

সমগ্র ৰামায়ণৰ এক সম্যক আভাস, মহাকাব্যখনৰ সাধাৰণ পৰিচয়, প্রতিটো কাণ্ডৰ বিষয়বস্তুৰ ধাৰণা; বালকাণ্ডৰ প্রথম সর্গৰ বিশদ আলোচনা, সর্গটিৰ সাৰাংশ, ৰামচন্দ্রৰ গুণসমূহৰ বর্ণনা, ৰামচন্দ্রৰ বনগমনৰ পৰা সীতাহৰণ পর্য্যন্ত বর্ণনা, সীতা উদ্ধাৰ কার্য্যৰ বিৱৰণ; সর্গটিত উল্লেখিত কেইটামান বিশেষ চৰিত্রৰ পৰিচয়

অধ্যায় ৭ঃ **বৈদিক সাহিত্যৰ সাধাৰণ পৰিচয়** ১২৬-১৪৪

বেদ শব্দৰ ব্যুৎপত্তি আৰু পর্যায়বাচক শব্দবোৰ, ত্রয়ী বিদ্যা; বেদৰ লক্ষণ; বেদ বিভাজন; সংহিতাবোৰৰ চমু আভাস, ঋক্‌বেদ, সামবেদ, যজুর্বেদ, অথর্ববেদ; কর্মকাণ্ড, জ্ঞানকাণ্ড তথা মীমাংসাদ্বয়ৰ উদ্ভৱ; বেদৰ কাল

# অধ্যায় ১ ঃ ঐতিহাসিক প্রেক্ষাপটত সংস্কৃত ভাষাৰ ক্রমবিকাশ

## অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ সংস্কৃত ভাষাৰ পৰিচয়
১.৪ ইন্দো-ইউৰোপীয় ভাষা আৰু সংস্কৃত
১.৫ বৈদিক সংস্কৃত ভাষা
১.৬ লৌকিক সংস্কৃত ভাষা
১.৭ সংস্কৃত ভাষাৰ বৰ্তমান অৱস্থা
১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৯ অধিক জানিবলৈ
১.১০ অগ্রগতিৰ খতিয়ান
১.১১ আৰ্হি প্রশ্ন

## ১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃত ভাষাৰ সাধাৰণ বৈশিষ্ট্যবোৰ জানিব পাৰিব
- সংস্কৃত ভাষা আৰু ইন্দো-ইউৰোপীয় ভাষাৰ সম্বন্ধৰ বিষয়ে অৱগত হ'ব
- বৈদিক সংস্কৃত ভাষাৰ বিষয়ে জানিব পাৰিব
- লৌকিক সংস্কৃত ভাষাৰ বিষয়েও জানিব পাৰিব
- আধুনিক যুগত সংস্কৃত ভাষাৰ অৱস্থাৰ বিষয়ে অৱগত হ'ব।

## ১.২ পৰিচয়

শব্দগঠনৰ ভিত্তিত 'সংস্কৃত' পদটোৱে 'পৰিস্কৃত' বা 'পৰিশীলিত' অর্থ বুজালেও আর্যাবর্তত প্রচলিত প্রাচীনতম ভাষাটোকেই পণ্ডিতসকলে সংস্কৃত বুলি অভিহিত কৰিছে। পৃথিৱীত মানুহৰ মাজত প্রচলিত প্রাচীনভাষাসমূহৰ ভিতৰত অন্যতম হ'ল সংস্কৃত ভাষা। প্রাচীন যুগতেই বিস্তাৰ লাভ কৰা এই ভাষাটিতেই আর্যসকলৰ প্রাচীনতম গ্রন্থ 'ঋগ্বেদ' ৰচনা কৰা হৈছিল। ঋগ্বেদেৰে যাত্রা আৰম্ভ কৰা সংস্কৃতভাষাই বহু স্তৰ পাৰ কৰি আহি বর্তমানৰ অৱস্থা পাইছেহি। সংস্কৃত ভাষাৰ বিষয়ে জানিবলৈ হ'লে এই ভাষাটোৰ লগত যুক্ত ঐতিহাসিক পটভূমিৰ বিষয়ে অধ্যয়ন কৰাটো অতি প্রয়োজনীয়। তদুপৰি ভাৰতীয় আর্যভাষাৰ বিশাল ক্ষেত্রখনৰ এটি গুৰুত্বপূর্ণ অংশ অধিকাৰ কৰি আছে এই সংস্কৃত ভাষাই। সংস্কৃত ভাষাৰ উৎপত্তি ক'ত কিদৰে হৈছিল সেই বিষয়ে পণ্ডিতসকলৰ

মাজত মতভেদ থাকিলেও বিভিন্ন সময়ত বিভিন্ন বিবর্তনৰ মাজেদি গৈ, বহু ধৰণৰ বাধা বিপত্তিৰ সন্মুখীন হৈও সংস্কৃত ভাষাটোৱে যে বর্তমান যুগতো স্বমহিমাৰে উজলি আছে সেই বিষয়ে দ্বিমত নাই। গতিকে বর্তমান সময়ত ব্যৱহাৰ হোৱা সংস্কৃত ভাষাৰ বিষয়ে জানিবলৈ হ'লে ইয়াৰ প্রাচীন ইতিহাসৰ বিষয়ে জ্ঞান থকাটো প্রয়োজনীয়। এই অধ্যায়টিত আপুনি ঐতিহাসিক প্রেক্ষাপটত সংস্কৃত ভাষাৰ ক্রমবিকাশৰ বিষয়ে জানিব। লগতে আপুনি বিভিন্ন স্তৰত প্রচলিত সংস্কৃত ভাষাৰ কিছুমান বৈশিষ্ট্যৰ বিষয়েও অৱগত হ'ব।

## ১.৩ সংস্কৃত ভাষাৰ পৰিচয়

ভাৰতবর্ষৰ প্রাচীনতম ভাষা হ'ল সংস্কৃত। এই ভাষাৰ পৰিধি সুবিশাল। হিন্দু ধর্মৰ প্রাচীনতম গ্রন্থ ঋগ্বেদ এই ভাষাতেই ৰচিত হোৱা বাবে সংস্কৃতক আর্যসকলৰ প্রাচীনতম ভাষা হিচাপে গ্রহণ কৰিব পাৰি। দণ্ডীয়ে তেওঁৰ ***কাব্যাদর্শ*** নামৰ গ্রন্থখনত সংস্কৃতৰ বিষয়ে কৈছে—'সংস্কৃতং নাম দৈৱী ৱাক্'। অর্থাৎ সংস্কৃত হ'ল দেৱতাসকলৰ ভাষা। তেওঁৰ মতে ব্রহ্মা আদি দেৱতাসকলে এই ভাষাতেই কথা পাতিছিল আৰু পৰৱর্তী সময়ত ***পাণিনি*** আদি পণ্ডিতে তেওঁলোকে ৰচনা কৰা গ্রন্থৰ সহায়ত এই ভাষাটোক পৰিশীলিত কৰি তুলিছিল।

আচার্য দণ্ডীৰ এই অভিমতে সংস্কৃত ভাষাৰ প্রাচীনত্বৰ বিষয়ে প্রমাণ দিয়ে। তদুপৰি ৰামায়ণৰ সুন্দৰকাণ্ডত হনুমানে সীতাৰ লগত কথা পাতোতে কি ভাষাৰ প্রয়োগ কৰিব এই প্রসঙ্গত সংস্কৃতভাষাৰ উল্লেখ পোৱা যায়—'ৱাচং চোদাহৰিষ্যামি মানুষীমিৱ সংস্কৃতাম্'। এইখিনিতে হনুমানে সংস্কৃতভাষাৰ দুটা ৰূপৰ বিষয়ে ইংগিত দিছে। মহাকবি কালিদাসেও তেওঁৰ কাব্যত বিভিন্ন প্রসংগত সংস্কৃত ভাষাৰ বিষয়ে উল্লেখ কৰিছে। ***কুমাৰসম্ভৱম্*** কাব্যত তেওঁ সংস্কৃতক 'সংস্কাৰপূত' ভাষা বুলি আখ্যা দিছে। ইয়াত 'সংস্কাৰপূত' শব্দটোৱে কালিদাসে পৰিমার্জিত বা অলঙ্কৰণসমৃদ্ধ অর্থ বুজাইছে বুলি অনুমান কৰা যায়।

তদুপৰি মহাকবি কালিদাসে তেওঁৰ ৰঘুবংশ মহাকাব্যত সংস্কৃতভাষাক 'ভাৰতী' বুলি অভিহিত কৰি ইয়াক 'কৃত সংস্কাৰা' অর্থাৎ সংস্কাৰসমৃদ্ধ ভাষা হিচাপে ব্যক্ত কৰিছে। ইয়াৰ পৰা ধাৰণা কৰিব পাৰি যে এটা সময়ত সংস্কৃত ভাষাক 'ভাৰতী' নামে�ৰেও কোৱা হৈছিল। এই সকলো কথাৰ পৰা জনা যায় যে সংস্কৃত বা প্রাচীন আর্যভাষা বহুকালৰ পৰা ভাৰতবর্ষত চলি আছিল।

ভাষাতাত্ত্বিক গঠনৰ দিশৰ পৰা ক'ব পাৰি যে সংস্কৃত বা প্রাচীন আর্যভাষাৰ উৎপত্তি হৈছে ইন্দো-ইউৰোপীয় আৰু ইন্দো-ইৰাণীয় ভাষাৰ পৰা। কিন্তু ভাৰতবর্ষতেই এই ভাষাটিয়ে বহুতো পৰিৱর্তনৰ সোঁতৰ মাজেদি প্রবাহিত হৈছে। ভাৰতবর্ষত এই ভাষাৰ আৰম্ভণি হয় বৈদিক যুগৰ পৰা।

গতিকে বৈদিক যুগৰ পৰা আৰম্ভ কৰি বর্তমান সময়লৈকে এই ইতিহাসসমৃদ্ধ ভাষাটিয়ে প্রায় ৩৫০০ শব্দ গছকি আহিছে। এই ৩৫০০ বছৰৰ ইতিহাসেই হ'ল সংস্কৃত ভাষাৰ ঐতিহাসিক প্রেক্ষাপট। ভাষাতাত্ত্বিক সত্যৰঞ্জন বন্দোপাধ্যায়ৰ মতে সংস্কৃত ভাষাৰ ইতিহাস জানিবলৈ হ'লে তলত দিয়া ধৰণে ভাষাৰ স্তৰবোৰ অধ্যয়ন কৰিব লাগিব ঃ ইন্দো-ইউৰোপীয় ভাষা—ইন্দো-

*কাব্যাদর্শ ঃ* এইখন অলঙ্কাৰশাস্ত্রৰ গ্রন্থ। আচার্য দণ্ডীয়ে এই গ্রন্থখন ৰচনা কৰে। এই গ্রন্থখনত তিনিটা পৰিচ্ছেদ আছে। এইখন গ্রন্থত ৰীতি, শব্দালঙ্কাৰ আৰু অর্থালংকাৰৰ বিষয়ে বিশেষ আলোচনা কৰা হৈছে।

*পাণিনি ঃ* মহান ব্যাকৰণবিদ। তেওঁ অষ্টাধ্যায়ী গ্রন্থখন ৰচনা কৰে। এইখন গ্রন্থত বৈদিক আৰু লৌকিক সংস্কৃতৰ ব্যাকৰণ সম্বন্ধীয় প্রায় চাৰি হাজাৰ সূত্র আছে। সংস্কৃত ব্যাকৰণৰ এইখন এখন অমূল্য সম্পদ।

*কুমাৰসম্ভৱম্ ঃ* কালিদাস বিৰচিত এখন মহাকাব্য। শিৱ আৰু পার্বতীৰ বিবাহৰ পিছত মহাদেৱৰ ঔৰসত পার্বতীৰ গর্ভত কুমাৰ অর্থাৎ কার্ত্তিকেয়ৰ জন্ম—এয়াই মহাকাব্যখনৰ মূল বিষয়বস্তু। মুঠ সোতৰটি সর্গত ৰচিত এইখন কাব্যত মহাকবি কালিদাসৰ ৰচনাৰীতিৰ সৌন্দর্য সম্পূর্ণভাৱে প্রকাশ পাইছে।

ইৰাণীয় ভাষা—প্রত্ন আর্যভাষা—কথ্য সংস্কৃত ভাষা—বৈদিক সংস্কৃত—লৌকিক সংস্কৃত—আধুনিক সংস্কৃত।

এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে ভাৰতীয় আর্যভাষা বুলিলে যি সংস্কৃতৰ ধাৰণা হয় তাৰ আৰম্ভণি বৈদিক সংস্কৃতৰ পৰাই ধৰা হয়। এই সংস্কৃত ভাষাৰ মাধুর্য অপৰিসীম। সম্পূর্ণ পৃথিৱীৰ প্রাচীন ভাষাসমূহৰ ভিতৰত সংস্কৃত ভাষাৰ সুকীয়া বৈশিষ্ট্যটো হ'ল যে অতি প্রাচীন কালৰ পৰা প্রচলিত হৈ থকা এই ভাষাটোৱে আজিও নিজৰ মর্যাদা লৈ জীয়াই আছে। অৱশ্যে এটা কথা আমি সকলোৱে স্বীকাৰ কৰিবই লাগিব যে প্রাচীন ভাৰতত সংস্কৃতৰ যি মর্যাদা বা সন্মান আছিল বর্তমান সময়ত সেইটো বহু পৰিমাণে হ্রাস পাইছে। কিন্তু এই কথাটো অনস্বীকার্য যে বহুবিধ ইতিহাস সম্বলিত এই সংস্কৃত ভাষাটো নিজৰ মহিমাৰে আজিও জীৱিত। যিসকলে সংস্কৃতক মৃত ভাষা বুলি জ্ঞান কৰে তেওঁলোকে প্রকৃততে এই ভাষাৰ স্বৰূপৰ বিষয়ে নাজানে।

প্রকৃততে ভাৰতবর্ষৰ ইতিহাস জানিবলৈ হ'লে সংস্কৃতৰ ইতিহাস জনাটো আৱশ্যক। কাৰণ সুপ্রাচীন কালতে ৰচনা কৰা বৈদিক বাঙ্ময়ত যি ইতিহাস বা জ্ঞান সিঁচৰতি হৈ আছে সেইটো জনাৰ বাবে সংস্কৃত ভাষাৰ জ্ঞান অতি আৱশ্যক। তদুপৰি এই ভাষাটোৰ ***ধ্বনিতত্ত্ব***, ***ৰূপতত্ত্ব*** আদিয়ে বহুতো ঐতিহাসিক ঘটনাৰো সাক্ষ্য দিয়ে। সংস্কৃত ভাষাত নিহিত প্রাণশক্তিয়েই আজিলৈকে এই ভাষাক জীয়াই ৰাখিছে। সেইকাৰণে হিব্রু, গ্রীক্, লেটিন আদি প্রাচীন ভাষাবোৰ যেতিয়া পৃথিৱীৰ বুকুৰ পৰা হেৰাই গৈছে তেতিয়াও সংস্কৃত ভাষাৰ চর্চা গোটেই বিশ্বত চলি আছে। পণ্ডিত জৱাহৰলাল নেহেৰুৱে তেওঁৰ ৰচনাত সংস্কৃত ভাষাক ভাৰতৰ শ্রেষ্ঠ সম্পদৰূপে অভিহিত কৰিছে। াৰ উইলিয়াম জোনছে সংস্কৃত ভাষাক গ্রীক আৰু লেটিন ভাষাতকৈ অধিক পৰিমার্জিত বুলি ্যক্ত কৰিছে।

গতিকে আমি জানিব পাৰিলো যে আজিৰ যুগত প্রচলিত যি সংস্কৃতভাষা—তাৰ এটা ইতিহাস সম্বলিত প্রেক্ষাপট আছে। সেই কাৰণে সংস্কৃতভাষাৰ ক্রমবিকাশৰ বিষয়ে জানিবলৈ হ'লে এই প্রেক্ষাপটৰ স্তৰসমূহৰ বিষয়ে জানিব লাগিব।

*ধ্বনিতত্ত্ব ঃ* এটি ভাষাত কিছুমান নির্দিষ্ট ধ্বনি থাকে। এই ধ্বনিসমূহৰ কিছুমান নিজস্ব বৈশিষ্ট্য থাকে। এই ধ্বনি আৰু ইয়াৰ বৈশিষ্ট্যসমূহক একেলগে ধ্বনিতত্ত্ব বোলে।

*ৰূপতত্ত্ব ঃ* এটি ভাষাত ব্যৱহাৰ হোৱা শব্দবোৰৰ ৰূপ আৰু ৰূপৰ বৈচিত্র্যসমূহক একেলগে ৰূপতত্ত্ব বুলি কোৱা হয়।

## ১.৪ ইন্দো-ইউৰোপীয় ভাষা আৰু সংস্কৃত

ইন্দো-ইউৰোপীয় ভাষাটো সম্পূর্ণৰূপে এটি কাল্পনিক ভাষা। ইয়াত 'ইন্দো' পদটোৱে ইণ্ডিয়া (India) বা ভাৰতবর্ষক সূচায় আৰু ইউৰোপ মহাদেশৰ দেশবিলাকক সামৰি লয়। প্রকৃততে এনেকুৱা নামৰ ভাষাটো আছিল নে নাই সেই বিষয়ে কোনোধৰণৰ প্রামাণিক তথ্য দিয়া সম্ভৱ নহয়। কিন্তু গ্রীক, লেটিন, সংস্কৃত, ফার্চী আদি কিছুমান প্রাচীন ভাষাৰ মাজত ধ্বনিগত আৰু ৰূপগত সাদৃশ্য লক্ষ্য কৰি এই ভাষাসমূহৰ মূল হিচাপে ইন্দো-ইউৰোপীয় ভাষাৰ অস্তিত্ব কল্পনা কৰি লোৱা হৈছে। আজিলৈকে কোনেও এই কাল্পনিক ভাষাটোৰ বিপৰীতে কোনোধৰণৰ সাক্ষ্য প্রমাণ আনিব পৰা নাই। সমগ্র বিশ্বৰ ভাষাতত্ত্ববিদসকলে এই কল্পিত ভাষাটোৰ অস্তিত্ব স্বীকাৰ কৰিহে নিজৰ নিজৰ গৱেষণাসমৃদ্ধ আলোচনা আগবঢ়াই আহিছে। কিছুমান পণ্ডিতে এই ইন্দো-ইউৰোপীয় ভাষাৰো এটি প্রাচীন স্তৰ থকা বুলি কল্পনা কৰিলেও সেইটো সকলোৱে স্বীকাৰ কৰি

লোৱা নাই। সংস্কৃত, লেটিন, গ্রীক আদি প্রাচীন ভাষাসমূহৰ মূল হিচাপে সকলোৱে ইন্দো-ইউৰোপীয় ভাষাটোকেই স্বীকাৰ কৰি লৈছে।

ইন্দো-ইউৰোপীয় ভাষাটো বিভিন্ন স্তৰত বিভিন্ন নামেৰে জনাজাত হৈছিল। যেনে— আর্যভাষা, ইন্দো-জার্মানিক ভাষা আৰু ইন্দো-বেলতিক্ ভাষা। কিন্তু এই নামবোৰত থকা কিছুমান জটিলতাৰ বাবে এইবোৰ সময়ৰ সোঁতত হেৰাই যায় আৰু ইন্দো-ইউৰোপীয় নামটোৱেই সর্বজনগ্রাহ্য হৈ ৰয়। এই ইন্দো-ইউৰোপীয় ভাষাৰ ভাগ দুটা—সতম্ (Satam) আৰু কেন্তুম্ (Centum)। প্রকৃততে ইন্দো-ইউৰোপীয় ভাষাৰ এই ভাগটো সম্পূর্ণভাৱে ভাষাতত্ত্বৰ আধাৰত নির্ধাৰিত হৈছে। ইন্দো-ইউৰোপীয় ভাষাৰ তালব্যধ্বনিৰ পৰিবর্তনৰ আধাৰতহে এই ভাগ দুটা স্থিৰ কৰা হৈছে। 'শত' শব্দৰ ইন্দো-ইউৰোপীয় ৰূপৰ ধ্বনি পৰিবর্তনৰ ফালে লক্ষ্য ৰাখি ইন্দো-ইউৰোপীয় ভাষাটোক সতম্ আৰু কেন্তুম্—এই দুটা ভাগত ভগোৱা হৈছে। যি ভাষাত এই ধ্বনিটো শিস্ ধ্বনিত (sibilant) পৰিবর্তিত হয় সেইবোৰ সতম্ বিভাগটোৰ অন্তর্ভুক্ত হয় আৰু যি ভাষাত এই ধ্বনিটো তালব্য ক-ধ্বনিলৈ পৰিবর্তিত হয় সেইবোৰ কেন্তুম্ বিভাগটোৰ অন্তর্ভুক্ত হয়। ভৌগোলিক দিশৰ পৰাও ইন্দো-ইউৰোপীয় ভাষাক দুটা শ্রেণীত ভগোৱা হয়—এটা পূর্বীয়, আনটো পশ্চিমীয়। কিন্তু এই বিভাগ দুটাক সকলো পণ্ডিতে স্বীকাৰ নকৰে। ইন্দো-ইউৰোপীয় ভাষাৰ সতম্ শাখাৰ প্রধান ভাষাবোৰ হ'ল—ইন্দো-ইৰাণীয়, আলবানীয়, আর্মেনীয় আদি। আনফালে কেন্তুম্ শাখাৰ প্রধান ভাষাবোৰ হ'ল—গ্রীক্, লেটিন, জার্মানিক্, বেলতিক্ আদি।

সংস্কৃত ভাষা ইন্দো-ইউৰোপীয় ভাষাৰ ইন্দো-ইৰানীয় ভাগৰ অন্তর্ভূক্ত। ইন্দো-ইৰাণীয় ভাষাৰ অধ্যয়নৰ পৰা জনা যায় যে এই ভাষাটো এটা সময়ত দুটা দিশত গতি কৰে। ইয়াৰ এটা হ'ল প্রত্ন ইৰানীয়, য'ৰ পৰা প্রাচীন ফার্চী ভাষাৰ উৎপত্তি হয় আৰু আনটো হ'ল প্রত্ন-ভাৰতীয় আর্য, য'ৰ পৰা উৎপত্তি হয় প্রাচীন ভাৰতীয় আর্যভাষা বা সংস্কৃতৰ। সেইকাৰণে ইন্দো-ইৰানীয় ভাগৰ অন্তর্ভুক্ত ইন্দো-এৰিয়ান ভাষাৰ প্রাচীন ভাগটোকেই সংস্কৃত বুলি কোৱা হয়। এই অনুমানৰ ভিত্তিতেই সংস্কৃতভাষাক অ'ল্ড ইন্দো-এৰিয়ান (Old Indo-Aryan) বা সংক্ষেপে OIA বুলি কোৱা হয়। গতিকে সংস্কৃতভাষাৰ ঐতিহাসিক প্রেক্ষাপট জানিবলৈ হ'লে ইন্দো-ইউৰোপীয় তথা ইন্দো-ইৰাণীয় ভাষাৰ লগত থকা ইয়াৰ সম্বন্ধৰ কথা জানিব লাগিব। এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল ইন্দো-ইউৰোপীয় ভাষাটো কাল্পনিক হ'লেও ইয়াত যে প্রকৃতি-প্রত্যয়ৰ ভিত্তিত বাক্য গঠন কৰা হৈছিল সেইবিষয়ে সহজেই অনুমান কৰা যায়। ইন্দো-ইউৰোপীয় ভাষাৰ অন্তর্গত সংস্কৃত, গ্রীক্, লেটিন আদি ভাষাৰ মাজতো এই বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। এই ভাষাসমূহত প্রকৃতি-প্রত্যয়গত অর্থ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। এই ভাষাসমূহত প্রকৃতি-প্রত্যয়গত অর্থ আৰু বাক্যৰ অর্থৰ মাজত পূর্ণ সামঞ্জস্য থকা দেখা যায়। যিসমূহ ভাষাত প্রকৃতি প্রত্যয়গত অর্থৰ সহায়ত শব্দবোৰে বাক্যৰ অর্থ গঠন কৰে অর্থাৎ বাক্যত ব্যৱহাৰ হোৱা পদবোৰৰ প্রকৃতি-প্রত্যয়গত অর্থৰ লগত বাক্যৰ সম্পূর্ণ অর্থৰ পূর্ণ সামঞ্জস্য থাকে সেইবোৰক সমন্বয়ী (synthetic) ভাষা বোলে। সংস্কৃত ভাষা হ'ল সমন্বয়ী ভাষাৰ অন্যতম উদাহৰণ। উদাহৰণস্বৰূপে কোৱা যায়— বালকঃ বিদ্যালয়ং গচ্ছতি— এই বাক্যটোত 'বালকঃ' পদটো কর্তা আৰু ইয়াত প্রথমা বিভক্তিৰ

একবচন প্রযুক্ত হৈছে। তদুপৰি বাল পদটোত 'ক' প্রত্যয় যুক্ত হৈছে আৰু সম্পূর্ণ 'বালকঃ' পদটো সৰু ল'ৰাক বুজাইছে। দ্বিতীয়তে, বিদ্যাৰ আলয় বা স্থান অর্থত বিদ্যালয় পদটো প্রযুক্ত হৈছে আৰু ইয়াত দ্বিতীয়া বিভক্তিৰ একবচন দিয়া আছে। 'গচ্ছতি' এই তৃতীয় পদটোত 'গমন' বা 'যোৱা' অর্থত 'গম' ধাতুৰ প্রথম পুৰুষৰ একবচনৰ ৰূপ প্রযুক্ত হৈছে। এতিয়া 'বালকঃ বিদ্যালয়ং গচ্ছতি'— এই বাক্যটোত 'ল'ৰাজনে পঢ়াশালিলৈ যায়'— এনেকুৱা যি অর্থ প্রকাশ পায় সেইটো পদবিলাকৰ প্রকৃতি প্রত্যয়যুক্ত অর্থৰ লগত সম্পূর্ণ সামঞ্জস্যযুক্ত। এনেদৰে সংস্কৃত ভাষাত প্রতিটো বাক্যৰ ক্ষেত্রতেই এই নিয়ম প্রযুজ্য হয়। এইফালৰ পৰা দেখা গ'ল যে সংস্কৃত ভাষাটো সম্পূর্ণভাবে এটি সমন্বয়ী ভাষা। ইয়াৰ বিপৰীতে যি ভাষাত বিভক্তি নথকা বাবে বিশ্লেষণৰ সহায়ত পদবিলাকক কর্তা, কর্মৰূপে নির্দ্ধাৰণ কৰি বাক্যৰ অর্থ নিৰূপণ কৰিবলগীয়া হয় সেইবোৰক বিশ্লেষণাত্মক ভাষা বোলে। ইন্দো-ইউৰোপীয় ভাষাৰ পৰা উৎপত্তি হোৱা আধুনিক ভাৰতীয় ভাষাসমূহ, যেনে— অসমীয়া, বাংলা আদি বিশ্লেষণাত্মক ভাষাৰ অন্তর্গত।

গতিকে এই আলোচনাৰ পৰা আমি জানিব পাৰিলো যে সংস্কৃত ভাষাটো ইন্দো-ইৰাণীয় ভাষাৰ লগত প্রত্যক্ষভাৱে জড়িত আৰু ইন্দো-ইৰাণীয় ভাষাৰ জৰিয়তে এইটো ইন্দো-ইউৰোপীয় ভাষাৰ সন্তানতুল্য ভাষা। কিন্তু ইন্দো-ইউৰোপীয় আৰু ইন্দো-ইৰাণীয় ভাষাৰ পৰা সংস্কৃত ভাষা উৎপন্ন হলেও পৰৱর্তী সময়ত এই ভাষাত বিভিন্ন ধৰণৰ স্তৰৰ সন্ধান পোৱা যায়। এই সকলো স্তৰৰ মাজেদি গৈ হে সংস্কৃত ভাষা বর্তমানৰ ৰূপ ধাৰণ কৰিছে। সংস্কৃত ভাষাক ভাষাতাত্ত্বিক দিশৰ পৰা ওল্ড-ইন্দো-এৰিয়ান (OIA) বুলি কোৱাৰ কাৰণ হিচাপে তলৰ চিত্রটো দেখুৱাব পাৰি।



ইন্দো-ইউৰোপীয় ভাষা

ইন্দো-ইৰাণীয় ভাষা

ইন্দো-এৰিয়ান ভাষা

| প্রাচীন ইন্দো-এৰিয়ান | মধ্য ইন্দো-এৰিয়ান | পৰৱর্তী বা নতুন ইন্দো-এৰিয়ান |
|---|---|---|
| (OIA) | (MIA) | (NIA) |
| সংস্কৃত | পালি, প্রাকৃত আদি | অসমীয়া, বাংলা আদি |

**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ১ ঃ** ইন্দো-ইউৰোপীয় ভাষা বুলিলে কি বুজায়?

.....

.....

**প্রশ্ন নং ২ ঃ** ইন্দো-ইউৰোপীয় ভাষাৰ ভাগ দুটা কি কি?

.....

**প্রশ্ন নং ৩ ঃ** সংস্কৃত ভাষাটো ইন্দো-ইউৰোপীয় ভাষাৰ কোনটো বিভাগৰ অন্তর্ভুক্ত ?

.....

**প্রশ্ন নং ৪ ঃ** ভাৰতীয় আর্য ভাষা বুলিলে কোনটো ভাষাক বুজায় ?

.....

**প্রশ্ন নং ৫ ঃ** সমন্বয়ী ভাষা কি ?

.....

.....

**প্রশ্ন নং ৬ ঃ** কেইটামান বিশ্লেষণাত্মক ভাষাৰ উদাহৰণ দিয়ক।

.....

**প্রশ্ন নং ৭ ঃ** সংস্কৃত ভাষাৰ ভাষাতাত্ত্বিক নামটো কি ?

.....

## ১.৫ বৈদিক সংস্কৃত ভাষা

সমগ্র বৈদিক সাহিত্যত যি সংস্কৃত ভাষা ব্যৱহাৰ কৰা হৈছে সেইটোৱে বৈদিক সংস্কৃত ভাষা। সংহিতা, ব্রাহ্মণ, উপনিষদ, আৰণ্যক, বেদাঙ্গ আদিত বৈদিক সংস্কৃত ভাষাৰ প্রয়োগ দেখিবলৈ পোৱা যায়। এই সংস্কৃত ভাষাৰ কিছুমান বৈশিষ্ট্য আছে যিবোৰৰ বাবে সমগ্র সংস্কৃত ভাষাৰ জগতত বৈদিক সংস্কৃত ভাষাৰ এটি সুকীয়া স্থান আছে। বৈদিক সংস্কৃত ভাষাৰ কিছুমান বৈশিষ্ট্যৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

ক) বৈদিক সংস্কৃতত স্বৰ প্রক্রিয়া এটি গুৰুত্বপূর্ণ বৈশিষ্ট্য। বৈদিক সংস্কৃতত তিনিটা মূল স্বৰ ব্যৱহাৰ কৰা হৈছিল। সেইবোৰ হ'ল—উদাত্ত, অনুদাত্ত আৰু স্বৰিত। বাগমন্ত্রত থকা তালু, মূর্দ্ধা আদি বর্ণ-উচ্চাৰণ স্থানৰ উর্দ্ধভাগত যি স্বৰবর্ণৰ উচ্চাৰণ হয় সেইটোৱে উদাত্ত। সেইদৰে তালু, মূর্দ্ধা আদি উচ্চাৰণ স্থানৰ নিম্নভাগত উচ্চাৰণ হোৱা স্বৰবর্ণক অনুদাত্ত বোলে। উদাত্ত আৰু অনুদাত্তৰ বর্ণধর্ম য'ত সংমিশ্রিত হয় সেই স্বৰক স্বৰিত বোলে। পাণিনিয়ে তেওঁৰ ব্যাকৰণত কৈছে—**'উচ্চৈঃ উদাত্তঃ', 'নীচৈঃ অনুদাত্তঃ'** আৰু **'সমাহাৰঃ স্বৰিতঃ'**। এই তিনিটা মূল স্বৰৰ বাহিৰেও বৈদিক সংস্কৃতত আৰু বহু ধ ৰণৰ স্বৰ দেখিবলৈ পোৱা যায়।

খ) বৈদিক সংস্কৃতত পদপাঠৰ ব্যৱহাৰ এটি বৈশিষ্ট্য। সংহিতা-পাঠ অর্থাৎ সন্ধিযুক্ত পাঠসমূহৰ সন্ধি ভাঙি এটা নির্দিষ্ট পদক ব্যৱহাৰ কৰাটোৱেই হ'ল পদপাঠ।

গ) বৈদিক ছন্দৰ ক্ষেত্রতো এটি বিশেষ নিয়ম থকা দেখা যায়। লৌকিক সংস্কৃতৰ ছন্দসমূহ গণভিত্তিক। কিন্তু বৈদিক ছন্দসমূহ অক্ষৰভিত্তিক। সেইকাৰণে গায়ত্রী, উষ্ণিক, অনুষ্টুপ, বৃহতী, পঙক্তি, ত্রিষ্টুপ আৰু জগতী নামৰ যি সাতটা বৈদিক ছন্দ আছে সেইবোৰ লৌকিক সংস্কৃতত পোৱা নাযায়।

ঘ) বৈদিক সংস্কৃতত বহুতো ক্ষেত্রত অন্ত্য ব্যঞ্জনবর্ণৰ লোপ হোৱা দেখা যায়। উদাহৰণস্বৰূপে ক'ব পৰা যায় কর্মন্ শব্দটোৰ কথা। কর্মন শব্দৰ অন্ত্যব্যঞ্জনবর্ণ 'ন্' লুপ্ত হৈ কর্ম হয় আৰু ইয়াৰ তৃতীয়া বিভক্তিৰ বহুবচনত 'কর্মেভিঃ' পদৰ প্রয়োগ পোৱা যায়।

ঙ) লৃঙ্-লকাৰৰ প্রয়োগ বৈদিক সংস্কৃতত খুবেই কম কিন্তু এই ভাষাত লেট লকাৰৰ প্রচুৰ প্রয়োগ দেখিবলৈ পোৱা যায়।

চ) বৈদিক সংস্কৃতত তুমুন্-প্রত্যয়ৰ অর্থত সে, অসে আদি বহুতো প্রত্যয়ৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়।

ছ) উপসর্গৰ ব্যৱহাৰৰ ক্ষেত্রত বৈদিক সংস্কৃতত বহুতো বৈচিত্র্য দেখিবলৈ পোৱা যায়। লৌকিক সংস্কৃতত উপসর্গ সদায় ধাতুৰ আগত বহে। কিন্তু বৈদিক সংস্কৃতত উপসর্গ কেতিয়াবা ধাতুৰ পিচতো বহা দেখা যায়। তদুপৰি কেতিয়াবা এই উপসর্গসমূহ পদৰ ব্যৱধানতো বহা দেখা যায়। কেতিয়াবা বৈদিক সংস্কৃতত একেটা উপসর্গৰ একাধিকবাৰ ব্যৱহাৰ পোৱা যায়।

জ) বৈদিক সংস্কৃতত কাৰক আৰু ক্রিয়াৰ সময়ৰ বিষয়ে কেতিয়াবা বেলেগ বেলেগ প্রয়োগ দেখিবলৈ পোৱা যায়। কেতিয়াবা বর্তমান কালৰ অর্থত লিট-লকাৰৰ প্রয়োগ পোৱা যায়।



**অগ্রগতিৰ নিৰীক্ষণ**

**প্রশ্ন নং ৮ ঃ** উদাত্ত, অনুদাত্ত আৰু স্বৰিত বুলিলে কি বুজে?

.....

.....

**প্রশ্ন নং ৯ ঃ** পদপাঠ কি?

.....

**প্রশ্ন নং ১০ ঃ** বৈদিক সংস্কৃতত ব্যৱহাৰ হোৱা ছন্দসমূহ কি কি?

.....

.....

**প্রশ্ন নং ১১ ঃ** বৈদিক সংস্কৃতত উপসর্গৰ ব্যৱহাৰ কেনেদৰে হোৱা দেখা যায়?

.....

.....

**প্রশ্ন নং ১২ ঃ** বৈদিক সংস্কৃতত কোনটো লৃকাৰৰ প্রয়োগ নাই আৰু কোনটো ল-কাৰৰ প্রয়োগ বেচিকৈ দেখা যায়?

.....

.....

## ১.৬ লৌকিক সংস্কৃত ভাষা

আপুনি ইতিমধ্যে জানিব পাৰিছে যে ঋগ্বেদৰ পৰা আৰম্ভ কৰি বেদাঙ্গ সাহিত্যলৈকে গ্ৰন্থসমূহত বৈদিক সংস্কৃত ভাষাৰ ব্যৱহাৰ হৈ আহিছে। বৈদিক সংস্কৃত ভাষা ব্যৱহাৰৰ সময়ছোৱাক বৈদিক কাল বুলি কোৱা হয়। কিন্তু ৰামায়ণ মহাভাৰত আদি গ্ৰন্থৰ ভাষাটো যদিও সংস্কৃত, ই বৈদিক সংস্কৃতৰ দৰে নহয়। প্ৰকৃততে ৰামায়ণক আদিকাব্য বুলি কোৱাৰ কাৰণটোৱেই হ'ল যে লৌকিক সংস্কৃত ভাষাত লিখা এইখন গ্ৰন্থকেই পণ্ডিতসকলে প্ৰথম ৰচনা বুলি গ্ৰহণ কৰিছে। গতিকে বৈদিক সংস্কৃত ভাষাৰ কালৰ পিছতহে লৌকিক সংস্কৃত ভাষাৰ কাল আৰম্ভ হোৱা বুলি ধৰা হয়। কিন্তু এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে ৰামায়ণ-মহাভাৰতৰ কালৰ পৰা লৌকিক সংস্কৃত ভাষাৰ কাল গণনা কৰিলেও বেদাঙ্গ সাহিত্যৰ বহু পিছলৈকে বৈদিক ভাষাত গ্ৰন্থ ৰচনা অব্যাহত থাকে। ৰামায়ণ-মহাভাৰত-পুৰাণৰ পিছত কালিদাস আদিৰ লৌকিক সংস্কৃত ভাষাত ৰচনা কৰা গ্ৰন্থৰাজিৰে যি সাম্ৰাজ্যৰ বিস্তাৰ ঘটিছিল সময়ৰ নিৰিখত তাক তিনিটা ভাগত ভাগ কৰা হৈছে। সেইবোৰ হ'ল—প্ৰাক্-কালিদাসৰ যুগ, কালিদাসীয় যুগ আৰু কালিদাসোত্তৰ যুগ। ৰামায়ণ-মহাভাৰতকে আদি কৰি কালিদাসোত্তৰ যুগৰ কাব্যলৈকে গ্ৰন্থসমূহত ব্যৱহাৰ হোৱা সংস্কৃত ভাষাটোতেই বহু ধৰণৰ পৰিবৰ্তন পৰিলক্ষিত হয়। তদুপৰি ভাষাগত দিশৰ পৰা পাণিনিৰ অষ্টাধ্যায়ী গ্ৰন্থখনেও সংস্কৃতৰ পৰিৱৰ্তনৰ সূচকাংক হিচাপে বহু ক্ষেত্ৰত কাম কৰে। লৌকিক সংস্কৃত ভাষাৰ কিছুমান বৈশিষ্ট্য আছে। ইবিলাকে ইয়াক বৈদিক সংস্কৃত ভাষাৰ পৰা সম্পূৰ্ণ পৃথক কৰি ৰাখিছে। এই বৈশিষ্ট্যসমূহৰ কিছুমানৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

ক) লৌকিক সংস্কৃতত স্ৱৰপ্ৰক্ৰিয়া নাই।

খ) লৌকিক সংস্কৃতত পদপাঠৰ প্ৰয়োগ পোৱা নাযায়।

গ) লৌকিক সংস্কৃতত ছন্দবোৰ গণভিত্তিক। ম, ভ, ন, ত, স আদি গণৰ ওপৰত ভিত্তি কৰিহে লৌকিক সংস্কৃতত ছন্দসমূহ নিৰূপিত হয়। মালিনী, বংশস্থবিল, মন্দাক্ৰান্তা, উপজাতি আদি লৌকিক ছন্দ।

ঘ) লৌকিক সংস্কৃতত উপসৰ্গসমূহ ধাতুৰ আগত বহে। এই ক্ষেত্ৰত পাণিনিৰ অষ্টাধ্যায়ীত সূত্ৰ এটি পোৱা যায় 'তে প্ৰাগ্ ধাতোঃ'।

ঙ) লৌকিক সংস্কৃতত অ-কাৰান্ত পুংলিঙ্গ শব্দৰ তৃতীয়াৰ বহুবচনত ঐস্ বিভক্তি যুক্ত হয় কিন্তু বৈদিক সংস্কৃতৰ নিচিনা 'এভিঃ' যুক্ত নহয়।

চ) লৌকিক সংস্কৃতত ক্ৰিয়াৰ কাল অনুসৰিহে ল-কাৰৰ প্ৰয়োগ হোৱা দেখিবলৈ পোৱা যায়।

ছ) লৌকিক সংস্কৃতত লেট-লকাৰৰ প্ৰয়োগ নাই।

জ) লৌকিক সংস্কৃতত সৰ্বনাম পদ মহ্য, অস্মে, আবদ্ আদিৰ প্ৰয়োগ নাই।

ঝ) লৌকিক সংস্কৃতত তিঙ্-বিভক্তি 'মসি' আৰু 'ধ্ব'-ৰ ব্যৱহাৰ দেখা নাযায়।

ঞ) লৌকিক সংস্কৃত ভাষাত পাণিনি প্ৰমুখ্যে বৈয়াকৰণসকলে ৰচনা কৰা নিয়মবোৰৰ প্ৰয়োগ

দেখা যায়। অর্থাৎ ক'ব পৰা যায় যে লৌকিক সংস্কৃত ভাষা পাণিনি ব্যাকৰণৰ আধাৰত প্রতিষ্ঠিত।

ট) লৌকিক সংস্কৃতত দীর্ঘসমাসবদ্ধ পদৰ ব্যৱহাৰ খুব বেচিকৈ দেখা যায়।



**অগ্রগতিৰ নিৰীক্ষণ**

**প্রশ্ন নং ১৩ ঃ** লৌকিক সংস্কৃত ভাষাৰ আৰম্ভণি কেতিয়াৰ পৰা হৈছিল?

.....

**প্রশ্ন নং ১৪ ঃ** লৌকিক সংস্কৃত ভাষাৰ প্রথম কাব্য কোনখন?

.....

**প্রশ্ন নং ১৫ ঃ** লৌকিক সংস্কৃতত উপসর্গৰ প্রয়োগ ক'ত হয়?

.....

**প্রশ্ন নং ১৬ ঃ** কিছুমান লৌকিক ছন্দৰ নাম কওক।

.....

**প্রশ্ন নং ১৭ ঃ** লৌকিক সংস্কৃতত কাৰ ব্যাকৰণ অনুসৃত হোৱা দেখা যায়?

.....

## ১.৭ সংস্কৃত ভাষাৰ বর্তমান অৱস্থা

আপুনি ইতিমধ্যে জানিব পাৰিছে যে সংস্কৃত ভাষা অতি প্রাচীন হৈও বর্তমান কালতো প্রচলিত হৈ আছে। কেৱল ভাৰতবর্ষতেই নহয় সমগ্র বিশ্বৰ বিভিন্ন ঠাইত সংস্কৃত ভাষা অধ্যয়নৰ বিভিন্ন প্রতিষ্ঠান আছে আৰু সেইবোৰ ঠাইত সংস্কৃত ভাষাক লৈ বিভিন্ন ধৰণৰ গৱেষণা আদিও কৰা হৈ আছে। ভাৰতবর্ষত বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদিত সংস্কৃত পঢ়িবলৈ আগ্রহী ছাত্র-ছাত্রীয়ে তেওঁলোকৰ মনৰ ইচ্ছা পূৰণ কৰিব পাৰে। তদুপৰি কর্ণাটক ৰাজ্যৰ এখন ভিতৰুৱা গাঁৱত সংস্কৃতক মানুহে মাতৃভাষা হিচাপে ব্যৱহাৰ কৰে। 'সুধর্মা' নামৰ সংস্কৃত দৈনিক বাতৰি কাকতখনে আজিৰ যুগতো সংস্কৃতৰ চর্চাৰ বিষয়ে আমাক জনাই দিয়ে।

এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে ইন্দো-এৰিয়ান ভাষাৰ মধ্যস্তৰৰ ভাষাবিলাক যেনে পালি, প্রাকৃত আদিৰ লগত এটা সময়ত লৌকিক সংস্কৃত ভাষাৰ এটি অঘোষিত প্রতিযোগিতা হোৱা যেন অনুভৱ কৰা যায়। বৌদ্ধ ধর্ম আৰু জৈন ধর্মৰ প্রসাৰৰ লগে লগে সমাজত পালি আৰু প্রাকৃত ভাষাৰ সমাদৰ বাঢ়ি যায়। ফলত এটা সময়ত লৌকিক সংস্কৃত ভাষাটোৱে যথেষ্ট ক্ষতিৰ সন্মুখীন হয়। কিন্তু লাহেলাহে সংস্কৃত ভাষা পুনৰুজ্জীৱিত হয় আৰু গোটেই বিশ্বৰ বহু ঠাইতেই এই ভাষাৰ প্রচাৰ আৰু প্রসাৰৰ বাবে প্রচেষ্টা চলোৱা হয়। আজিৰ যুগত সংস্কৃত ভাষাত বহুধৰণৰ সৰলীকৰণ প্রক্রিয়াৰ ব্যৱহাৰ কৰা হয়। দীর্ঘসমাসবদ্ধ

পদৰ ব্যৱহাৰ কমি অহা দেখা যায়। সংযুক্তব্যঞ্জনবর্ণবোৰক ভাঙি দেখুৱাবৰ বাবে প্রচেষ্টা চলোৱা হয়। দ্বিত্ব বর্ণৰ ক্ষেত্রত এটা বর্ণৰ ব্যৱহাৰৰ প্রৱণতা বেচিকৈ দেখা যায়। যেনে প্রাচীন সংস্কৃতত ব্যৱহাৰ হোৱা ধর্ম, কর্ত্তৃ আদি পদবোৰ ধর্ম, কর্তৃ আদি ৰূপতহে ব্যৱহাৰ হোৱা দেখা যায়। তদুপৰি আজিৰ সংস্কৃতত বহুতো স্থানীয় শব্দৰ অন্তর্ভূক্তি হোৱা দেখা যায়।

এই সময়ত সংস্কৃত ভাষাৰ যি গৰিমা সমগ্র ভাৰতবর্ষ তথা বিশ্বতেই আছিল সেইটো আপাতদৃষ্টিত বহু পৰিমাণে হ্রাস পোৱা যেন অনুভৱ হয়। এটা সময়ত ভাৰতবর্ষত সংস্কৃত ভাষা বিদ্যালয়ত বাধ্যতামূলক পাঠ্য বিষয় আছিল। কিন্তু বর্তমান যুগত ভাৰতবর্ষত সকলো ঠাইত সংস্কৃতক বিদ্যালয়ত বাধ্যতামূলক বিষয় হিচাপে গ্রহণ কৰা হোৱা নাই। তদুপৰি বিজ্ঞানভিত্তিক অধ্যয়নৰ প্রতি আকর্ষণ বৃদ্ধি পোৱাত গোটেই ভাৰতবর্ষতে আন আন ভাষাৰ লগতে সংস্কৃত ভাষাৰ প্রতি থকা আকর্ষণ মানুহৰ মাজত কমি আহিছে। এতিয়াও কিছুমান মানুহে সংস্কৃত বুলি ক'লে পূজা-পাতলৰ ভাষা বুলি ভাবে। কিন্তু সমগ্র বিশ্বৰ বিভিন্ন ঠাইতে সংস্কৃত ভাষাৰ বিভিন্ন বিষয়ক লৈ যথেষ্ট গৱেষণা চলি আছে। উদাহৰণস্বৰূপে ক'ব পাৰি কানাডাৰ ইউনিবার্চিটি অব ব্রিটিছ কলাম্বিয়াত সংস্কৃত ভাষাৰ বিভিন্ন দিশত গুৰুত্বপূর্ণ অধ্যয়ন চলি আছে। জার্মানীত আজিৰ দিনতো বিভিন্নধৰণৰ সংস্কৃত চর্চা গোটেই বিশ্বৰ বাবেই আদর্শ হিচাপে নির্ণীত হৈছে। এনেদৰে নেপাল, ইটালী, ইন্দোনেছিয়া, পোলেণ্ড আদি ঠাইতো সংস্কৃতৰ অধ্যয়ন অধ্যাপনা, গৱেষণা আদি কার্য চলি আছে। বেলেগ বেলেগ ভাষাৰ দৰে সংস্কৃত ভাষাও গতিশীল আৰু সেইকাৰণে আন আন ভাষাৰ দৰে এই ভাষাতো সময়ে সময়ে বিভিন্ন পৰিবর্তন ঘটিছে আৰু অদূৰ ভৱিষ্যতকালতো এই ভাষাৰ আৰু পৰিৱর্তন হ'ব বুলি অনুমান কৰিব পাৰোঁ।



## ১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংস্কৃত ভাষাৰ এটি সাধাৰণ পৰিচয় পালে। সংস্কৃত ভাষাৰ উৎপত্তিৰ বিষয়ে জানিব পাৰিলে।
- ইন্দো-ইউৰোপীয় ভাষাৰ লগত থকা সংস্কৃতৰ সম্বন্ধৰ বিষয়ে জানিব পাৰিলে।
- তদুপৰি বৈদিক সংস্কৃত ভাষা বুলিলে কি বুজায় আৰু এই ভাষাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে অৱগত হ'ল।
- লৌকিক সংস্কৃত ভাষাৰ আৰম্ভণি কেতিয়া হৈছিল সেই বিষয়েও জানিলে। ইয়াৰ উপৰি লৌকিক সংস্কৃত ভাষাত থকা বৈশিষ্ট্যসমূহৰ বিষয়েও জানিব পাৰিলে।
- বর্তমান যুগত সংস্কৃতৰ কি অৱস্থা সেই বিষয়েও জানিলে। তদুপৰি বর্তমান যুগত কেৱল ভাৰতবর্ষতেই নহয় বিশ্বৰ বিভিন্ন ঠাইতে যে সংস্কৃত ভাষাৰ চর্চা চলি আছে সেই বিষয়েও অবগত হ'ব পাৰিলে।



## ১.৯ অধিক জানিবলৈ

১) উপাধ্যায়, প্রঃ বাচস্পতি, (২০০১), *সংস্কৃত ষ্টাডিজ ইন ইণ্ডিয়া*— (edt); নিউ দিল্লী ঃ শ্রীলালবাহাদুৰ শাস্ত্রী ৰাষ্ট্রীয় সংস্কৃত বিদ্যাপীঠ।

২) উপাধ্যায়, প্রঃ বাচস্পতি, (২০০১), *সংস্কৃত ষ্টাডিজ এব্রড*— (edt); নিউ দিল্লী ঃ শ্রীলালবাহাদুৰ শাস্ত্রী ৰাষ্ট্রীয় সংস্কৃত বিদ্যাপীঠ।

৩) বেনার্জী, প্র. সত্যৰঞ্জন, (২০০০), *এ হেণ্ডবুক অব সংস্কৃত ফিলোলজি*; কলকাতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

৪) ভাগৰতী, কামাখ্যাচৰণ, *সংস্কৃত সাহিত্যৰ জিলিঙনি*; গুৱাহাটী ঃ গ্রন্থপীঠ।



## ১.১০ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** সংস্কৃত, গ্রীক, লেটিন আদি প্রাচীন ভাষাসমূহৰ মূল ভাষা হিচাপে ইন্দো-ইউৰোপীয় ভাষাক কল্পনা কৰা হৈছে।

**২নং প্রশ্নৰ উত্তৰ ঃ** ইন্দো-ইউৰোপীয় ভাষাৰ ভাগ দুটা হ'ল সতম্ আৰু কেন্তুম্।

**৩নং প্রশ্নৰ উত্তৰ ঃ** সংস্কৃত ভাষাটো ইন্দো-ইউৰোপীয় ভাষাৰ ইন্দো-ইৰাণীয় ভাষাৰ অন্তর্ভুক্ত।

**৪নং প্রশ্নৰ উত্তৰ ঃ** সংস্কৃত ভাষাক বুজায়।

**৫নং প্রশ্নৰ উত্তৰ ঃ** যি ভাষাত বাক্যত ব্যৱহাৰ হোৱা পদবিলাকৰ প্রকৃতি-প্রত্যয়গত অর্থই বাক্যটোৰ অর্থ সূচায় তাকেই সমন্বয়ী ভাষা বোল। যেনে—সংস্কৃত ভাষা।

**৬নং প্রশ্নৰ উত্তৰ ঃ** অসমীয়া, বাংলা, হিন্দী আদি।

**৭নং প্রশ্নৰ উত্তৰ ঃ** সংস্কৃত ভাষাৰ ভাষাতাত্ত্বিক নামটো হ'ল প্রাচীন ইন্দো-এৰিয়ান (OIA)

**৮নং প্রশ্নৰ উত্তৰ ঃ** উচ্চাৰণস্থানৰ ওপৰৰ অংশত উচ্চাৰিত হোৱা স্বৰবর্ণক উদাত্ত, উচ্চাৰণস্থানৰ তলৰ অংশত উচ্চাৰিত হোৱা স্বৰবর্ণক অনুদাত্ত আৰু উদাত্ত-অনুদাত্ত বর্ণধর্মৰ সংমিশ্রণ থকা স্বৰবর্ণক স্বৰিত বুলি কোৱা হয়।

**৯নং প্রশ্নৰ উত্তৰ ঃ** সংহিতা বা সন্ধিযুক্ত পাঠক ভাঙি পদবিলাকৰ সুকীয়া অবস্থিতিৰে যি পাঠ দর্শোৱা হয় সেইটোকে পদপাঠ বোলে।

**১০নং প্রশ্নৰ উত্তৰ ঃ** গায়ত্রী, উষ্ণিক, অনুষ্টুপ, ত্রিষ্টুপ্, বৃহতী, পঙ্‌ক্তি আৰু জগতী।

**১১নং প্রশ্নৰ উত্তৰ ঃ** বৈদিক সংস্কৃতত উপসর্গবোৰ ধাতুৰ পিছত বা কেইবাটাও শব্দৰ পিছত বহা দেখা যায়। তদুপৰি কেতিয়াবা একেটা উপসর্গৰে একাধিকবাৰ ব্যৱহাৰ হোৱা দেখা যায়।

**১২নং প্রশ্নৰ উত্তৰ ঃ** বৈদিক সংস্কৃতত লিঙ-লকাৰৰ প্রয়োগ নাই কিন্তু লেট লকাৰৰ প্রয়োগ বেচিকৈ দেখা যায়।

**১৩নং প্রশ্নৰ উত্তৰ ঃ** ৰামায়ণ-মহাভাৰতৰ ৰচনাকালৰ পৰাই লৌকিক সংস্কৃতৰ আৰম্ভণি বুলি কোৱা হয়।

**১৪নং প্রশ্নৰ উত্তৰ ঃ** ৰামায়ণকেই লৌকিক সংস্কৃত ভাষাৰ প্রথম কাব্য বুলি ধৰা হয়।

**১৫নং প্রশ্নৰ উত্তৰ ঃ** লৌকিক সংস্কৃত ভাষাত উপসর্গৰ ব্যৱহাৰ সদায় ধাতুৰ আগত হয়।

**১৬নং প্রশ্নৰ উত্তৰ ঃ** মন্দাক্রান্তা, বসন্ততিলক, স্রগ্ধৰা, উপজাতি আদি।

**১৭নং প্রশ্নৰ উত্তৰ ঃ** পাণিনিৰ ব্যাকৰণ (অষ্টাধ্যায়ী)



## ১.১১ আৰ্হি প্রশ্ন

**প্রশ্ন ১ ঃ** সংস্কৃত ভাষাৰ ঐতিহাসিক পটভূমিকাৰ বিষয়ে আলোচনা কৰক।

**প্রশ্ন ২ ঃ** ইন্দো-ইউৰোপীয় ভাষাৰ বিষয়ে এটি টোকা লিখক।

**প্রশ্ন ৩ ঃ** বৈদিক সংস্কৃত ভাষাৰ বৈশিষ্ট্যবোৰ লিখক।

**প্রশ্ন ৪ ঃ** লৌকিক সংস্কৃত ভাষাৰ বৈশিষ্ট্যবোৰ লিখক।

**প্রশ্ন ৫ ঃ** বৈদিক সংস্কৃত আৰু লৌকিক সংস্কৃতৰ মাজত থকা পার্থক্যবোৰ কি কি?

**প্রশ্ন ৬ ঃ** সংস্কৃত ভাষাৰ বর্তমান অৱস্থাৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

## অধ্যায় ২ ঃ অনুবাদ (অসমীয়া ভাষাৰ পৰা সংস্কৃত ভাষালৈ)

### অধ্যায় গাঁথনি


২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ অনুবাদৰ বিভিন্ন কৌশলসমূহ

২.৩.১ সংস্কৃত বাক্যসমূহৰ গাঁথনি

২.৩.২ বাক্যত কর্ত্তা আৰু ক্রিয়াৰ প্রয়োগ

২.৩.৩ বিশেষ্য (অথবা সর্বনাম) আৰু বিশেষণৰ সংযোগ

২.৩.৪ লকাৰৰ প্রয়োগ

২.৪ অনুবাদ সম্বন্ধে আৰু কিছুমান জানিবলগীয়া কথা

২.৫ অনুবাদৰ নমুনা

২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৭ অধিক জানিবলৈ

২.৮ অগ্রগতিৰ খতিয়ান

২.৯ আর্হি প্রশ্ন


## ২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃত ভাষালৈ অনুবাদৰ বাবে যিবিলাক নিয়মৰ প্রয়োজন,সেই সমূহৰ সামান্য ধাৰণা লাভ কৰিব পাৰিব
- সংস্কৃত ভাষাৰ লিঙ্গ, বচন, বিভক্তি, শব্দৰূপ, ধাতুৰূপ আদি ব্যাকৰণৰ বিষয়সমূহৰ আংশিক পৰিচয় লাভ কৰিব পাৰিব
- শব্দসমূহৰ ব্যৱহাৰ আৰু ভাষাত প্রয়োগ হোৱাৰ লগে লগে ইয়াৰ ৰূপগত পৰিৱর্তন সমূহো জানিব পাৰিব
- বাক্যত থকা কর্ত্তা আৰু ক্রিয়াৰ প্রয়োগৰ বিষয়ে জানিব পাৰিব
- সংস্কৃত বাক্যসমূহৰ বাক্য গাঁথনিৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব।

## ২.২ পৰিচয়

আপুনি নিশ্চয় জানে যে অনুবাদ হৈছে একপ্রকাৰ কলা (Art)। পৃথিৱীৰ বিভিন্ন জন-গোষ্ঠীৰ ভাষাসমূহৰ জ্ঞান লাভ কৰিবলৈ অনুবাদৰ আশ্রয় লৈ অহা হৈছে। এই অনুবাদে ভাষা এটাৰ সামগ্রিক ধাৰণা এটা দিব পাৰে । অনুবাদে এটা ভাষিক গোষ্ঠীৰ সাহিত্য-কলা-সংস্কৃতিৰ সম্যক ধাৰণা আন এটা ভাষিক গোষ্ঠীৰ সন্মুখত দাঙি ধৰিব পাৰে।

অন্যভাষাৰ পৰা সংস্কৃতলৈ অথবা সংস্কৃতৰ পৰা আন ভাষালৈ কৰা অনুবাদে ভাষা দুটাৰ মাজত পাৰস্পৰিক সম্বন্ধ অথবা ভাষাদুটাৰ মাজত থকা বৈসাদৃশ্যসমূহ দেখুৱাই দিব পাৰে। সংস্কৃত ভাষাৰ পৰাই অসমীয়া ভাষাৰ উৎপত্তি হোৱা হেতুকে ভাষাদুটাৰ মাজত বহু পৰিমাণে মিল থকা দেখিবলৈ পোৱা যায়। অসমীয়া ভাষা আৰু সংস্কৃত ভাষাৰ শব্দৰ গাঁথনি আৰু ব্যাকৰণগত নিয়ম সমূহো সামগ্রিকভাৱে একে।

অসমীয়া ভাষাৰ পৰা সংস্কৃত ভাষালৈ বাক্য অনুবাদ কৰিবলৈ হ'লে সংস্কৃত ভাষাৰ শব্দ সমূহৰ জ্ঞান, ধাতুসমূহৰ জ্ঞান, কাৰক, বিভক্তি আদিৰ জ্ঞান থাকিব লাগিব। লট্ লকাৰ, সন্ধি, সমাস, কৃৎপ্রত্যয়, তদ্ধিৎ প্রত্যয়, বাচ্য (voice), সংখ্যা আদিৰ ধাৰণা থাকিলেহে আপুনি সংস্কৃত ভাষালৈ অনুবাদ কৰিবলৈ সমর্থ হব। গতিকে এনেধৰণৰ বহুতো বিষয়ৰ লগত এই অধ্যায়টিৰ জৰিয়তে পৰিচিত হ'ব পাৰিব।

## ২.৩ অনুবাদৰ বিভিন্ন কৌশলসমূহ

অসমীয়া ভাষাৰ পৰা সংস্কৃত ভাষালৈ বাক্য অনুবাদ কৰিবলৈ হ'লে সংস্কৃত ভাষাৰ ব্যাকৰণৰ কিছুমান প্রাথমিক কথা আপুনি জানিব লাগিব। অসমীয়া ভাষাত শব্দসমূহক সাধাৰণতে ৪ ভাগত ভাগ কৰা হৈছে। সেইবোৰ হ'ল--

১) তৎসম শব্দ, যিবোৰ অসমীয়া ভাষাৰ শব্দ সংস্কৃতৰ সৈতে একে সেইবোৰ তৎসম শব্দ। যেনে— নদী, সূর্য্য, চন্দ্র ইত্যাদি। অসমীয়া বিভক্তি, এ, ক, ৰে আদিৰ দ্বাৰা গঠন হোৱা এই শব্দ সমূহক সংস্কৃতৰ বিভক্তি সমূহৰ প্রয়োগৰ দ্বাৰা সংস্কৃতলৈ ৰূপান্তৰ কৰা হয়। উদাহৰণ স্বৰূপে— ৰামে (ৰাম + এ)$\Rightarrow$ ৰাম ঃ (ৰাম + সু ) (প্রথমা বিভক্তি, এক বচন), সূর্য্যৰ পৰা (সূর্য্য + পৰা) $\Rightarrow$ সূর্য্যাৎ, (সূর্য্য + ঙসি) (পঞ্চমী বিভক্তি, একবচন) ইত্যাদি।

২) তদ্ভৱ শব্দ, যিবোৰ অসমীয়া ভাষাৰ শব্দ সংস্কৃত ভাষাৰ পৰা উৎপত্তি হৈছে কিন্তু অসমীয়া ভাষাত সেইবোৰৰ প্রয়োগ হুবহু সংস্কৃতৰ দৰে নহয়, সেইবোৰ তদ্ভৱ শব্দ। যেনে— কাঠ - কাষ্ঠ, পাত - পত্র, মৌ - মধু ইত্যাদি। অনুবাদ কৰাৰ ক্ষেত্রত এই অসমীয়া শব্দসমূহৰ মূল শব্দটো উলিয়াই সেইবোৰত বিভক্তি প্রয়োগ কৰি সংস্কৃত কৰা হয়। যেনে— কাঠবোৰ- কাঠ - কাষ্ঠ (মূলশব্দ) $\Rightarrow$ কাষ্ঠ+ জস্- কাষ্ঠাঃ (প্রথমা বিভক্তি, বহুবচন)।

৩) দেশী শব্দ, অর্থাৎ যিবোৰ শব্দ অসমীয়া ভাষাৰ পৰা সৃষ্টি হয়। এই শব্দসমূহৰ অনুবাদৰ ক্ষেত্রত শব্দবিলাকৰ অর্থ উলিয়াই লৈ , সেই অর্থবোধক সংস্কৃত শব্দ উলিয়াব লাগে। যেনে— ডাৱৰ-মেঘ, জোন - চন্দ্র ইত্যাদি।

৪) বিদেশী শব্দ, অর্থাৎ যিবোৰ বিদেশী শব্দ অসমীয়া ভাষাত ব্যৱহাৰ কৰা হয়। এইবোৰ শব্দৰ অনুবাদৰ ক্ষেত্রত শব্দটোৰ অর্থ অনুসৰি সংস্কৃত শব্দ ব্যৱহাৰ কৰিব পাৰি। যেনে— হাকিম- বিচাৰকঃ, হেড্মাষ্টাৰ - প্রধানশিক্ষকঃ, কেৰানী - কর্মলেখকঃ আদি।

যিবিলাক শব্দৰ সংস্কৃত শব্দ উলিয়াবলৈ সমস্যা হয়, সেইবোৰ শব্দক সংস্কৃত কৰিবলৈ সাধাৰণতে মূল শব্দটোৰ পিছত 'ইতি প্রসিদ্ধ', 'ইতি বিখ্যাত' আদিৰ ব্যৱহাৰ কৰা হয়। যেনে— মোবাইলফোন ইতি প্রসিদ্ধদূৰভাষযন্ত্রেণ বার্তালাপং কৰোতি (মোবাইলফোনেৰে (তেওঁ) কথা পাতিছে); ৰেডিঅ' ইতি বিখ্যাতযন্ত্রেণ বার্তাং শৃণ্বন্তি (ৰেডিঅ'ৰ জৰিয়তে (তেওঁলোকে) বাতৰি শুনিছে)।

তলত অনুবাদৰ আন কিছুমান কৌশল আপোনাৰ সুবিধাৰ বাবে আলোচনা কৰা হ'ব।

## ২.৩.১ সংস্কৃত বাক্যসমূহৰ গাঁথনি

এতিয়া আপুনি সংস্কৃত বাক্যৰ গাঁথনি সম্পর্কে জানিব পাৰিব। তলত এই বিষয়ে আলোচনা আগবঢ়োৱা হ'ল—

১) প্রত্যেক বাক্যৰেই দুটা অংশ থাকে। সেই দুটা হৈছে- উদ্দেশ্য আৰু বিধেয়। যাক লক্ষ্য কৰি কোনো এটা কথা কোৱা হয়, তাকে উদ্দেশ্য বোলে; আৰু উদ্দেশ্যৰ বিষয়ে যিকোৱা হয় অথবা যি আৰোপ কৰা হয়, তাকে বিধেয় বোলে। যেনে—

| বাক্য | উদ্দেশ্য | বিধেয় |
|---|---|---|
| সঃ গচ্ছতি (তেওঁ গৈছে) | সঃ (তেওঁ) | গচ্ছতি (গৈছে) |
| বালকঃ চন্দ্রং পশ্যতি | বালকঃ (ল'ৰাজনে) | চন্দ্রং পশ্যতি |
| (ল'ৰাজনে চন্দ্রটোক চাইছে) | (চন্দ্রটোক চাইছে) | |

২) গুণবাচক শব্দ ব্যৱহাৰ কৰিও উদ্দেশ্য আৰু বিধেয়ক অধিক প্রকাশিত কৰা হয়। এই গুণবাচক শব্দ সমূহক 'সম্প্রসাৰক' বোলা হয়। যেনে—

| বাক্য | উদ্দেশ্যৰ সম্প্রসাৰক | বিধেয়ৰ সম্প্রসাৰক |
|---|---|---|
| সঃ সাধুঃ বালকঃ সুন্দৰং চন্দ্রং প্রায়েণ পশ্যতি (সেই ভাল ল'ৰা জনে সুন্দৰ চন্দ্রটোক প্রায়ে চায়) | সঃ সাধুঃ | সুন্দৰং, প্রায়েণ |

৩) কেতিয়াবা উদ্দেশ্য আৰু বিধেয়ৰ একেই বিভক্তি হয়। যেনে— সীতা - সাধ্বী (সীতা গুণৱতী) (ইয়াত দুয়োটাতে প্রথমা বিভক্তিৰ প্রয়োগ হৈছে)। কেতিয়াবা উদ্দেশ্য আৰু বিধেয় পদৰ লিঙ্গ বেলেগ হয়। যেনে— অহিংসা (স্ত্রীলিঙ্গ) পৰমঃ ধর্মঃ (পুংলিঙ্গ) (অহিংসাই হৈছে পৰম ধর্ম); পিতা (পুংলিঙ্গ) হি পৰমং তপঃ (ক্লীৱলিঙ্গ) (পিতাই হৈছে পৰম তপস্যা)।

৪) কেতিয়াবা বিভিন্ন লিঙ্গৰ উদ্দেশ্য আৰু বিধেয়ৰ সৈতে সম্বন্ধ থকা 'যদ্' আৰু 'তদ্' শব্দৰ পৃথক লিঙ্গ প্রযুক্ত হয়। যেনে- শৈত্যং (ক্লীৱলিঙ্গ) হি যৎ সা প্রকৃতি (স্ত্রীলিঙ্গ) জলস্য (শীতলতাই হৈছে পানীৰ ধর্ম)। ইয়াত 'যৎ' পদটো 'শৈত্যং' পদৰ লগত

যুক্ত হোৱা কাৰণে ক্লীৱলিঙ্গ হৈছে। কিন্তু 'প্ৰকৃতি' শব্দৰ লগত যুক্ত হোৱা কাৰণে 'তদ্' পদৰ স্ত্ৰীলিঙ্গ 'সা' পদটো প্ৰযুক্ত হৈছে।

৫) সংস্কৃত ভাষাত এনে কিছুমান বিশেষণ শব্দ আছে, যিবোৰে কেতিয়াও নিজৰ লিঙ্গ পৰিত্যাগ নকৰে। এইবোৰ বিশেষণক ' অজহল্লিঙ্গবিশেষণ' বোলে। বিধেয় বিশেষণ হিচাপে ব্যৱহৃত হোৱা এই শব্দবোৰ হৈছে— কাৰণ, আস্পদ, নিদান, পদ, পাত্ৰ, প্ৰমাণ, ভাজন, ভূষণ, মূল, শৰণ, স্থান ইত্যাদি। এই শব্দসমূহ সদায় ক্লীৱলিঙ্গ আৰু একবচনত প্ৰযুক্ত হয়। বিধেয়ৰ বিশেষণ ৰূপে ব্যৱহাৰ হ'লেও এইবোৰে কেতিয়াও উদ্দেশ্যৰ লিঙ্গ আৰু বচন গ্ৰহণ নকৰে, কিন্তু এইবিলাকৰ বিভক্তি উদ্দেশ্যৰ লগত একে। যেনে—

| | | |
|---|---|---|
| শিক্ষকঃ ছাত্ৰাণাম্ পূজাস্পদম্ | — | শিক্ষক ছাত্ৰসকলৰ পূজাৰ পাত্ৰ। |
| পৰমেশ্বৰঃ সৰ্বভূতানাং কাৰণম্ | — | ঈশ্বৰেই সকলো প্ৰাণীৰ কাৰণ। |
| দুষ্টঃ মানৱঃ বিৱাদস্য নিদানম্ | — | দুষ্টলোক বিৱাদৰেই কাৰণ। |
| সম্পদঃ আপদাং পদম্ | — | সম্পদ আপদৰ বাসস্থান। |
| অপত্যানি মাতুঃ স্নেহপাত্ৰম্ | — | সন্তান মাকৰ স্নেহৰ পাত্ৰ। |
| অত্ৰ বিষয়ে বেদাঃ প্ৰমাণম্ | — | এই বিষয়ত বেদসমূহেই প্ৰমাণ। |
| শিষ্যাঃ গুৰোঃ স্নেহভাজনম্ | — | শিষ্যসকল গুৰুৰ স্নেহৰ পাত্ৰ। |
| পতিঃ নাৰীণাং ভূষণম্ | — | স্বামী হৈছে নাৰীসকলৰ অলংকাৰ। |
| বিৱাদঃ অনৰ্থস্য মূলম্ | — | বিৱাদ হৈছে অনৰ্থৰ মূল। |
| হে দেৱ সন্তপ্তানাং ত্বং শৰণম্ | — | হে দেৱ, তুমি দুঃখীসকলৰ আশ্ৰয়। |
| বিদ্যা দৈৱতম্ | — | বিদ্যাই হৈছে দেৱতা। |

## ২.৩.২ বাক্যত কৰ্ত্তা (Subject) আৰু ক্ৰিয়াৰ (Verb) প্ৰয়োগ

১) সংস্কৃতভাষাত কৰ্ত্তা আৰু ক্ৰিয়াৰ পুৰুষ (Person) আৰু বচন (Number) একেই হয়। যেনে— সঃ গচ্ছতি (তেওঁ গৈছে), তে গচ্ছন্তি (তেওঁলোক গৈছে)। এইখিনিতেই আপুনি জানি থোৱা ভাল যে সংস্কৃত ভাষাত অসমীয়া আৰু ইংৰাজী ভাষাৰ দৰে তিনিটা পুৰুষ ব্যৱহাৰ হয়। তলত পুৰুষৰ লগতে পুৰুষত ব্যৱহাৰ হোৱা শব্দবোৰ দেখুওৱা হ'ল—

| **পুৰুষৰ নাম** (অসমীয়া) | **সংস্কৃত নাম** | **ইংৰাজী নাম** | **প্ৰয়োগ হোৱা শব্দ** |
|---|---|---|---|
| প্ৰথম পুৰুষ | উত্তম পুৰুষঃ | First Person | অহম্ (I, মই) |
| উদাহৰণ ঃ | একবচন | অহম্ গচ্ছামি (মই গৈছোঁ) | |
| | দ্বিবচন | আৱাম্ গচ্ছাবঃ (আমি দুজন গৈছোঁ) | |
| | বহুবচন | বয়ম্ গচ্ছামঃ (আমি গৈছোঁ) | |

| | | | |
|---|---|---|---|
| দ্বিতীয় পুৰুষ<br>উদাহৰণ ঃ | মধ্যমপুৰুষঃ<br>একবচন<br>দ্বিবচন<br>বহুবচন | Second Person<br>ত্বম্ গচ্ছসি (তুমি গৈছা)<br>যুৱাম্ গচ্ছথঃ (তোমালোক দুজন গৈছা)<br>যূয়ম্ গচ্ছথ (তোমালোক গৈছা) | ত্বম্ (You,তুমি) |
| তৃতীয় পুৰুষ<br>উদাহৰণ ঃ | প্রথম পুৰুষঃ<br>একবচন<br><br>দ্বিবচন<br>বহুবচন | Third Person<br>সঃ গচ্ছতি (তেওঁ গৈছে)<br><br>তৌ গচ্ছতঃ (তেওঁলোক দুজন গৈছে)<br>তে গচ্ছন্তি (তেওঁলোক গৈছে) | সঃ (He, তেওঁ)<br>ৰামঃ, বিক্রমঃ, সীতা<br>ইত্যাদি শব্দবোৰ |



**অগ্রগতিৰ নিৰীক্ষণ**

**প্রশ্ন নং ১ ঃ** উদাহৰণত দেখুওৱাৰ দৰে বাক্যবোৰ পৰিৱর্তন কৰক ঃ

| | সংস্কৃত | অসমীয়া |
|---|---|---|
| উদাহৰণ— | অহম্ খাদামি | মই খাইছোঁ |
| | ১) ত্বম্ গচ্ছ | ..... |
| | ২) ..... | ল'ৰাবোৰে খেলিছে |
| | ৩) বয়ম্ হসামঃ | ..... |
| | ৪) ..... | আমি দুজনে পঢ়িছোঁ |
| | ৫) বিক্রমঃ গায়তি | ..... |

২) সংস্কৃত ভাষাত তিনিটা বচন (Number) দেখিবলৈ পোৱা যায়। অসমীয়া আৰু ইংৰাজীভাষাত কেৱল দুটা বচনহে প্রয়োগ কৰা হয়। যেনে-

| অসমীয়া | ইংৰাজী | সংস্কৃত | উদাহৰণ |
|---|---|---|---|
| একবচন | Singular | একবচনম্ | বালকঃ গচ্ছতি (ল'ৰাজন গৈছে) |
| | | দ্বিবচনম্ | বালকৌ গচ্ছতঃ (ল'ৰা দুজন গৈছে) |
| বহুবচন | Plural | বহুবচনম্ | বালকাঃ গচ্ছন্তি (ল'ৰাবোৰ গৈছে) |

৩) প্রথম পুৰুষত দুটা একবচনান্ত **কর্ত্তা** 'চ' (আৰু/and) এই অব্যয়ৰ দ্বাৰা সংযুক্ত হ'লে, 'ক্রিয়া' সাধাৰণতে প্রথম পুৰুষৰ দ্বিবচনত ব্যৱহাৰ কৰা হয়। যেনে— ৰামঃ হৰিঃ চ গচ্ছতঃ (ৰাম আৰু হৰি গৈছে)। প্রথম পুৰুষত দুটাত কৈ বেছি কর্ত্তাপদ 'চ' অব্যয়ৰ দ্বাৰা সংযুক্ত হ'লে ক্রিয়া প্রথম পুৰুষৰ বহুবচনত ব্যৱহাৰ কৰা হয়। যেনে— ৰামঃ হৰিঃ শ্যামঃ চ ক্রীড়ন্তি (ৰাম, হৰি আৰু শ্যামে খেলিছে)। অব্যয় 'চ' ৰ দ্বাৰা সংযুক্ত হোৱাৰ পিছত কর্ত্তা আৰু ক্রিয়াৰ সম্বন্ধ তলত দেখুৱাই দিয়া হ'ল—



কর্ত্তা দুটা হ'লে দ্বিবচন, কর্ত্তা দুটাতকৈ বেছি থাকিলে বহুবচন। অর্থাৎ কর্ত্তাৰ সংখ্যা অনুসৰি ক্রিয়া নির্ধাৰিত হয়।

| | পুৰুষ | ক্রিয়া |
|---|---|---|
| ক) | প্রথম পুৰুষ (একবচন) + প্রথম পুৰুষ (একবচন) | প্রথম পুৰুষৰ দ্বিবচন |
| | **উদাহৰণ**— ৰামঃ হৰিঃ চ গচ্ছতঃ | গচ্ছতঃ |
| | (ৰাম আৰু হৰি গৈছে) | |
| খ) | প্রথম পুৰুষ (একবচন) + প্রথম পুৰুষ (একবচন) + | |
| | প্রথম পুৰুষ (একবচন) | প্রথম পুৰুষৰ বহুবচন |
| | **উদাহৰণ**— ৰামঃ হৰিঃ শ্যামঃ চ ক্রীড়ন্তি | ক্রীড়ন্তি |
| | (ৰাম, হৰি, আৰু শ্যামে খেলিছে) | |
| গ) | প্রথম পুৰুষ (একবচন) + মধ্যম পুৰুষ (একবচন) | মধ্যম পুৰুষৰ দ্বিবচন |
| | **উদাহৰণ**— সঃ ত্বং চ বিদ্যালয়ং অগচ্ছতম্ | অগচ্ছতম্ |
| | (তেওঁ আৰু তুমি বিদ্যালয়লৈ গৈছিলা) | |
| ঘ) | প্রথম পুৰুষ (একবচন) + উত্তম পুৰুষ (একবচন) | উত্তম পুৰুষৰ দ্বিবচন, |
| | (কর্ত্তাৰ সংখ্যা অনুসৰি হয়) | |
| | **উদাহৰণ**— সঃ অহং চ উচ্চৈঃ অপঠাব | অপঠাব |
| | (তেওঁ আৰু মই চিঞৰি পঢ়িছিলো) | |
| ঙ) | মধ্যম পুৰুষ (একবচন)+ উত্তম পুৰুষ (একবচন) | উত্তম পুৰুষৰ দ্বিবচন |
| | | (কর্ত্তাৰ সংখ্যা অনুসৰি হয়) |
| | **উদাহৰণ**— ত্বম্ অহং চ পৰীক্ষায়াম্ উত্তীর্ণৌ অভবাব | অভৱাব |
| | (তুমি আৰু মই পৰীক্ষাত উত্তীর্ণ হৈছিলো) | |
| চ) | প্রথম পুৰুষ (একবচন) + মধ্যম পুৰুষ (একবচন) + | |
| | উত্তম পুৰুষ (একবচন) | উত্তম পুৰুষৰ বহুবচন, |
| | | (কর্ত্তাৰ সংখ্যা অনুসৰি হয়) |
| | **উদাহৰণ**— সঃ ত্বং অহং চ হসামঃ | হসামঃ |
| | (মই, তুমি আৰু তেওঁ হাঁহিছোঁ)। | |

৪) বিভিন্ন পুৰুষ আৰু বচনৰ কর্ত্তা 'বা' এই অব্যয়টোৰ দ্বাৰা সংযুক্ত হ'লে, আটাইতকৈ ওচৰত থকা কর্ত্তাৰ পুৰুষ আৰু বচন অনুসৰি ক্রিয়াৰ পুৰুষ আৰু বচন নির্দিষ্ট হয়। যেনে— সঃ ত্বং বা গমিষ্যসি ( তেওঁ বা তুমি যাবা), তে বয়ং বা ক্রীড়ামঃ (তেওঁলোক অথবা আমি খেলিছোঁ)।

**অগ্রগতিৰ নিৰীক্ষণ**

**প্রশ্ন নং ২ ঃ** উদাহৰণত দেখুওৱাৰ দৰে তলৰ বাক্যকেইটা পৰিৱর্তন কৰক—

| | সংস্কৃত | অসমীয়া |
|---|---|---|
| উদাহৰণ— | তপনঃ বিকাশঃ চ খাদতঃ | তপন আৰু বিকাশে খাইছে |
| ৬) | গীতা সীতা চ পঠিষ্যতঃ | ..... |
| ৭) | ..... | তুমি, হৰি আৰু বিনয়ে বিদ্যালয়লৈ গৈছিলা |
| ৮) | ৰমেনঃ অহং চ ক্রীড়াবঃ | ..... |
| ৯) | ..... | ত্রিনয়ণ বা তুমি ঘৰলৈ যাবা |
| ১০) | বালকঃ বালিকাঃ চ গায়ন্তি | ..... |

## ২.৩.৩ বিশেষ্য (অথবা সর্বনাম) আৰু বিশেষণৰ সংযোগ

১) বিশেষ্য বা সর্বনামৰ যি লিঙ্গ, বিভক্তি আৰু বচন হয়, বিশেষণৰো সেই একেই লিঙ্গ, বিভক্তি আৰু বচন হয়। যেনে—



| | পুংলিঙ্গ (প্রথমা বিভক্তি) | | স্ত্রীলিঙ্গ (প্রথমা বিভক্তি) | | ক্লীৱলিঙ্গ (প্রথমা বিভক্তি) | |
|---|---|---|---|---|---|---|
| | **বিশেষ্য** | **বিশেষণ** | **বিশেষ্য** | **বিশেষণ** | **বিশেষ্য** | **বিশেষণ** |
| একবচন | বালকঃ | সুন্দৰঃ | বালিকা | সুন্দৰী | ফলং | সুন্দৰম্ |
| দ্বিবচন | বালকৌ | সুন্দৰৌ | বালিকে | সুন্দৰ্যৌ | ফলে | সুন্দৰে |
| বহুবচন | বালকাঃ | সুন্দৰাঃ | বালিকাঃ | সুন্দৰ্যঃ | ফলানি | সুন্দৰানি |

২) বিশেষণৰূপে ব্যৱহৃত সর্বনামৰো বিশেষ্য অনুসৰিয়েই লিঙ্গ, বচন আৰু বিভক্তি নিৰূপণ কৰা হয়। যেনে— সা বালিকা বুদ্ধিমতী (সেই ছোৱালী জনী বুদ্ধিমতী); মম তানি মিত্রাণি উত্তমানি (মোৰ সেই বন্ধুবোৰ ভাল)।

৩) অব্যয়ৰ বিশেষণ সদায়েই ক্লীৱলিঙ্গৰ একবচনত ব্যৱহৃত হয়। যেনে— ৰমণীয়ম্ ইদং প্রাতঃ (এই ৰাতিপুৱাঁটো অতি সুন্দৰ)। ইয়াত 'প্রাতঃ' শব্দটো অব্যয়।

৪) একেটা বাক্যতে যদি দুই বা ততোধিক বিশেষ্য অথবা সর্বনাম পদ থাকে, আৰু ইহঁতৰ মাজত যদি এটা পুংলিঙ্গ আৰু আনটো স্ত্রীলিঙ্গ হয়; তেনেহ'লে সিহঁতৰ সাধাৰণ বিশেষণ পদটি পুংলিঙ্গ হয় আৰু বিশেষ্যৰ সংখ্যা অনুসৰি বিশেষণ পদৰ বচন নির্দিষ্ট কৰা হয়। যেনে— বৃক্ষঃ লতা চ সুন্দৰৌ (গছ আৰু লতাজোপা অতি সুন্দৰ)। ইয়াত পুংলিঙ্গ 'সুন্দৰঃ' শব্দ দ্বিবচনত প্রযুক্ত হৈছে।

৫) যদি একেটা বাক্যতে বিশেষ্য (বা সর্বনাম) পদসমূহৰ মাজত এটা ক্লীৱলিঙ্গৰ পদ

থাকে, তেনেহ'লে সিহঁতৰ সাধাৰণ বিশেষণ পদটো ক্লীৱলিঙ্গত হয়। পদটোৰ বচন বিশেষ্যৰ সংখ্যা অনুসৰি নির্দিষ্ট হয় অথবা ক্লীৱলিঙ্গৰ একবচনত নিৰূপিত হয়। যেনে— সঃ বালকঃ সা বালিকা তৎ পুষ্পং চ সুন্দৰাণি (সুন্দৰং বা) (সেই ল'ৰাটো, সেই ছোৱালীজনী আৰু সেই ফুলটো বৰ ধুনীয়া)।

## ২.৩.৪ লকাৰৰ প্ৰয়োগ

সংস্কৃতত ক্ৰিয়াৰ কাল তথা অবস্থা বুজাবলৈ যি দহটা লকাৰ প্ৰযুক্ত হয় তাৰ ভিতৰত সাধাৰণতে লট্, লোট্, লঙ্, বিধিলিঙ্ আৰু লৃট্ —এই পাঁচ প্ৰকাৰৰ লকাৰ বহুল ভাৱে ব্যৱহাৰ হয়।

**ক) লট্ লকাৰৰ ব্যৱহাৰ ঃ**

১) লট্ লকাৰ বৰ্ত্তমান কাল বুজাবলৈ ব্যৱহৃত হয়। লকাৰৰ বিভক্তি সমূহ কৰ্ত্তাৰ পুৰুষ, বচন অনুসৰি ধাতুৰ পিছত প্ৰযুক্ত হয়। যেনে— বালকঃ পুস্তকং পঠতি (ল'ৰাজনে কিতাপ পঢ়িছে), বালকাঃ ক্ষেত্ৰে ক্ৰীড়ন্তি (ল'ৰাবোৰে খেলপথাৰত খেলি আছে)। এইবাক্য দুটাৰ প্ৰথমটোত কৰ্ত্তা আৰু ক্ৰিয়াপদ দুয়োটাই একবচনত প্ৰয়োগ হৈছে আৰু দ্বিতীয় বাক্যটোৰ দুয়োটাতে বহুবচনৰ প্ৰয়োগ হৈছে।

২) চিৰন্তন সত্য, স্বভাৱ, অভ্যাস আদি বুজাবলৈও লট্ লকাৰৰ প্ৰয়োগ কৰা হয়। যেনে— সূৰ্য্যঃ পূৰ্বস্যাং দিশি উদেতি (সূৰ্য্য পূৱফালে উদয় হয়); বাল্যকালাৎ প্ৰভৃতি সঃ প্ৰাতভ্ৰমনং কৰোতি (শিশুকালৰে পৰাই তেওঁ প্ৰাতঃ ভ্ৰমণ কৰে)।

৩) কোনো ঐতিহাসিক ঘটনা বুজাবলৈ অতীত কালৰ অৰ্থত লট্ লকাৰ হয়। যেনে— অস্তি মহিলাৰোপ্যনগৰে অমৰশক্তিঃ নাম ৰাজা (মহিলাৰোপ্য নামৰ নগৰত অমৰশক্তি নামৰ এজন ৰজা আছিল)। 'অস্তি' ক্ৰিয়াপদটো বৰ্তমান কালত প্ৰয়োগ হৈছে। 'মহিলাৰোপ্যনগৰে' শব্দটো সপ্তমী বিভক্তিত হৈছে।

৪) 'স্ম' শব্দটো লট্ লকাৰৰ ক্ৰিয়াৰ পিছত প্ৰয়োগ কৰি বৰ্ত্তমানকালৰ বাক্যক অতীত কাললৈ লৈ যোৱা হয়। যেনে— ৰামঃ ৰাৱণং হন্তি স্ম (ৰামে ৰাৱণক বধ কৰিছিল)। ইয়াত 'ৰাৱণ' শব্দটো দ্বিতীয়া বিভক্তিত প্ৰযুক্তহৈছে।

**খ) লোট্ আৰু বিধিলিঙ্ লকাৰৰ ব্যৱহাৰ ঃ**

১) আশীৰ্বাদ, অনুৰোধ, আদেশ, আজ্ঞা আদি অৰ্থত লোট্ লকাৰ প্ৰয়োগ কৰা হয়। যেনে— তৱ কুশলং ভৱতু (তোমাৰ কুশল হওঁক)। ত্বং শীঘ্ৰং গচ্ছ (তুমি শীঘ্ৰেই যোৱা)।

২) ইচ্ছা অৰ্থবোধক ধাতু অথবা উচিত অৰ্থত বিধিলিঙ্ লকাৰৰ প্ৰয়োগ হয়। যেনে— ইচ্ছামি অহং ভৱান্ খাদেৎ (মই ইচ্ছা কৰিছোঁ আপুনি খাওক); ৰামঃ বিদ্যালয়ং গচ্ছেৎ (ৰামে বিদ্যালয়লৈ যোৱা উচিত)।

গ) **লঙ্ লকাৰৰ প্ৰয়োগ ঃ** অতীত কাল বুজাবলৈ লঙ্ লকাৰৰ প্ৰয়োগ কৰা হয়। যেনে— ৰামঃ হ্যঃ বিদ্যালয়ং অগচ্ছৎ (ৰামে যোৱাকালি বিদ্যালয়লৈ গৈছিল)। অহম্ আপনম্ অগচ্ছম্ (মই দোকানলৈ গৈছিলো)।

ঘ) **লৃট্ বিভক্তিৰ প্ৰয়োগ ঃ** ভৱিষ্যৎ কাল বুজাবলৈ ধাতুৰ পিছত লৃট্ লকাৰ প্ৰয়োগ কৰা হয়। যেনে— ৰামঃ শ্বঃ বিদ্যালয়ং গমিষ্যতি (ৰামে অহাকালি বিদ্যালয়লৈ যাব)। অহং মহাভাৰতং পঠিষ্যামি (মই মহাভাৰত পঢ়িম)।



**অগ্ৰগতিৰ নিৰীক্ষণ**

**প্ৰশ্ন নং ৩ ঃ** তলত দিয়া বাক্যবোৰ উদাহৰণত দেখুওৱাৰ দৰে পৰিৱৰ্তন কৰক—

| সংস্কৃত | অসমীয়া |
|---|---|
| উদাহৰণ— অহম্ অন্নং খাদামি | মই ভাত খাইছোঁ |
| ১১) ..... | তেওঁ সদায়ে ৰাতিপুৱা ভ্ৰমণ কৰে |
| ১২) বয়ং হ্যঃ বিদ্যালয়ম্ অগচ্ছাম | ..... |
| ১৩) ..... | প্ৰিয়ংকাই অহাকালি গুৱাহাটীলৈ যাব |
| ১৪) গুৰুঃ বদতি- সত্যং বদেৎ | ..... |
| ১৫) ..... | তুমি কামটো কৰা |

## ২.৪ অনুবাদ সম্বন্ধে আৰু কিছুমান জানিবলগীয়া কথা

১) জীৱন (প্ৰাণ) শব্দ ক্লীৱলিঙ্গ। যেনে— বৃক্ষানাম্ অপি জীৱনম্ অস্তি (বৃক্ষসমূহৰো প্ৰাণ আছে)। প্ৰাণ, অসু (প্ৰাণ) আদি শব্দ পুংলিঙ্গ আৰু এইবোৰ সদায় বহুবচনত প্ৰয়োগ হয়। যেনে— মৃতস্য প্ৰাণাঃ ন বর্ত্তন্তে (মৃত ব্যক্তিৰ প্ৰাণ নাথাকে)।

২) 'মিত্ৰ' শব্দ 'বন্ধু' অৰ্থত ক্লীৱলিঙ্গ আৰু 'সূৰ্য্য' অৰ্থত পুংলিঙ্গ হয়। যেনে— হৰিঃ মম মিত্ৰম্ (হৰি মোৰ বন্ধু)। একক্ৰিয়ং ভৱেৎ মিত্ৰম্ (একেই কামকৰা ব্যক্তিক মিত্ৰ বুলি কোৱা হয়)। মিত্ৰঃ প্ৰাতঃ কালে আকাশে উদেতি (সূৰ্য্য ৰাতিপুৱা আকাশত উদয় হয়)।

৩) অপত্য (সন্তান) শব্দ ক্লীৱলিঙ্গ। যেনে— তস্য অনেকানি অপত্যানি সন্তি (তেওঁৰ বহুত সন্তান আছে)।

৪) কিতাপ বুজাবলৈ ব্যৱহাৰ কৰা 'গ্ৰন্থ' শব্দ পুংলিঙ্গ তথা 'পুস্তক' শব্দ ক্লীৱলিঙ্গ। যেনে— ছাত্ৰাঃ গ্ৰন্থান্ পঠন্তি (ছাত্ৰসকলে গ্ৰন্থবোৰ পঢ়িছে); তস্য গৃহে পুস্তকানি নাস্তি (তেওঁৰ ঘৰত কিতাপবোৰ নাই)।

৫) ধন-সম্পত্তি বুজাবলৈ ব্যৱহাৰ কৰা 'অৰ্থ' (wealth) শব্দ পুংলিঙ্গ আৰু 'ধন' শব্দ ক্লীৱলিঙ্গ। যেনে— ৰামস্য প্ৰভূতঃ অৰ্থঃ অস্তি (ৰামৰ প্ৰচুৰ পৰিমাণে ধন আছে);

দৰিদ্রস্য ধনং নাস্তি (দৰিদ্ৰৰ ওচৰত ধন নাই)। 'অর্থ' শব্দটো অভিধেয় (meaning) আৰু উদ্দেশ্য (motive) অর্থতো পুংলিঙ্গ হিচাপে ব্যৱহাৰ কৰা হয়। যেনে— অস্য শব্দস্য কোঽপি অর্থঃ নাস্তি (এই শব্দটোৰ কোনো অর্থ নাই); চৌৰঃ ধনস্য অর্থে গৃহং প্ৰৱিশতি (চোৰজনে ধনৰ কাৰণে গৃহত প্ৰৱেশ কৰিছে)।

৬) 'পানী' বুজোৱা 'অপ্' শব্দ নিত্যবহুবচনান্ত স্ত্রীলিঙ্গ, কিন্তু 'জল' শব্দ ক্লীৱলিঙ্গ।

৭) 'মেঘ' বুজোৱা, মেঘ, পয়োদ, জীমূত শব্দ পুংলিঙ্গ, কিন্তু 'অভ্ৰ' শব্দ ক্লীৱলিঙ্গ।

৮) দেৱতা (God) বুজোৱা 'দেৱ' শব্দ পুংলিঙ্গ, কিন্তু 'দেৱতা' শব্দ স্ত্রীলিঙ্গ আৰু 'দৈৱত' শব্দ ক্লীৱলিঙ্গ।

৯) দিন (day) বুজোৱাৰ ক্ষেত্ৰত 'দিৱস' শব্দ পুংলিঙ্গ; ' দিন', 'অহন্' শব্দ ক্লীৱলিঙ্গ। 'দিবা' শব্দটো অব্যয়।

১০) সুমনস্ (ফুল), সমা (বছৰ), সিকতা (বালি) আৰু বর্ষা (বৰষুণ) এই শব্দকেইটা স্ত্রীলিঙ্গ আৰু নিত্যবহুবচনান্ত।

১১) যুদ্ধ বুজোৱা শব্দ 'ৰণ' আৰু 'যুদ্ধ' শব্দ ক্লীৱলিঙ্গ; 'সমৰ' শব্দ পুংলিঙ্গ আৰু ক্লীৱলিঙ্গ। 'আহব' (যুদ্ধ) আৰু 'সংগ্ৰাম' শব্দ পুংলিঙ্গ আনহাতে 'যুধ্' শব্দ স্ত্রীলিঙ্গ।

১২) 'অৰণ্য' বুজোৱা শব্দ 'বন', 'গহন', 'বিপিন', 'অৰণ্য' শব্দবোৰ ক্লীৱলিঙ্গত প্ৰয়োগ হয়; আৰু 'অটবী' শব্দ স্ত্রীলিঙ্গত প্ৰয়োগ হয়।

১৩) পত্নী বুজোৱা 'দাৰ' শব্দ পুংলিঙ্গ তথা নিত্যবহুবচনান্ত; আনহাতে 'কলত্ৰ' শব্দ ক্লীৱলিঙ্গ। যেনে— সীতা ৰামস্য দাৰাঃ আসন্; সীতা ৰামস্য কলত্ৰম্ আসীৎ (সীতা ৰামৰ ভার্য্যা আছিল)।

১৪) দুটা বস্তু বুজোৱা দ্বয়, যুগল, যুগ্ম, মিথুন, দ্বন্দ্ব আদি শব্দসমূহ ক্লীৱলিঙ্গৰ একবচনত ব্যৱহাৰ হয়। যেনে— মম বাহুদ্বয়ম্ অস্তি (মোৰ দুখন হাত আছে); অহং সৰস্বত্যাঃ চৰণযুগলং বন্দে (সৰস্বতীদেৱীৰ চৰণযুগল মই বন্দনা কৰিছোঁ)। ত্ৰয়ম্, চতুষ্টয়ম্ আদি শব্দৰ লগতো একবচনৰ ক্ৰিয়া ব্যৱহাৰ কৰা হয়। যেনে— মুনিত্ৰয়ং নমস্কৰোমি (মই মুনিত্ৰয়ক নমস্কাৰ কৰিছোঁ), মুনিচতুষ্টয়ম্ আগচ্ছতি (মুনিচাৰিজন আহিছে)।

১৫) বহুবচন বুজোৱা 'কুল', 'গণ', 'বর্গ', 'য়ূথ', 'সার্থ', প্ৰভৃতি শব্দৰ প্ৰয়োগত ক্ৰিয়া সদায় একবচনত হয়। যেনে— মম গৃহং বালকগণঃ আগচ্ছতি (মোৰ ঘৰলৈ বন্ধুগণ আহিছে)।

১৬) সম্পূর্ণ শ্ৰেণী অথবা জাতি বুজাবলৈ একবচন বা বহুবচন দুয়োটাই ব্যৱহাৰ কৰা হয়। যেনে— মানৱঃ মৰণশীলঃ ভৱতি/মানৱাঃ মৰণশীলাঃ ভৱন্তি (মানুহ মৰণশীল)।

১৭) সংস্কৃত ব্যাকৰণত ব্যৱহাৰ হোৱা 'ক্তিন্' প্ৰত্যয়ান্ত শব্দবোৰ স্ত্রীলিঙ্গত ব্যৱহাৰ কৰা হয়। যেনে— বালিকায়াঃ বুদ্ধিঃ (বুধ্ + ক্তিন্) প্ৰখৰা (ছোৱালীজনীৰ বুদ্ধি প্ৰখৰ)।

১৮) 'কৰিবলৈ', যাবলৈ' আদি নিমিত্তার্থক অসমাপিকা ক্ৰিয়াৰ অর্থ প্ৰকাশ কৰিবলৈ সংস্কৃতত 'তুমুন্' প্ৰত্যয়ৰ প্ৰয়োগ কৰা হয়। যেনে— সঃ পঠিতুং (পঠ্ + তুমুন্) বিদ্যালয়ং গচ্ছতি (তেওঁ পঢ়িবলৈ বিদ্যালয়লৈ যায়)।

১৯) 'পঢ়ি উঠি', 'খাই উঠি' আদি অসমাপিকা ক্ৰিয়াৰ অৰ্থ প্ৰকাশ কৰিবলৈ সংস্কৃতত 'ক্ত্বাচ্' প্ৰত্যয়ৰ প্ৰয়োগ হয়। যেনে— সঃ পঠিত্বা (পঠ্ + ক্ত্বাচ্) শয়নং কৰিষ্যতি (তেওঁ পঢ়ি উঠি শুৱ)। এই একেটা অৰ্থতে 'ল্যপ্' প্ৰত্যয়ো হয়, যদি ধাতুটোৰ আগত উপসৰ্গ থাকে। যেনে— বিবেকঃ বিদ্যালয়াৎ আগম্য (আ-গম্ + ল্যপ্) পঠিষ্যতি (বিবেকে বিদ্যালয়ৰ পৰা আহি পঢ়িব)।

২০। কোনো এটা কাম বৰ্ত্তমানকালত চলি থকা (continue) অৰ্থত সংস্কৃতত 'শতৃ' প্ৰত্যয়ৰ প্ৰয়োগ কৰা হয়। যেনে— বালকঃ হসন্ গচ্ছতি (ল'ৰাটোৱে হাঁহি হাঁহি গৈ আছে)।



**জানি থোৱা ভাল**

**ক্তিন্ প্ৰত্যয়—** ক্তিন্ এটা কৃৎ প্ৰত্যয়। ধাতুৰ পিছত ব্যৱহাৰ হোৱা প্ৰত্যয় সমূহক কৃৎপ্ৰত্যয় বোলে। ক্তিন্ প্ৰত্যয়ান্ত শব্দ স্ত্ৰীলিঙ্গ। কেইটামান ক্তিন্ প্ৰত্যয়ান্ত শব্দৰ উদাহৰণ হৈছে— খ্যা + ক্তিন্ - খ্যাতিঃ (যশস্যা), গম্ + ক্তিন্ - গতিঃ, মন+ ক্তিন্- মতিঃ, বচ্+ ক্তিন্ - উক্তিঃ (কথা) ইত্যাদি।

**উপসৰ্গ—** ব্যাকৰণত উপসৰ্গৰ সংখ্যা হৈছে ২০টা। উপসৰ্গ সমূহ আচলতে হৈছে অব্যয়। যিবোৰ শব্দৰ কেতিয়াও কোনো ৰূপৰ পৰিৱৰ্তন নহয়, অৰ্থাৎ সকলো লিঙ্গ, বিভক্তি আৰু বচনত একেদৰেই থাকে, সেইবোৰ শব্দকে অব্যয় বোলে। এই অব্যয় সমূহ যেতিয়া কোনো ধাতুৰ লগত ব্যৱহৃত হয়, তেতিয়া ইহঁতক উপসৰ্গ বুলি কোৱা হয়। এই কুৰিটা উপসৰ্গ হৈছে— প্ৰ, পৰা, অপ, সম, নি, অৱ, অনু, নিৰ, দুৰ্ ,বি, অধি, সু, উৎ, পৰি, প্ৰতি, অভি, অতি, অপি, উপ আৰু আ।

"প্ৰপৰাপসমন্ববনির্দুৰভিব্যধিসূদতিনিপ্ৰতিপর্য্যপয়ঃ।
উপ আঙিতি বিংশতিৰেষ সখে উপসর্গবিধিঃ কথিতঃ কবিনা।।"

**শতৃ প্ৰত্যয়—** বৰ্ত্তমান কালৰ অৰ্থত পৰস্মৈপদী ধাতুৰ অন্তত শতৃ প্ৰত্যয়ৰ প্ৰয়োগ হয়। শতৃ প্ৰত্যয় ইংৰাজীত Present Participle Adjectiveৰ অনুৰূপ। অসমীয়াৰ গৈ গৈ, নাচি নাচি, দৌৰি থকা ইত্যাদি অৰ্থত সংস্কৃতত শতৃ প্ৰত্যয় প্ৰয়োগ কৰা হয়। শতৃ প্ৰত্যয়ান্ত শব্দবোৰ বিশেষণ শব্দ। শতৃ প্ৰত্যয়ান্ত শব্দবোৰৰ ৰূপ লিঙ্গ অনুসৰি গচ্ছৎ (গম্ + শতৃ, ক্লীৱ) শব্দৰ বিভিন্ন লিঙ্গৰ ৰূপৰ দৰে কৰা হয়। যেনে— হসন্ আয়াতি বালকঃ (ল'ৰাজনে হাঁহি হাঁহি আহিছে), দুষ্টাঃ বালকাঃ পঠন্তঃ কলহং কুর্বন্তি ( দুষ্ট ল'ৰাবোৰে পঢ়ি থকা সময়তে কাজিয়া কৰিছে)।

## ২.৫ অনুবাদৰ নমুনা

(ক)

১) এইজন ল'ৰা। ল'ৰাজনে কি কৰিছে?

⟹ এষঃ বালকঃ। বালকঃ কিং করোতি?

২) এইবোৰ ঘোড়া। ঘোড়াবোৰে দৌৰিছে।

⇒ এতে অশ্বাঃ। অশ্বাঃ ধাৱন্তি।

৩) ছোৱালীজনীয়ে খেলা নাই, তাই পঢ়িছেহে।

⇒ বালিকা নহি খেলতি, সা তু পঠতি।

৪) ছোৱালীবোৰে খেলিছে।

⇒ বালিকাঃ ক্রীড়ন্তি।

৫) বাগিছাত ফুলবোৰ ফুলিছে।

⇒ উদ্যানে পুষ্পাণি বিকসন্তি।

৬) তোমালোকে কি কৰিছা? মই ইয়াত খেলি আছোঁ।

⇒ যূয়ং কিং কুৰুথ? অহম্ অত্র ক্রীড়ামি।

৭) মই বিদ্যালয়লৈ যাও। তাত পঢ়ো, লিখো আৰু খেলো।

⇒ অহং বিদ্যালয়ং গচ্ছামি। তত্র পঠামি, লিখামি, ক্রীড়ামি চ।

৮) মই প্রতিদিনে কথাচৰি চাবলৈ যাওঁ।

⇒ অহং প্রতিদিনং চলচ্চিত্রং দ্রষ্টুং গচ্ছামি।

৯) মোৰ ঘৰ বিদ্যালয়ৰ ওচৰত।

⇒ মম গৃহং বিদ্যালয়স্য সমীপে অস্তি।

১০) গছবোৰত ফুলবোৰ ফুলি আছে।

⇒ বৃক্ষেষু পুষ্পাণি বিকসন্তি।

১১) অহাকালি ৰবিবাৰ। তুমি বিদ্যালয়লৈ যাবানে?

⇒ শ্বঃ ৰবিবাৰঃ। কিং ত্বং বিদ্যালয়ং গমিষ্যসি?

১২) আমাৰ মহাবিদ্যালয়ৰ উৎসৱলৈ শিক্ষামন্ত্রী আহিব।

⇒ অস্মাকং মহাবিদ্যালয়স্য উৎসৱে শিক্ষা-মন্ত্রি মহোদয়ঃ আগমিষ্যতি।

১৩) মোহনৰ মাকে সন্ধিয়া দোকানৰ পৰা আম আনে।

⇒ মোহনস্য মাতা সায়ম্ আপণাৎ আম্রাণি আনয়তি।

১৪) শিক্ষকে ছাত্রসকলৰবাবে শিক্ষা প্রদান কৰে।

⇒ শিক্ষকঃ শিষ্যেভ্যঃ শিক্ষাং দদাতি।

১৫) প্রাচীন কালত মহিলাৰোপ্য নগৰত এজন ব্রাহ্মণ আছিল।

⇒ পুৰা মহিলাৰোপ্যনামনগৰে একঃ ব্রাহ্মণঃ আসীৎ।

১৬) এই ভাৰতবর্ষ নদীবহুল।

⇒ নদীবহুলা ইয়ং ভাৰতভূমি।

১৭) তেওঁ মোৰ সৈতে একেলগে আহিছে।

⇒ সঃ ময়া সহ আগচ্ছতি।

১৮) গংগা নৈ যমুনাৰে সৈতে মিল হৈছে।

⇒ গঙ্গা যমুনাম্ উপতিষ্ঠতে।

১৯) যদি তুমি উত্তৰ দিয়া তেনেহলে তোমাৰ মৃত্যু হ'ব।

⇒ যদি ত্বম্ উত্তৰং দদাসি তদা তৰ মৰণং ভৱিষ্যতি।

২০) হে দয়াময়। মোৰ প্ৰতি সদয় হোৱা।

⇒ হে দয়াময়। মাং প্ৰতি সদয়ো ভৱ।

(খ)

১) মন্দৰ পৰ্বতত দুৰ্দান্ত নামেৰে সিংহ এটাই বাস কৰিছিল আৰু তেওঁ সদায়ে বহুত পশু বধ কৰিছিল। এদিনাখন সকলোবোৰ পশুৱে সিংহৰ ওচৰলৈ আহি ক'লে যে— হে মৃগেন্দ্ৰ, তুমি কি কাৰণে সদায় ইমানবোৰ পশু বধ কৰিছা? প্ৰসন্ন হোৱা। আমি নিজেই তোমাৰ ভোজনৰ বাবে প্ৰতিদিনে একোটাকৈ পশু প্ৰেৰণ কৰিম।

⇒ মন্দৰ পৰ্বতে দুৰ্দান্তঃ নামঃ সিংহঃ বসতি স্ম। সঃ চ সৰ্বদা বহূনাং পশূনাং বধং কৰোতি স্ম। একদা সৰ্বে পশৱঃ সিংহস্য সমীপম্ অগচ্ছন্ অবদন্ চ- মৃগেন্দ্রহ্লু ত্বং কিমৰ্থং সৰ্বদা পশূনাং বধং কৰোষি? প্ৰসীদ। বয়ং স্বয়ং তৰ ভোজনায় প্ৰতিদিনম্ একম্ পশুং প্ৰেষয়িস্যামঃ।

২) কোনো এখন নগৰত এজন ৰজা আছিল। তেওঁৰ ৰাজভৱনত বহুত জন্তু আছিল। সেইবোৰে তেওঁৰ পৰিচৰ্য্যা কৰিছিল। সেইবোৰ পশুৰ ভিতৰত এটা বান্দৰ তেওঁৰ বৰ প্ৰিয় আছিল। এদিনাখন ৰজা শুই আছিল। তেতিয়া সেই বান্দৰটোৱে ৰজাক বিছনীৰে বিছি আছিল।

⇒ একস্মিন্ নগৰে একঃ নৃপঃ আসীৎ। তস্য ভৱনে বহবঃ পশৱঃ আসন্। তে তস্য সেৱাম অকুৰ্বন্। তেষু পশুষু একঃ বানৰঃ তস্য প্ৰিয়ঃ আসীৎ। একদা নৃপঃ সুপ্তঃ আসীৎ। তদা সঃ বানৰঃ ব্যজনেন তম্ অবীজয়ৎ।

৩) আমাৰ ভাৰতবৰ্ষ অতিশয় বিশাল। ইয়াত বহুত পৰ্বতআছে। সেইবোৰৰ ভিতৰত কিছুমান অতি ওখ আৰু কিছুমান অতি চাপৰ। এই পৰ্বতসমূহে মেঘৰ টুকুৰা বোৰক ধৰি লৈ বৰষুণ সৃষ্টি কৰে। ইয়াৰ পৰাই বহুত নদী প্ৰৱাহিত হৈছে। নদীসমূহৰ ভিতৰত মহানদী, গোদাবৰী, কাবেৰী, কৃষ্ণা আদি প্ৰধান।

⇒ অস্মাকং ভাৰতদেশঃ অতীৱ বিশালঃ অস্তি। অস্মিন্ বহবঃ গিৰয়ঃ সন্তি। তেষু কেচন অত্যুন্নতাঃ কেচন অনুন্নতাঃ চ। তে গিৰয়ঃ মেঘকলাপং ধৃত্বা বৃষ্টিং সম্পাদয়ন্তি। অনেন অনেকাঃ নদ্যঃ প্ৰৱহন্তি। অনেকাসু নদীষু মহানদী, গোদাৱৰী, কাবেৰী, কৃষ্ণা ইত্যাদয় চ প্ৰমুখাঃ সন্তি।

৪) সংস্কৃত ভাষা ভাৰতবৰ্ষৰ সংস্কাৰ ভাষা। ভাৰতবৰ্ষত প্ৰতিদিনে বিভিন্ন সংস্কাৰ কাৰ্য্যত এই ভাষাৰ প্ৰয়োগ কৰা হয়। এই ভাষাৰ বিভিন্ন বিশেষত্বৰ ভিতৰত এইটো অন্যতম যে ইয়াৰ সাহিত্যত থকা সুবচন সমূহে মানুহক অনুপ্ৰেৰণা যোগায়।

⇒ সংস্কৃত ভাষা ভাৰতবৰ্ষস্য সংস্কাৰভাষা। ভাৱতে সংস্কৃতভাষায়াঃ প্ৰতিদিনং বিবিধ সংস্কাৰকাৰ্য্যেষু প্ৰয়োগঃ ভৱতি। এতস্যাঃ অনেকাসু বিশেষতাসু ইয়ম্ অন্যতমা বিশেষতা যৎ অস্যাঃ বাঙ্ময়ে বিদ্যমানাঃ সূক্তয়ঃ অভ্যুদয়ায় প্ৰেৰয়ন্তি।

৫) এদিনাখন গোপালে সুৰেশৰ সৈতে উদ্যানলৈ গৈছিল। তাত সিহঁত দুটাই দুডাল আমৰ গছ দেখিবলৈ পালে। গছত থকা পকা আমবোৰ দেখি দুয়োজনৰে লোভ লাগিল। উদ্যান ৰক্ষকৰ ওচৰলৈ গৈ দুয়োজনে সুধিলে— 'মহাশয়, আমবোৰৰ দাম কিমান?" তেওঁ উত্তৰ দিলে- 'তিনিটকাত তিনিটা ফল দিম।"

⟹ একদা গোপালঃ সুৰেশেন সহ উদ্যানম্ অগচ্ছৎ। তৌ তত্র দ্বৌ আম্রবৃক্ষৌ অপশ্যতাম্। বৃক্ষয়োঃ পক্কানি ফলানি দৃষ্ট্বা তৌ লালায়িতৌ অভৱতাম্। উদ্যানপালকম্ উপেত্য তৌ অপৃচ্ছতাম্- "ভদ্র, আম্রাণাং কিং মূল্যম্।" সঃ প্রত্যবদৎ- "ত্রিভিঃ ৰূপ্যকৈঃ ত্রীণি ফলানি যচ্ছামি।"



## ২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া ভাষাৰ পৰা সংস্কৃত ভাষালৈ বাক্য অনুবাদ কৰাৰ জ্ঞান লাভ কৰিলে।
- সংস্কৃত ভাষাৰ তিনিটা লিঙ্গ, তিনিটা বচন, ছয়টা কাৰক আৰু সাতটা বিভক্তিৰ বিষয়েও জ্ঞান লাভ কৰিলে।
- সংস্কৃত ভাষাত কর্ত্তৃবাচ্যত (Active voice) কর্ত্তা অনুসৰিহে যে ক্রিয়াৰ ব্যৱহাৰ হয়- এই বিষয়েও জ্ঞান লাভ কৰিলে।
- 'সুপ্' বিভক্তি সমূহ শব্দৰ (প্রাতিপদিক) ৰ পিছত আৰু 'তিঙ্' বিভক্তি সমূহ ধাতুৰ পিছত প্রয়োগ হয়— এই বিষয়ে অৱগত হ'ব পাৰিলে।
- বিশেষণ পদ সমূহে সদায়ে যে বিশেষ্য অথবা সর্বনাম পদক অনুসৰণ কৰে- তাৰ সম্যক জ্ঞান লাভ কৰিলে।



## ২.৭ অধিক জানিবলৈ

১) তালুকদাৰ, প্রিয়দাস (১৯৮৩); *অসমীয়া ভাষা বোধিকা*, গুৱাহাটী ঃ এল.বি.এছ পাব্লিকেশ্যান।

২) দ্বিবেদী, কপিলদেৱ (২০০১); *প্রৌঢ়-ৰচনানুবাদকৌমুদী*, বাৰাণসী ঃ বিশ্ববিদ্যালয় প্রকাশন।

৩) বিদ্যাসাগৰ, ঈশ্বৰ চন্দ্র, *সমগ্র ব্যাকৰণ- কৌমুদী*; কলিকতা ঃ দেৱ সাহিত্য কুটীৰ প্রাইভেট লিমিটেড।

৪) ভট্টাচার্য্য, ড° হৰিচন্দ্র (১৯৯৬); *সংস্কৃত ব্যাকৰণ প্রভা;* গুৱাহাটী ঃ বৰুৱা এজেন্সি।

৫) শাস্ত্রী, খগেন্দ্র নাথ (১৯৮৫); *সংস্কৃত প্রৱেশ ব্যাকৰণ*, গুৱাহাটী ঃ গ্রন্থ পীঠ।

৬) শাস্ত্রী, চক্রধৰ নৌটিয়াল (১৯৮৮); *বৃহদ্-অনুবাদ- চন্দ্রিকা,* দিল্লী ঃ মোতীলাল বনাৰসীদাস।



## ২.৮ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** ১) তুমি যোৱা।

২) বালকাঃ ক্রীড়ন্তি।

৩) আমি হাঁহিছো।

৪) আৱাং পঠাবঃ।

৫) বিক্রমে গাইছে।

**২নং প্রশ্নৰ উত্তৰ ঃ** ৬) গীতা আৰু সীতাই পঢ়িব।

৭) ত্বং হৰিঃ বিনয়ঃ চ বিদ্যালয়ম্ অগচ্ছন্।

৮) ৰমেন আৰু মই খেলিছোঁ।

৯) ত্রিণয়ন ত্বং বা গমিষ্যসি।

১০) ল'ৰাবোৰ আৰু ছোৱালীবোৰে গাইছে।

**৩নং প্রশ্নৰ উত্তৰ ঃ** ১১) সঃ সর্বদা প্রাতঃ ভ্রমণং কৰোতি।

১২) আমি যোৱা কালি বিদ্যালয়লৈ গৈছিলো।

১৩) প্রিয়ংকা শ্বঃ গুৱাহাটীনগৰং গমিষ্যতি।

১৪) গুৰুয়ে কয়- সচাঁ কথা কোৱা উচিত।

১৫) ত্বং কর্ম কুৰু।



## ২.৯ আৰ্হি প্রশ্ন

**প্রশ্ন ১ ঃ** তলৰ বাক্যকেইটা সংস্কৃতলৈ অনুবাদ কৰক।

ক) আমাৰ ভাৰতবর্ষ অতিশয় বিশাল।

খ) কোনো এখন নগৰত বিক্রমাদিত্য নামেৰে এজন ৰজা আছিল।

গ) পশু বিলাকৰ এটা বান্দৰ ৰজাৰ বৰ প্রিয় আছিল।

ঘ) এদিনাখন সকলোবোৰ পশু সিংহৰ ওচৰলৈ আহিছিল।

ঙ) সংস্কৃত ভাষা ভাৰতবর্ষৰ সংস্কাৰ ভাষা।

*** ***** ***

# অধ্যায় ৩ ঃ ভাৱবোধ পৰীক্ষণ (Comprehension)

## অধ্যায় গাঁথনি


৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ ভাৱবোধ পৰীক্ষণৰ সাধাৰণ কৌশলসমূহ

৩.৩.১ অধ্যয়নৰ কৌশল

৩.৩.২ উত্তৰকৰণৰ কৌশল

৩.৪ উদাহৰণ

৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৬ অধিক জানিবলৈ

৩.৭ অগ্রগতিৰ খতিয়ান

৩.৮ আৰ্হি প্ৰশ্ন


## ৩.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- ভাৱবোধ পৰীক্ষণ বা Comprehension-ৰ আভাস লাভ কৰিব
- সংস্কৃত ভাষাত Comprehension কৰাৰ কৌশলসমূহৰ বিষয়ে জানিব পাৰিব
- Comprehensionৰ বাবে যিবিলাক নিয়মৰ প্ৰয়োজন, সেইসমূহৰ সামান্য ধাৰণা লাভ কৰিব পাৰিব
- Comprehensionৰ বিভিন্ন নমুনাৰ সৈতে পৰিচিত হ'ব।

## ৩.২ পৰিচয়

Comprehension অৰ্থাৎ ভাৱবোধ পৰীক্ষণ হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ বুদ্ধি আৰু ভাষাজ্ঞান পৰীক্ষা কৰাৰ এটা পদ্ধতি। সংস্কৃত ভাষাৰ বোধ আৰু ভাষাটো প্ৰয়োগৰ জ্ঞান পৰীক্ষা কৰাৰ বাবে এই Comprehensionৰ আশ্ৰয় লোৱা হয়। এই পৰীক্ষা কৰিবৰ বাবে পাঠ্যৰ বা পাঠ্যৰ বাহিৰৰ পাঠৰ এটা দফা উল্লেখ কৰি সেই দফাৰ ভিতৰত হ'ব পৰা কেইটামান প্ৰশ্ন সোধা হয়।

Comprehensionৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ বোধ শক্তিৰ উমান পাব পাৰি। এটা নিৰ্দিষ্ট দফাৰ ধাৰণাৰ দ্বাৰা আন এটা ধাৰণা গঠন কৰিব পৰা কৌশল ইয়াৰ দ্বাৰা আয়ত্ব কৰিব পাৰি।

Comprehension Testত এটা নিৰ্দিষ্ট দফাৰ বিষয়বস্তুৰ ওপৰত নিৰ্ভৰ কৰি কেইটামান প্ৰশ্ন তৈয়াৰ কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে নিৰ্দিষ্ট দফাটো ভালদৰে অধ্যয়ন কৰি লৈ ইয়াৰ লগত সন্নিৱিষ্ট প্ৰশ্নসমূহৰ উত্তৰ সংক্ষেপে আৰু যথাযথভাৱে নিজৰ ভাষাত দিব লাগে।

## ৩.৩ ভাৱবোধ পৰীক্ষণৰ সাধাৰণ কৌশলসমূহ

ভাৱবোধ পৰীক্ষণৰ ক্ষেত্ৰত কিছুমান কৌশল জানি ল'লে সুবিধা হয়। এই কৌশলসমূহক দুটা ভাগত ভগোৱা যায়। এটা হ'ল অধ্যয়নৰ কৌশল আৰু আন এটা হ'ল উত্তৰণৰ কৌশল। এতিয়া আপোনাৰ সুবিধাৰ বাবে তলত ভাৱবোধৰ কৌশল কিছুমান আগবঢ়োৱা হৈছে—

### ৩.৩.১ অধ্যয়নৰ কৌশল

১) উত্তৰসমূহ কৰাৰ আগতে নির্দিষ্ট দফাটো ভালদৰে পঢ়িব লাগে। প্ৰথমবাৰ পঢ়োতে কিছু টান যেন লাগিলে, দফাটো দুই-তিনিবাৰ পঢ়িব লাগে।

২) দফাটোত থকা কঠিন শব্দবোৰৰ অৰ্থ বাক্যটোত থকা আন শব্দবিলাকৰ সহায়ত বুজিবলৈ চেষ্টা কৰিব লাগে।

৩) সন্ধিযুক্ত পদসমূহ অথবা সমাসবদ্ধ পদসমূহ ভাঙি লৈ অৰ্থ কৰিবলৈ চেষ্টা কৰিব লাগে।

৪) বিভক্তিযুক্ত শব্দসমূহৰ বিভক্তিৰ চিনসমূহ চাই অৰ্থ কৰিবলৈ চেষ্টা কৰিব লাগে।

৫) বাক্যসমূহত থকা কৰ্তা, কৰ্ম আৰু ক্ৰিয়াটো ভালদৰে উলিয়াই ল'লে বাক্যটোৰ অৰ্থ বুজাত সহজ হয়। যেনে— বালকঃ, পুস্তকং পঠতি। ইয়াৰে বালকঃ - কৰ্তা, পুস্তকং - কৰ্ম, পঠতি - ক্ৰিয়া।

৬) বাক্যসমূহত থকা শব্দবোৰৰ অৰ্থ জানিবলৈ হ'লে শব্দসমূহৰ কাৰক-বিভক্তি নিৰ্ণয় কৰিবলৈ চেষ্টা কৰিব লাগে। উদাহৰণস্বৰূপে—

i) অৰ্দ্ধপঃ আপনাৎ ফলম্ আনয়তি, গৃহে চ ভোজনং কৰোতি।

ii) বিদ্যালয়ে ছাত্ৰঃ হস্তেন অধ্যাপকস্য পুস্তকানি গৃহীত্বা বালকয়ে দদাতি।

ওপৰৰ বাক্য দুটাৰ শব্দসমূহৰ কাৰক-বিভক্তি নিম্নোক্ত ধৰণে হয়—

| শব্দ | কাৰক | বিভক্তি |
|---|---|---|
| অৰ্দ্ধপঃ, ছাত্ৰঃ | কৰ্তা | প্ৰথমা |
| ফলম্, পুস্তকানি | কৰ্ম | দ্বিতীয়া |
| হস্তেন | কৰণ | তৃতীয়া |
| বালকায় | সম্প্ৰদান | চতুৰ্থী |
| আপনাৎ | অপাদান | পঞ্চমী |
| অধ্যাপকস্য | সম্বন্ধ | ষষ্ঠী |
| গৃহে | অধিকৰণ | সপ্তমী |

### ৩.৩.২ উত্তৰকৰণৰ কৌশল

এতিয়া আপুনি দফাটো অধ্যয়নৰ অন্তত উত্তৰসমূহ কৰাৰ কৌশলসমূহৰ বিষয়ে জানিব পাৰিব।

১) দফাটোৰ ওপৰত নির্দিষ্ট কৰি দিয়া প্রশ্নসমূহ প্রথমতে ভালদৰে অধ্যয়ন কৰি বুজি ল'ব লাগে।

২) প্রশ্নটোৰ উত্তৰ পৰাক্ষেত্রত সংক্ষেপতে আৰু যথাযথভাৱে দিবলৈ চেষ্টা কৰিব লাগে। উত্তৰ কৰাৰ ক্ষেত্রত বাহুল্য বর্জন কৰাই ভাল।

৩) সংস্কৃত ভাষাত সাধাৰণতে 'কিম্' (who, which) এই সর্বনাম শব্দটোৰ জৰিয়তে প্রশ্ন সোধা হয়। যেনে— কঃ ত্বম্? (তুমি কোন?), কস্মৈ ইদং দাস্যাসি? (কাক এইটো দিবা?), কস্য ইদং গৃহম্? (কাৰ এইটো ঘৰ?), কস্মিন্ দিৱসে ইদম্ অভৱৎ? (কোন দিনাখন এইটো হৈছিল?), কা ইয়ং বালিকা? (এই ছোৱালীজনী কোন?), কস্যাং নগর্য্যাং ত্বং বসসি? (কোনখন নগৰীত তুমি বাস কৰা?), কিং তস্য নাম? (তেওঁৰ নাম কি?), ত্বং কিং কর্ম কৰোষি? (তুমি কি কাম কৰিছা?), কানি পুস্তকানি তব? (কোনবোৰ কিতাপ তোমাৰ?, কস্মিন্ বনে মুনিঃ বসতি? (কোনখন হাবিত মুনিজনে বাস কৰে?)

৪) এই কিম্ শব্দটো পুংলিঙ্গ, স্ত্রীলিঙ্গ আৰু ক্লীৱলিঙ্গ— এই তিনিওটা লিঙ্গতে পৃথকে পৃথকে প্রয়োগ হয়। তলত তিনিওটা লিঙ্গতে ইয়াৰ শব্দ ৰূপবোৰ দিয়া হ'ল—

**কিম্ (পুংলিঙ্গ) (অর্থ - কোন)**

| বিভক্তি | একবচন | দ্বিবচন | বহুবচন |
|---|---|---|---|
| প্রথমা | কঃ (কোন) | কৌ (কোন দুজনে) | কে (কোনসকলে) |
| দ্বিতীয়া | কম্ (কাক) | কৌ (কোন দুজনক) | কান্ (কোনসকলক) |
| তৃতীয়া | কেন (কাৰ দ্বাৰা) | কাভ্যাম্ (কোন দুজনৰ দ্বাৰা) | কৈঃ (কোনবোৰৰ দ্বাৰা |
| চতুর্থী | কস্মৈ (কা লৈ) | কাভ্যাম্ (কোন দুজনলৈ) | কেভ্যঃ (কোনবোৰলৈ) |
| পঞ্চমী | কস্মাৎ (কাৰ পৰা) | কাভ্যাম্ (কোন দুজনৰ পৰা) | কেভ্যঃ(কোনবোৰৰ পৰা) |
| ষষ্ঠী | কস্য (কাৰ) | কয়োঃ (কোন দুজনৰ) | কেষাম্ (কোনবোৰৰ) |
| সপ্তমী | কস্মিন্ (ক'ত, কোনজনত) | কয়োঃ (কোন দুজনত) | কেষু (কোনবোৰত) |

**কিম্ (স্ত্রীলিঙ্গ)**

| বিভক্তি | একবচন | দ্বিবচন | বহুবচন |
|---|---|---|---|
| প্রথমা | কা (কোনজনী) | কে | কাঃ |
| দ্বিতীয়া | কাম্ (কোনজনীক) | কে | কাঃ |
| তৃতীয়া | কয়া (কোনজনীৰ দ্বাৰা) | কাভ্যাম্ | কাভিঃ |

| | | | |
|---|---|---|---|
| চতুর্থী | কস্মৈ (কোনজনীলৈ) | কাভ্যাম্ | কাভ্যঃ |
| পঞ্চমী | কস্যাঃ (কোনজনীৰ পৰা) | কাভ্যাম্ | কাভ্যঃ |
| ষষ্ঠী | কস্যাঃ (কোনজনীৰ) | কয়োঃ | কাসাম্ |
| সপ্তমী | কস্যাম্ (কোনজনীত) | কয়োঃ | কাসু |

**কিম্ (ক্লীৱলিঙ্গ)**

| বিভক্তি | একবচন | দ্বিবচন | বহুবচন |
|---|---|---|---|
| প্রথমা | কিম্ (কি) | কে | কানি |
| দ্বিতীয়া | কিম্ (কোনটোক) | কে | কানি |

(বাকীবোৰ ৰূপ পুংলিঙ্গৰ দৰেই হয়)

৫) প্রশ্নসমূহত থকা 'কিম্' শব্দ ৰূপৰ অন্তর্গত প্রশ্নবোধক শব্দটোত যি লিঙ্গ, যি বচন তথা যি বিভক্তি থাকে, সম্ভৱ ক্ষেত্রত উত্তৰবোধক শব্দটোতো সেই লিঙ্গ, সেই একেই বচন আৰু সেই বিভক্তি প্রয়োগ কৰা উচিত।

উদাহৰণস্বৰূপে—

ক) প্রশ্ন — কঃ ত্বম্? (পুংলিঙ্গ, প্রথমা, একবচন)
উত্তৰ — বালকঃ অহম্।

খ) প্রশ্ন— জন্তুশালায়াং কং পশ্যসি? (পুংলিঙ্গ, দ্বিতীয়া, একবচন)
উত্তৰ— জন্তুশালায়াং সিংহং পশ্যামি।

গ) প্রশ্ন— কস্য ইদং গৃহম্? (পুংলিঙ্গ, ষষ্ঠী, একবচন)
উত্তৰ— প্রহ্লাদস্য ইদং গৃহম্।

ঘ) প্রশ্ন— কে আগচ্ছন্তি? (পুংলিঙ্গ, প্রথমা, বহুবচন)
উত্তৰ— জনাঃ আগচ্ছন্তি।

ঙ) প্রশ্ন— কেভ্যঃ ফলং দাতুং ইচ্ছসি? (পুংলিঙ্গ, চতুর্থী, বহুবচন)
উত্তৰ— বালকেভ্যঃ ফলং দাতুং ইচ্ছামি।

চ) প্রশ্ন— কা ইয়ং বালিকা? (স্ত্রীলিঙ্গ, প্রথমা, একবচন)
উত্তৰ— ছন্দিতা ইয়ং বালিকা।

ছ) প্রশ্ন— কস্যাঃ গৃহম্? (স্ত্রীলিঙ্গ, ষষ্ঠী, একবচন)
উত্তৰ— কাংক্ষিতায়াঃ গৃহম্।

জ) প্রশ্ন— কাসাম্ হস্তেষু পুস্তকানি সন্তি? (স্ত্রীলিঙ্গ, ষষ্ঠী, বহুবচন)
উত্তৰ— বালিকানাং হস্তেষু পুস্তকানি সন্তি।

ঝ) প্রশ্ন—কিং তস্য নাম? (ক্লীৱলিঙ্গ, প্রথমা, একবচন)
উত্তৰ— পংকজঃ তস্য নাম। (পুংলিঙ্গ, প্রথমা, একবচন)

ঞ) প্রশ্ন— কানি পুস্তকানি তব? (ক্লীৱলিঙ্গ, প্রথমা, বহুবচন)
উত্তৰ— সংস্কৃত-পুস্তকানি মম।

৬) কুত্র, কদা, কতি, কিমর্থং, কুতঃ, কথম্ আৰু কিম্— এই সাতটা শব্দক একেলগে সংস্কৃত ভাষাত "সপ্ত 'ক' কাৰ" বুলি কোৱা হয়। এই শব্দকেইটাৰ জৰিয়তে প্রশ্নৰ অৱতাৰণা কৰা হয়। উদাহৰণস্বৰূপে—

কুত্র (ক'ত) — ভবতঃ গৃহং কুত্র অস্তি?

কদা (কেতিয়া) — ভবান্ কদা খাদতি?

কতি (কিমান) — কতি বালকাঃ সন্তি?

কিমর্থং (কি কাৰণে) — বালকঃ কিমর্থং বিদ্যালয়ং গচ্ছতি?

কুতঃ (ক'ৰ পৰা) — বালকঃ কুতঃ আগচ্ছতি?

কথম্ (কেনেকৈ) — অশ্বঃ কথম্ ধাবতি?

কিম্ (কি) — ভবতঃ পিতা কিং কৰোতি?

৭) প্রশ্নসমূহত থকা কাল অনুসৰি উত্তৰসমূহ দিব লাগে। প্রশ্নটো অতীত কালত থাকিলে উত্তৰটোও অতীত কালত দিব লাগে। যেনে— মন্দিৰঃ কুত্র আসীৎ? উত্তৰ-মন্দিৰঃ নদীতীৰে আসীৎ। সংস্কৃত ভাষাত 'হোৱা' অথবা 'থকা' অর্থত (ইংৰাজীত 'be-verb') ভূ, অস্ আৰু বৃৎ— এই তিনিটা ধাতুৰ ৰূপ বহুলভাৱে ব্যৱহাৰ কৰা হয়। এই ধাতু তিনিটাৰ বর্তমান, অতীত আৰু ভৱিষ্যৎ কালৰ ক্রিয়াৰ ৰূপসমূহ তলত দেখুওৱা হ'ল—

**ভূ ধাতু (পৰস্মৈপদী)**

**লট্ (বর্তমান কাল)**

| | **প্রথম পুৰুষ** | **মধ্যম পুৰুষ** | **উত্তম পুৰুষ** |
|---|---|---|---|
| একবচন | ভৱতি | ভৱসি | ভৱামি |
| দ্বিবচন | ভৱতঃ | ভৱথঃ | ভৱাৱঃ |
| বহুবচন | ভৱন্তি | ভৱথ | ভৱামঃ |

**লঙ্ (অতীত কাল)**

| | **প্রথম পুৰুষ** | **মধ্যম পুৰুষ** | **উত্তম পুৰুষ** |
|---|---|---|---|
| একবচন | অভৱৎ | অভৱঃ | অভৱম্ |
| দ্বিবচন | অভৱতাম্ | অভৱতম্ | অভৱাৱ |
| বহুবচন | অভৱন্ | অভৱত | অভৱাম |

**লৃট্ (ভৱিষ্যৎ কাল)**

| | **প্রথম পুৰুষ** | **মধ্যম পুৰুষ** | **উত্তম পুৰুষ** |
|---|---|---|---|
| একবচন | ভৱিষ্যতি | ভৱিষ্যসি | ভৱিস্যামি |
| দ্বিবচন | ভৱিষ্যতঃ | ভৱিষ্যথঃ | ভৱিস্যাৱঃ |
| বহুবচন | ভৱিষ্যন্তি | ভৱিষ্যথ | ভৱিষ্যামঃ |

**অস্ ধাতু (পৰস্মৈপদী)**

**লট্**

| | **প্রথম পুৰুষ** | **মধ্যম পুৰুষ** | **উত্তম পুৰুষ** |
|---|---|---|---|
| একবচন | অস্তি | অসি | অস্মি |
| দ্বিবচন | স্তঃ | স্থঃ | স্বঃ |
| বহুবচন | সন্তি | স্থ | স্মঃ |

**লঙ্**

| | **প্রথম পুৰুষ** | **মধ্যম পুৰুষ** | **উত্তম পুৰুষ** |
|---|---|---|---|
| একবচন | আসীৎ | আসীঃ | আসম্ |
| দ্বিবচন | আস্তাম্ | আস্তম্ | আস্ব |
| বহুবচন | আসন্ | আস্ত | আস্ম |

**লৃট্**

(অস্ ধাতুৰ ভৱিষ্যৎ কালৰ ৰূপসমূহ ভূ ধাতুৰ ভৱিষ্যৎ কালৰ দৰেই হয়।)

**বৃৎ ধাতু (আত্মনেপদী)**

| | **প্রথম পুৰুষ** | **মধ্যম পুৰুষ** | **উত্তম পুৰুষ** |
|---|---|---|---|
| একবচন | বর্ত্ততে | বর্ত্তসে | বর্ত্তে |
| দ্বিবচন | বর্ত্তেতে | বর্ত্তেথে | বর্ত্তাৱহে |
| বহুবচন | বর্ত্তন্তে | বর্ত্তধ্বে | বর্ত্তামহে |

**লঙ্**

| | **প্রথম পুৰুষ** | **মধ্যম পুৰুষ** | **উত্তম পুৰুষ** |
|---|---|---|---|
| একবচন | অৱর্ত্তত | অৱর্ত্তথাঃ | অৱর্ত্তে |
| দ্বিবচন | অৱর্ত্তেতাম্ | অৱর্ত্তেথাম্ | অৱর্ত্তাৱহি |
| বহুবচন | অৱর্ত্তন্ত | অৱর্ত্তধ্বম্ | অৱর্ত্তামহি |

**লৃট্**

| | **প্রথম পুৰুষ** | **মধ্যম পুৰুষ** | **উত্তম পুৰুষ** |
|---|---|---|---|
| একবচন | বর্ত্তিষ্যতে | বর্ত্তিস্যসে | বর্ত্তিষ্যে |
| দ্বিবচন | বর্ত্তিষ্যেতে | বর্ত্তিস্যথে | বর্ত্তিষ্যাৱহে |
| বহুবচন | বর্ত্তিষ্যন্তে | বর্ত্তিস্যধ্বে | বর্ত্তিষ্যামহে |



### জানি থোৱা ভাল

**ক) ক্রিয়া**— সংস্কৃত ব্যাকৰণত দুই প্রকাৰৰ ক্রিয়া ব্যৱহাৰ কৰা হয়— তিঙন্ত ক্রিয়া আৰু কৃদন্ত ক্রিয়া। ধাতুৰ পিছত তিঙ্ বিভক্তি প্রয়োগ হৈ যি ক্রিয়াপদ গঠিত হয়, তাকে তিঙন্ত ক্রিয়া বোলে। যেনে— গচ্ছতি, হসতি, খাদতি আদি। আনহাতে ধাতুৰ পিছত কৃৎ প্রত্যয়সমূহ যোগ হৈ যি ক্রিয়া পদ গঠিত হয়, তাকে কৃদন্ত ক্রিয়া বোলে। যেনে— ৰামঃ চন্দ্রং দৃষ্টৱান্ (দৃশ্ + ক্তবতু পুং প্রথমা একবচন)।

**খ) ক্রিয়াৰ কাল**— সংস্কৃতত লট্ আদি লকাৰ আৰু ক্ত, ক্তবতু আদি কৃৎ প্রত্যয়ৰ দ্বাৰা সকলো কালৰ অর্থ কৰা হয়। সাধাৰণতে বর্তমান কালত লট্ বিভক্তি, অতীত কালত লঙ্, লুঙ্ আৰু লিঙ্ বিভক্তি আৰু ভৱিষ্যৎ কালত লৃট্ লুট্ বিভক্তি ব্যৱহাৰ কৰা হয়। যেনে—

বর্তমান কাল — লট্ - বালকঃ পুস্তকং পঠতি (পঠ্ + লট্ তি),

অতীত কাল — লঙ্ - বালকঃ চন্দ্রং অপশ্যৎ (দৃশ্ + লঙ্ দ্)
লুঙ্ - ৰামঃ বিদ্যালয়ম্ অগমৎ (গম্ + লুঙ্ দ্)
লিট্ - ৰামঃ ৰাবণং জঘান (হন্ + লিট্ অ)

ভৱিষ্যৎ কাল — লৃট্ - বালকঃ পুস্তকং পঠিষ্যতি (পঠ্ + লৃট্ স্যতি),
লুট্ - পৰশ্বঃ তত্র সভা ভবিতা (ভূ + লুট্ তা)

## ৩.৪ উদাহৰণ

এতিয়া আপুনি ভাৱবোধ পৰীক্ষণৰ কিছুমান উদাহৰণ অধ্যয়ন কৰিবলৈ পাব। সেইবোৰ তলত দাঙি ধৰা হ'ল—

১) একদা নৃপঃ সুপ্তঃ আসীত্। তদা একঃ বানরঃ ব্যজনেন তম্ অবীজযত্। তস্মিন্ এব কালে একা মক্ষিকা নৃপস্য নাসিকাযাম্ উপাবিশত্। বানরঃ বারং বারং তাং মক্ষিকাং ব্যজনেন নিবারযতি স্ম। তথাপি সা মক্ষিকা পুনঃ পুনঃ আগত্য তত্রৈব অতিষ্ঠত্। তেন সঃ বানরঃ ক্রুদ্ধঃ অভবত্। তাং মক্ষিকাং হন্তুং সঃ খড্গেন প্রহারম্ অকরোত্। মক্ষিকা তু উড্ডীয দুরম্ অগচ্ছত্, কিন্তু খড্গপ্রহারেণ নৃপস্য নাসিকা ছিন্না অভবত্।

i) প্রশ্ন — মক্ষিকা কুত্র উপাবিশত্?
উত্তৰ — মক্ষিকা নৃপস্য নাসিকাযাম্ উপাবিশত্।

ii) প্রশ্ন — বানরঃ কিমর্থং ক্রুদ্ধঃ অভবত্?
উত্তৰ — বানরঃ বারং বারং মক্ষিকাং ব্যজনেন নিবারযতি স্ম। তথাপি মক্ষিকা পুনঃ পুনঃ আগত্য নাসিকাযাম্ অতিষ্ঠত্। তেন বানরঃ ক্রুদ্ধঃ অভবত্।

iii) প্রশ্ন — क्रुद्धः वानरः किम् अकरोत्?
উত্তৰ — क्रुद्धः वानरः मक्षिकां हन्तुं खड्गेन प्रहारम् अकरोत्।

iv) প্রশ্ন — खड्गप्रहारेन किम् अभवत्।
উত্তৰ — खड्गप्रहारेन नृपस्य नासिका छिन्ना अथवत्।

v) প্রশ্ন — नृपस्य मक्षिका उपाविशत्। (मस्तके/नासिकायाम्)
(বন্ধনীৰ পৰা শুদ্ধ শব্দটো বাচি উলিয়াই খালী ঠাই পূৰণ কৰক)
উত্তৰ — नृपस्य नासिकायाम् मक्षिका उपाविशत्।

২) प्राचीनकाले वाल्मीकिनामा एकः ऋषिः आसीत्। एकदा सः शिष्यैः सह स्नातुं तमसानदीमगच्छत्। मार्गे सः व्याधेन विद्धमेकं क्रौञ्चपक्षिणमपश्यत्। सहचरस्य वियोगेन क्रौञ्ची व्याकुलाभवत्। सा च उच्चैः अरुदत्। तस्याः रोदनं श्रुत्वा दुःखं च दृष्ट्वा ऋषिः द्रवीभूतः। क्रौञ्चीक्रन्दनात् जातः ऋषेः शोकः श्लोकमेकरुपेण तस्य मुखादेव निर्गतः।

i) প্রশ্ন — वाल्मीकिः कः आसीत्?
উত্তৰ — वाल्मीकिः एकः ऋषिः आसीत्।

ii) প্রশ্ন — वाल्मीकिः स्नातुं कुत्र अगच्छत्?
উত্তৰ — वाल्मीकिः स्नातुं तमसानदीम् अगच्छत्?

iii) প্রশ্ন — सहचरस्य वियोगेन का व्याकुलाभवत्?
উত্তৰ — सहचहस्य वियोगेन क्रौञ्ची व्याकुलाभवत्।

iv) প্রশ্ন — मार्गे ऋषिः कमपश्यत्?
উত্তৰ — मार्गे ऋषिः व्याधेन विद्धमेकं क्रौञ्चपक्षिणमपश्यत्।

v) প্রশ্ন — ऋषिः किमर्थं द्रवीभूतः?
উত্তৰ — क्रौञ्च्याः रोदनं श्रुत्वा दुःखं च दृष्ट्वा ऋषिः द्रवीभूतः।

৩) धारानगर्या भोजो नाम राजा आसीत्। जन्मनैव बुद्धिमान् सुयोग्येभ्यः गुरुभ्यः अधीत्य सः शीघ्रं विद्वान् अभवत्। सिंहासनम् अधिष्टितः सः सुप्रबन्धेन स्वराज्यं समृद्धम् अकरोत्। तस्य राज्ये जनाः सदाचारिणः आसन्। राज्ञः प्रेरणया गुणानुरागिभिः धनवद्भिः अनेके विद्यालयाः पुस्तकालयाश्च स्थापिताः। कलाविद्भिः शिल्पिभिः भव्यानि भवनानि, रम्याणि मन्दिराणि च निर्मितानि।

i) প্রশ্ন — भोजो नाम राजा कुत्र आसीत्?
উত্তৰ — भोजो नाम राजा धारानगर्याम् आसीत्।

ii) প্রশ্ন — भोजः कथं विद्वान् अभवत्?
উত্তৰ — जन्मनैव बुद्धिमान् भोजः सुयोग्येभ्यः गुरुभ्यः अधीत्य विद्वान् अभवत्।

iii) প্রশ্ন — भोजस्य राज्ये जनाः कीदृशाः आसन्?
উত্তৰ — भोजस्य राज्ये जनाः सदाचारिणः आसन्।

iv) প্রশ্ন — राज्ञः प्रेरणया धनवद्भिः के स्थापिताः?

উত্তৰ — ৰাজ্ঞঃ প্ৰেৰণয়া ধনবৃদ্ধিঃ অনেকে বিদ্যালয়াঃ পুস্তকালয়াশ্চ স্থাপিতাঃ।

v) প্ৰশ্ন — সমৃদ্ধিম্ আৰু মন্দিৰাণি - এই দুটা শব্দ প্ৰয়োগ কৰি দুটা বাক্য ৰচনা কৰক।

উত্তৰ — সমৃদ্ধিম্ - ৰাজাঃ স্বৰাজ্যং সমৃদ্ধিম্ অকৰোত্।

মন্দিৰাণি - শিল্পিভিঃ মন্দিৰাণি নিৰ্মিতানি।

৪) অস্তি চম্পকাভিধানায়াং নগৰ্যাং পৰিব্ৰাজকাবসথঃ। তত্ৰ চূডাকৰ্ণো নাম পৰিব্ৰাট্ প্ৰতিবসতি। স চ ভোজনাবশিষ্টভিক্ষান্নসহিতং ভিক্ষাপাত্ৰং নাগদন্তকেঽবস্থাপ্য স্বপিতি। মূষিকঃ একঃ চ তদন্নমুত্প্লুত্য প্ৰত্যহং ভক্ষয়তি। অনন্তৰং তস্য প্ৰিয়সুহৃদ্ বীণাকৰ্ণো নাম পৰিব্ৰাজকঃ সমায়াতঃ।

i) প্ৰশ্ন — কস্যাং নগৰ্যাং পৰিব্ৰাজকাবসথঃ অস্তি?

উত্তৰ — চম্পকাভিধানায়াং নগৰ্যাং পৰিব্ৰাজকাবসথঃ অস্তি।

ii) প্ৰশ্ন — পৰিব্ৰাজকঃ কুত্ৰ ভিক্ষাপাত্ৰমবস্থাপ্য স্বপিতি?

উত্তৰ — পৰিব্ৰাজকঃ নাগদন্তকে ভিক্ষাপাত্ৰমবস্থাপ্য স্বপিতি।

iii) প্ৰশ্ন — কঃ পাত্ৰস্থমন্নমুত্প্যুত্য ভক্ষয়তি?

উত্তৰ — মূষিকঃ পাত্ৰস্থমন্নমুত্প্লুত্য ভক্ষয়তি।

iv) প্ৰশ্ন — চুডাকৰ্ণস্য প্ৰিয়সুহদ্ কঃ আসীত্?

উত্তৰ — চুডাকৰ্ণস্য প্ৰিয়সুহৃদ্ বীণাকৰ্ণঃ আসীত্।

v) প্ৰশ্ন — 'মিত্ৰম্' শব্দটোৰ প্ৰতিশব্দ পাঠটোৰ পৰা লিখক।

উত্তৰ — সুহৃদ্।

৫) অস্তি কস্মিশ্চিদ্বনোদ্দেশে বহুবকসনাথো বঠপাদপঃ। তস্য কোটৰে কৃষ্ণসৰ্পঃ প্ৰতিবসতি স্ম। স চ বকবালকানজাতপক্ষানপি সদৈব ভক্ষয়ন্কালং নয়তি। অথৈকো বকস্তেন ভক্ষিতানি অপত্যানি দৃষ্ট্বা শিশুবৈৰাগ্যাত্ সৰস্তীৰমাসাদ্য বাষ্পপূৰিতনয়নো ধোমুখস্তিষ্ঠতি। তং চ তাদৃক্চেষ্টিতমবলোক্য কুলীৰকঃ প্ৰোবাচ - "মাম, কিমেবং ৰুদ্যতে ভবতাদ্য?"

i) প্ৰশ্ন — বটপাদপঃ কত্ৰ আসীত্?

উত্তৰ — বটপাদপঃ কস্মিংশ্চিদ্বনোদ্দেশে আসীত্।

ii) প্ৰশ্ন — কৃষ্ণসৰ্পঃ কুত্ৰ প্ৰতিবসতি স্ম?

উত্তৰ — কৃষ্ণসৰ্পঃ বটবৃক্ষস্য কোটৰে প্ৰতিবসতি স্ম।

iii) প্ৰশ্ন — কৃষ্ণসৰ্পঃ কথং কালং নয়তি স্ম?

উত্তৰ — কৃষ্ণসৰ্পঃ বকবালকান্ অজাতপক্ষান্ অপি ভক্ষয়ন্ কালং নয়তি স্ম।

iv) প্ৰশ্ন — বাষ্পপূৰিতনয়নং বকং কঃ অপশ্যত্?

উত্তৰ — বাষ্পপূৰিতনয়নং বকং একঃ কুলীৰকঃ অপশ্যত্।

v) প্রশ্ন — 'কস্মিংশ্চিত্' আৰু 'অথৈকঃ' এই শব্দ দুটাৰ সন্ধি বিচ্ছেদ কৰক।
উত্তৰ — কস্মিন্ + চিত্, অথ + একঃ।

**অগ্রগতি নিৰীক্ষণ**

তলৰ অনুচ্ছেদটো পঢ়ি নিম্নোক্ত প্রশ্নসমূহৰ উত্তৰ দিয়ক।

অস্তি কস্মিশ্চিদধিষ্ঠানে শুদ্ধপটো নাম রজকঃ। তস্য চ গর্দভ একো স্তি। সোऽপি ঘাসাভাবাদ্ অতিদুর্বলতাং গতঃ। তেন চ রজকেন অটব্যাং ভ্রমতা মৃতব্যাঘ্রো দৃষ্টঃ চিন্তিতং চ। অহো শোভনম্ আপতিতম্। অনেন ব্যাঘ্রচর্মণা প্রতিচ্ছাদ্য রাসভং রাত্রৌ যবক্ষেত্রেষূৎসৃজামি। তং চ ক্ষেত্রচালা ব্যাঘ্রং মত্বা ন নিষ্কাসয়িষ্যন্তি।

**প্রশ্ন ১ ঃ** রজকস্য নাম কিম্ আসীত্?

**প্রশ্ন ২ ঃ** রজকস্য গৃহে কঃ আসীত্?

**প্রশ্ন ৩ ঃ** কস্মাত্ কারণাত্ গর্দভঃ অতিদুর্বলমাগতঃ?

**প্রশ্ন ৪ ঃ** রজকেন কিং দৃষ্ট?

**প্রশ্ন ৫ ঃ** 'রাসভ' শব্দস্য প্রতিশব্দঃ পাঠতঃ লিখত।

৬) এষ অস্মাকং মহাবিদ্যালয়ঃ। অত্র একঃ ভব্যঃ সমৃদ্ধঃ চ পুস্তকালয়ঃ অস্তি, যত্র বালকাঃ প্রতিদিনং বাচনায় পুস্তকানি সমাচারপত্রাণি চ লভন্তে। মহাবিদ্যালয়ে রমণীয়ম্ একম্ উদ্যানং বিদ্যতে, যত্র ছাত্রাঃ প্রাতঃ সায়ং চ ভ্রমণায় গচ্ছন্তি। অত্র একা বিজ্ঞানপ্রয়োগশালাপি বর্ততে। তত্র প্রয়োগেণ ছাত্রাঃ বিজ্ঞানসিদ্ধান্তান্ অবগচ্ছন্তি।

i) প্রশ্ন — পুস্তকালয়ে বালকাঃ পঠিতুং কিং কিং লভন্তে?
উত্তৰ — পুস্তকালয়েঃ বালকাঃ পঠিতুং পুস্তকানি সমাচারপত্রাণি চ লভন্তে।

ii) প্রশ্ন — পুস্তকালয়ঃ কুত্র অস্তি?
উত্তৰ — পুস্তকালয়ঃ মহাবিদ্যালয়ে অস্তি।

iii) প্রশ্ন — উদ্যানে ছাত্রাঃ কদা কদা গচ্ছন্তি?
উত্তৰ — উদ্যানে ছাত্রাঃ প্রাতঃ সায়ং চ গচ্ছন্তি।

iv) প্রশ্ন — প্রয়োগশালায়াম্ প্রয়োগেন ছাত্রাঃ কিম্ অবগচ্ছন্তি?
উত্তৰ — প্রয়োগশালায়াম্ প্রয়োগেন ছাত্রাঃ বিজ্ঞানসিদ্ধান্তান্ অবগচ্ছন্তি।

v) প্রশ্ন — 'মহাবিদ্যালয়ঃ' 'উদ্যানম্' - ইতি শব্দদ্বয়ং গৃহীত্বা বাক্যনির্মাণং কুরুত।
উত্তৰ — অত্র একঃ মহাবিদ্যালয়ঃ অস্তি। উদ্যানং কুত্র অস্তি?

৭) অস্মিন্ ব্রহ্মাণ্ডে বহূনি গ্রহনক্ষত্রাণি সন্তি। আকাশে দৃশ্যমানেষু মংগল বুধ - গুরু আদিষু গ্রহনক্ষত্রেষু সুর্যো পি একং নক্ষত্রমস্তি। অস্য প্রকাশেনৈব পৃথ্বীচন্দ্রাদয়ঃ প্রকাশন্তে। নক্ষত্রমেতত্ ঊর্জসঃ মহাস্রোতঃ অস্তি। অনেনৈব জগদিদং গতিশীলমস্তি। সূর্যঃ সংসারস্য

प्रकाशकः। अयं न केवलं तम एव नाशयति अपितु कालस्यनियामकत्वात् मासानाम् ऋतूनां च जनकोऽप्यस्ति।

i) प्रश्न — ब्रह्माण्डे कानि सन्ति?
उत्तर — ब्रह्माण्डे बहूनि ग्रहनक्षत्राणि सन्ति।

ii) प्रश्न — कस्य प्रकाशेनैव पृथ्वीचन्द्रादयः प्रकाशन्ते?
उत्तर — सूर्यस्य प्रकाशेनैव पृथ्वीचन्द्रादयः प्रकाशन्ते।

iii) प्रश्न — सूर्यः कस्य महास्रोतः अस्ति?
उत्तर — सूर्यः ऊर्जसः महास्रोतः अस्ति।

iv) प्रश्न — कस्मात् कारणात् सूर्यः मासानां जनकः अस्ति?
उत्तर — कालस्यनियामकत्वात् सूर्यः मासानां जनकः अस्ति।

v) प्रश्न — आकाशे दृश्यमानानां ग्रहत्रयानां नाम लिखत।
उत्तर — मंगल-बुध-गुरु इति ग्रहत्रयम् आकाशे दृश्यमानं भवति।

৮) कृषिप्रधानो यम् अस्माकं भारतदेशः। अत्रत्याः अशीतो प्यधिकं प्रतिशतं जनाः ग्रामेषु वसन्ति। ग्रामवासिनः प्रायेण कृषकाः भवन्ति। ते प्रातः कालादारभ्य सायं यावत् महता परिश्रमेण क्षेत्रेषु कर्म कुर्वन्ति। ग्रामीणाः जनाः परिक्षमशीलाः भवन्ति। ते ग्रीष्मवर्षाशीतादिऋतुषु सर्वदा कठिनं परिश्रमं कुर्वन्ति। स्वक्षेत्राणि हलेन कर्षन्ति, तत्र बीजानि वपन्ति। साम्प्रतिके काले क्षेत्रकर्षणाय ते 'ट्रैक्टर' इत्याख्यस्य यन्त्रस्य प्रयोगं कुर्वन्ति।

i) प्रश्न — भारतदेशः कीदृशः अस्ति?
उत्तर — भारतदेशः कृषिप्रधानः अस्ति।

ii) प्रश्न — महता परिश्रमेण कृषकाः कुत्र कर्म कुर्वन्ति।
उत्तर — महता परिश्रमेण कृषकाः क्षेत्रेषु कर्म कुर्वन्ति।

iii) प्रश्न — कृषकाः केषु केषु ऋतुषु कठिनं परिश्रमं कुर्वन्ति?
उत्तर — कृषकाः ग्रीष्मवर्षाशीतादिऋतुषु कठिनं परिश्रमं कुर्वन्ति।

iv) प्रश्न — कृषकाः किं किं कुर्वन्ति?
उत्तर — कृषकाः स्वक्षेत्राणि हलेन कर्षन्ति, तत्र बीजानि वपन्ति च।

v) प्रश्न — साम्प्रतिके काले कृषिक्षेत्रे कस्य यन्त्रस्य प्रयोगं भवति?
उत्तर — साम्प्रतिके काले कृषिक्षेत्रे 'ट्रैक्टर' इत्याख्यस्य यन्त्रस्य प्रयोगं भवति।

৯) ऋतुराजः वसन्तः। वसन्तसमये प्रमुदिताः सर्वे जनाः समुहं रचयित्वा प्रकृतिशोभां पश्यन्तः भ्रमन्ति। उद्यानेषु, वाटिकासु, नदीतटेषु च क्वचित् गायन्ति लोकाः। अपरत्र नृत्यन्ति कूर्दन्ति च बालकाः। वनेषु, वाटिकासु, उद्यानेषु च नानावर्णानि पुष्पाणि शोभन्ते। वृक्षेषु नवपल्लवाः विराजन्ते। पक्षिणां कलकूजनमपि सर्वेषां सुखदं भवति। न केवलं मानवाः एव अपि तु पशवः पक्षिणः चापि प्रमुदिताः भवन्ति वसन्ते।

i) প্রশ্ন — वसन्तस्य पर्यायवाचकः शब्दः कः?

উত্তৰ — ऋतुराजः वसन्तस्य पर्यायवाचकः शब्दः।

ii) প্রশ্ন — कुत्र कुत्र लोकाः गायन्ति?

উত্তৰ — उद्यानेषु, वाटिकासु, नदीतटेषु च लोकाः गायन्ति।

iii) প্রশ্ন — बालकाः किं कुर्वन्ति?

উত্তৰ — बालकाः नृत्यन्ति कुर्दन्ति च।

iv) প্রশ্ন — कुत्र नवपल्लवाः विराजन्ते?

উত্তৰ — वृक्षेषु नवपल्लवाः विराजन्ते।

v) প্রশ্ন — वसन्ते के के प्रमुदिताः भवन्ति?

উত্তৰ — वसन्ते मानवाः, पशवः, पक्षिणः च प्रमुदिताः भवन्ति।

১০) अस्मिन् संसारे शक्तेः महिमा सर्वत्र दृश्यते। इयं शक्तिः देवेषु, दानवेषु, मानवेषु, पशुषु, पक्षिषु, ग्रहनक्षत्रेषु च सर्वत्र वर्तते। शक्तिं विना न सिद्धयति किमपि कार्यम्। यत्र शक्तिः तत्रैव जीवनम्। इयं शक्तिः बहुविधा वर्तते - शरीरशक्तिः, बुद्धिशक्तिः, धनशक्तिः, जनशक्तिः, सैन्यशक्तिः, राष्ट्रशक्तिश्च। आसु बुद्धिशक्तिरेव श्रेष्ठा। यस्य शारीरिकं बलं स्यात् परं बुद्धिः न स्यात् तस्य तद् बलं व्यर्थम् एव।

i) প্রশ্ন — शक्तिः कुत्र कुत्र वर्तन्ते?

উত্তৰ — शक्तिः देवेषु, दानवेषु, मानवेषु, पशुषु, पक्षिषु, ग्रहनक्षत्रेषु च वर्तते।



ii) প্রশ্ন — काम् विना किमपि कार्यं न सिद्धयति?

উত্তৰ — शक्तिं विना किमपि कार्यं न सिद्धयति?

iii) প্রশ্ন — यत्र शक्तिः तत्रैव किम् अस्ति?

উত্তৰ — यत्र शक्तिः तत्रैव जीवनम् अस्ति।

iv) প্রশ্ন — शक्तिः कतिविधा वर्तते?

উত্তৰ — शक्तिः बहुविधा वर्तते - शरीरशक्तिः, बुद्धिशक्तिः, धनशक्तिः, जनशक्तिः, सैन्यशक्तिः, राष्ट्रशक्तिश्च।

v) প্রশ্ন — उचितं शब्दं चित्वा वाक्यं लिखत।

इमाः शक्तयः/शक्त्यः बहुविधा वर्तन्ते।

উত্তৰ — इमाः शक्तयः बहुविधा वर्तन्ते।

### অগ্রগতি নিৰীক্ষণ

তলৰ অনুচ্ছেদটো পঢ়ি নিম্নোক্ত প্রশ্নসমূহৰ উত্তৰবোৰ দিয়ক।

भारतवर्षे बहुनि दर्शनीयानि तीर्थस्थानानि सन्ति, यानि दृष्ट्वा जीवनं पवित्रं भवति। पुण्यमवाप्तुं मनसः प्रीतिं च संवर्धयितुं तीर्थाटनं सर्वोत्तमं साधनम्। तादृशमेव पावनं रमणीयं च तीर्थस्थानं कन्याकुमारी नाम। इदं तीर्थस्थानं भारतस्य

दक्षिणे कोणे विराजते। देव्याः कन्याकुमार्यायाः सान्निध्येन पवित्रमिदं तीर्थस्थानम्। अरबसागर - हिन्दमहासागराभ्यां परिवृतं स्थानमिदं प्राकृतिकसौन्दर्यपरिपूर्णं वर्तते। तत्र स्थित्वा सुर्योदयस्य सुर्यास्तस्य च दृश्यं द्रष्टुं सुकरं भवति।

**প্ৰশ্ন ৬ ঃ** बहुनि दर्शनीयानि तीर्थानि कुत्र सन्ति?

**প্ৰশ্ন ৭ ঃ** पुण्यम् अवाप्तुं किं सर्वोत्तमं साधनम्?

**প্ৰশ্ন ৮ ঃ** कन्याकुमारी कीदृशं स्थानमस्ति?

**প্ৰশ্ন ৯ ঃ** कन्याकुमारी नामकं तीर्थस्थानं भारतस्य कस्मिन् कोणे वर्तते?

**প্ৰশ্ন ১০ ঃ** कन्याकुमारी काभ्यां सागराभ्यां परिवृतं वर्तते?



## ৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- Comprehensionৰ বিষয়ে থূলমূল আভাস এটি লাভ কৰিলে।
- Comprehensionৰ বাবে প্ৰস্তুত অনুচ্ছেদটো পাঠ কৰি তাৰ উত্তৰসমূহ কৰাৰ কৌশলসমূহৰ বিষয়ে অৱগত হ'ব পাৰিলে।
- কি কি শব্দৰ জৰিয়তে সংস্কৃত ভাষাত প্ৰশ্নৰ অৱতাৰণা হ'ব পাৰে তাৰ বিষয়ে জ্ঞান লাভ কৰিলে।
- উদাহৰণস্বৰূপে দিয়া অনুচ্ছেদসমূহ পঢ়ি উত্তৰ কৰাৰ কৌশলসমূহ আয়ত্ব কৰিলে।



## ৩.৬ অধিক জানিবলৈ

১) কালে, এম, আৰ, *হিতোপদেশ;* বাৰাণসী ঃ চৌখম্বা সংস্কৃত সীৰীজ অফিস।
২) ভট্টাচার্য্য, ড° হৰিচন্দ্ৰ (১৯৯৬); *সংস্কৃত ব্যাকৰণ প্ৰভা;* গুৱাহাটী ঃ বৰুৱা এজেন্সি।
৩) মালবীয়, ড° সুধাকৰ, *পঞ্চতন্ত্ৰম্;* বাৰাণসী ঃ চৌখম্বা সংস্কৃত সীৰীজ অফিস।
৪) শাস্ত্ৰী, খগেন্দ্ৰ নাথ (১৯৮৫); *সংস্কৃত প্ৰৱেশ ব্যাকৰণ,* গুৱাহাটী ঃ গ্ৰন্থ পীঠ।
৫) শাস্ত্ৰী, চক্ৰধৰ নৌটিয়াল (১৯৮৮); *বৃহদ্-অনুবাদ- চন্দ্ৰিকা,* দিল্লী ঃ মোতীলাল বনাৰসীদাস।
৬) শৰ্মা, গিৰীধৰ, (১৯৮৮); *Sanskrit Grammer, Composition & Translation*, গুৱাহাটী ঃ ৰাধা প্ৰকাশন।



## ৩.৭ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** रजकस्य नाम शुद्धपटः आसीत्।
**২নং প্রশ্নৰ উত্তৰ ঃ** रजकस्य गृहे एकः गर्दभः आसीत्।
**৩নং প্রশ্নৰ উত্তৰ ঃ** घासाभावाद् गर्दभः अतिदुर्वलतां गतः।
**৪নং প্রশ্নৰ উত্তৰ ঃ** रजकेन मृतव्यघ्रो दृष्टः।
**৫নং প্রশ্নৰ উত্তৰ ঃ** रासभः इति शब्दस्य प्रतिशब्दः गर्दभः इति।
**৬নং প্রশ্নৰ উত্তৰ ঃ** बहुनि दर्शनीयानि तीर्थानि भारतवर्षे सन्ति।
**৭নং প্রশ্নৰ উত্তৰ ঃ** पुण्यम् अवाप्तुं तीर्थाटनं सर्वोत्तमं साधनम्।
**৮নং প্রশ্নৰ উত্তৰ ঃ** कन्याकुमारी पावनं रमणीयं च स्थानमस्ति।
**৯নং প্রশ্নৰ উত্তৰ ঃ** कन्याकुमारी नामकं तीर्थस्थानं भारतस्य दक्षिणे कोणे वर्तते।
**১০নং প্রশ্নৰ উত্তৰ ঃ** कन्याकुमारी अरबसागर - हिन्दमहासागराभ्यां परिवृत्तं वर्तते।



## ৩.৮ আৰ্হি প্রশ্ন

নিম্নোক্ত অনুচ্ছেদটো পঢ়ি তলৰ প্রশ্নসমূহৰ উত্তৰ লিখক।

एकदा षड्वर्षीयः श्रीकृष्णः वृन्दावने यमुनातटम् अगच्छत्। गोपाः अपि तेन सह अगच्छन्। गोपाः पिपसया आकुलाः भूत्वा यमुनाजलम् अपिवन्। ते मूर्च्छिताः अभवन्। श्रीकृष्णः तान् मुर्च्छितान् दृष्ट्वा व्याकुलः अभवत्। वस्तुतः यमुनाजले कालियनागस्य कुण्डम् आसीत्। तेन यमुनाजलं विषज्वालाभिः विषाक्तं जातम्। अनेके खगाः पशवः च तत् जलं पीत्वा मृत्युं प्राप्ताः। वायुः अपि तेन विषयुक्तः अभवत्। वृक्षाः तेन वायुना शुष्काः जाताः।

**প্রশ্ন ১ ঃ** एकता श्रीकृष्णः कुत्र अगच्छत्?
**প্রশ্ন ২ ঃ** तेन सह के अगच्छन्?
**প্রশ্ন ৩ ঃ** गोपाः किमर्थं मुर्च्छिताः अभवन्?
**প্রশ্ন ৪ ঃ** यमुनाजले कस्य कुण्डम् आसीत्?
**প্রশ্ন ৫ ঃ** विषयुक्तेन वायुना के शुष्काः जाताः?

*** ***** ***

## अध्यायः ४ : संस्कृत - सम्भाषणम् (সংস্কৃত বার্তালাপ)

**अध्याय-विभागः (অধ্যায় গাঁথনি)**


4.1 उद्देश्यम्

4.2 परिचयः

4.3 नामग्रामादि-परिचय :

4.4 सम्भाषणस्य महत्त्वम्

4.5 विद्यार्थिनः दिनचर्या

4.6 अतिथेः स्वागतं सत्कारश्च

4.7 आपणात् वस्तूनाम् आनयनम्

4.8 चिकित्सकात् औषधग्रहणम्

4.9 शिक्षकात् पाठस्य पठनम्

4.10 शयन - जागरणयोः समयः

4.11 गुरोः साहाय्यम्

4.12 विभागे उपस्थितेः चिन्ता

4.13 छात्रावासे निवासार्थम् अनुरोधः

4.14 स्वास्थ्यस्य कृते परिश्रमस्य आवश्यकता

4.15 अस्मात् अध्यायात् अस्माभिः किं ज्ञातम्

4.16 अधिकज्ञानार्थ पंठनीयम्

4.17 अग्रगतिनिरीक्षणार्थम् उत्तरसूचिका

4.18 आर्हि प्रश्नाः


### 4.1 उद्देश्यम्

अस्य अध्यायस्य अध्ययनं कृत्वा भवतां:--

- दैनिक-व्यवहारोपयोगिनां बहूनां संस्कृतशब्दानां ज्ञानं प्राप्तुं शक्नुवन्ति
- लघु-लघु-संस्कृतवाक्यानां रचनायाः अभ्यासं कर्तु पारयन्ति
- कर्तृवाच्येन सह कर्मवाच्यस्य भाववाच्यस्य च क्रियापदानां प्रयोगस्य अभ्यासं कर्तु शक्नुवन्ति
- भिन्न-भिन्नावसरेषु विविधैः जनैः सह सरल-संस्कृतेन वार्तालापं कर्तुप्रभवन्ति
- परस्परं पुनः पुनः सम्भाषणेन संस्कृतभाषायाः शुद्धोच्चारणस्य अभ्यासं कर्तुशक्नुवन्ति
- अन्यविषयेषु संस्कृतेन सम्भाषणं कर्तु सामर्थ्यलब्धुं शक्नुवन्ति।

## 4.2 परिचयः

संस्कृतभाषा अस्माकं देशस्य सर्वप्राचीना भाषा अस्ति। उपयोगदृष्ट्या एशिया-योरोप-महाद्वीपीय-भाषासु अस्या अन्यतमं स्थानमस्ति। इयं भाषा सर्वासां भारतीयभाषाणां जननी इत्युच्यते। अस्याः साहित्यं सुविशालं विद्यते। अस्यामेव भाषायाम् अस्माकं चत्वारो वेदाः, उपवेदाः, अष्टादशपुराणानि, उपपुराणानि, वेदाङ्गानि, धर्मशास्त्राणि, दर्शनशास्त्राणि, रामायणम्, महाभारतम्, उपनिषदः, ब्राह्मणग्रन्थाः, आरण्यकानि, स्मृतयः अर्थशास्त्रम्, कामशास्त्रादीनि बहुमूल्यानि प्राचीनशास्त्राणि लिखितानि सन्ति। संस्कृतभाषायाः ज्ञानेनैव उक्तशास्त्राणाम् अध्ययनं सम्यक्तया तेषामर्थबोधश्च सम्भवति।

भाषाज्ञानं तद्भाषासाहित्यस्य अध्ययनञ्चेति भाषाध्ययनस्य उद्देश्यद्वयं प्रमुखं भवति। संस्कृत- भाषाज्ञानाय शब्दरूपाणां धातुरूपाणां कारकविभक्तीनां च ज्ञानमावश्यकं भवति। भवन्तः पूर्ववर्तिषु अध्यायेषु तेषां विषये पठितवन्तः सन्ति। संस्कृते अनुवादमपि कर्तुं ज्ञातवन्तः सन्ति। तथापि भाषाज्ञानाय भाषणमनिवार्यं भवति। यतोहि भाषा भाषणादेव आयाति। यो हि निरन्तरं भाषते सोऽवश्यं शास्त्राणि अनधीत्यापि स्वल्पकाल एव संस्कृतसम्भाषणे समर्थो भवति। सम्भाषणेन अयमेव महान् लाभः संजायते।

सम्भाषणस्य एतन्महत्त्वं विज्ञायैव अस्मिन् अध्याये केषाञ्चित् सम्भाषणानां संकलनं प्रस्तुतमस्ति। इमानि सम्भाषणानि दैनिकव्यवहाराय सर्वथा उपयोगीनि सन्ति। भवन्तः सर्वदैनिकजीवने एतेषाम् अभ्यासं कर्तुं शक्नुवन्ति। एतेषाम् अभ्यासेन भवताम् अनेके लाभाः भविष्यन्ति। प्रथमतया संस्कृतभाषणे यः संकोचः भवति सः अपगमिष्यति। भयं नंश्यति। दैनिकव्यवहारोपयोगिनां बहूनां शब्दानां ज्ञानं भविष्यति। आत्मविश्वासः वर्द्धिष्यते। संस्कृते वाक्यरचनायाः अभ्यासः भविष्यति। संस्कृतसम्भाषणे अभिरुचिः च समुदेष्यति।

## 4.3 नामग्रामादि - परिचयः (নামগাঁও আদিৰ পৰিচয়)

प्रश्न : ते/तव /भवतः नाम किम्?
তোমাৰ/আপোনাৰ নাম কি? (পুংলিংগ)
उत्तरम् : मम नाम प्रकाश शर्मा अस्ति।
মোৰ নাম প্ৰকাশ শৰ্মা।
प्रश्न : ते/तव /भवत्याः नाम किम्?
তোমাৰ/আপোনাৰ নাম কি? (স্ত্ৰীলিংগ)
उत्तरम् : मम नाम गीता देवी।
মোৰ নাম গীতা দেৱী
उत्तरम् : मम पितुः नाम श्री देवव्रत शर्मा।
মোৰ পিতাৰ নাম শ্ৰী দেৱব্ৰত শৰ্মা।

প্রশ্ন : তে/তব/ভবতঃ /ভবত্যাঃ পিতা কিং করোতি? পিতুস্তে কা বা বৃত্তিঃ?
তোমাৰ/আপোনাৰ (পুং)/আপোনাৰ (স্ত্রীঃ) পিতাই কি কৰে?

উত্তরম্ : মম পিতা কৃষিকার্য করোতি।
মোৰ পিতাই/দেউতাই কৃষিকর্ম/খেতি কৰে।

প্রশ্ন : তে/তব/ভবতঃ/ভবত্যাঃ দেশঃ কঃ ?
তোমাৰ/আপোনাৰ দেশৰ নাম কি?

উত্তরম্: মম দেশঃ ভারতবর্ষম্ অস্তি।
মোৰ দেশৰ নাম ভাৰতবর্ষ।

প্রশ্ন : তে/তব/ভবতঃ/ভবত্যাঃ প্রদেশঃ কঃ ?
তোমাৰ/আপোনাৰ ৰাজ্যৰ নাম কি?

উত্তরম্ : মম প্রেদশঃ অসম-প্রদেশঃ অস্তি।
মোৰ ৰাজ্যৰ নাম হ'ল অসম।

প্রশ্ন : তে/তব/ভবতঃ/ভবত্যাঃ মণ্ডলং কিম্?
তোমাৰ/আপোনাৰ জিলাৰ নাম কি?

উত্তরম্ : মম মণ্ডলম্ কামরূপমণ্ডলম্ অস্তি।
মোৰ জিলাৰ নাম কামৰূপ জিলা।

প্রশ্ন : তে/তব/ভবতঃ/ভবত্যাঃ গ্রামঃ কঃ ?
তোমাৰ/আপোনাৰ গাঁওখনৰ নাম কি?

উত্তরম্ : মম গ্রামঃ পদুমবরী অস্তি।
মোৰ গাঁওৰ নাম হ'ল পদুমবৰী।

প্রশ্ন : তে/তবঃ/ভবতঃ/ভবত্যাঃ পত্রালয়ঃ কঃ ?
তোমাৰ/আপোনাৰ ডাকঘৰ কি?

উত্তরম্ : মম পত্রালয়ঃ গৌহাটী বিশ্ববিদ্যালয়ঃ অস্মি।
মোৰ ডাকঘৰ হ'ল গৌহাটী বিশ্ববিদ্যালয়।

প্রশ্ন : ত্বম্ /ভবান্ কিং কার্য করোষি /করোতি?
তুমি/আপুনি কি কাম কৰা/কৰে?

উত্তরম্ : অহং কৃষ্ণকান্ত সন্দিকৈ রাজ্যিক মুক্ত বিশ্ববিদ্যালস্য ছাত্রঃ অস্তি।
মই কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ছাত্র।

প্রশ্ন : ত্বম্ /ভবান্ /ভবতী কস্যাং কক্ষায়াং/পঠসি পঠতি?
তুমি/আপুনি কোন শ্রেণীত পঢ়া/পঢ়ে?

উত্তরম্ : অহং স্নাতক প্রথমবর্ষে পঠামি।
মই স্নাতক প্রথম বর্ষত পঢ়ো।

**ज्ञातव्यम्**

स्त्रीलिंगे भवान्, भवतः इत्यनयोः स्थाने भवती, भवत्याः इति पदयोः प्रयोगः करणीयः। लघूनां बालकानां, बालिकानाम् अथवा छात्राणां, छात्रीणां कृते 'भवान्, भवतः' इति पदद्वयस्य स्थाने 'त्वं, तव' इति पदयोः, अपि च 'करोति पठति' इत्यादि क्रियापदानां स्थाने 'करोषि, पठसि' इत्यादि क्रियापदानां व्यवहारः कर्तव्यः।

**জানি থোৱা ভাল**

স্ত্রী লিংগত 'ভৱান্, ভবতঃ এই পদ দুটাৰ সলনি 'ভবতী, ভবত্যাঃ' এই দুটা পদৰ ব্যৱহাৰ কৰিব লাগে। নিজতকৈ সৰু নাইবা ভাতৃ-ভগ্নীৰ ক্ষেত্রত 'ভবান্, ভবতঃ' এই পদ দুটাৰ সলনি 'ত্বং, তব' আৰু 'কৰোতি, পঠতি' আদি ক্রিয়া পদৰ সলনি 'কৰোষি', পঠসি' আদি ক্রিয়া পদৰ প্রয়োগ কৰিব লাগে।

## 4.4 सम्भाषणस्य महत्त्वम् (সম্ভাষণৰ মহত্ব)



प्रथम : मित्रवर, अत्र आगच्छ। क्षणं वार्तालापं कुर्वः। चिरात् मिलितो सि।
বন্ধু। ইয়ালৈ আঁহা। অলপ সময় কথা পাতো। বহুদিনৰ মূৰত তোমাক লগ পাইছো।

द्वितीय : आगच्छामि। परं त्वं तु संस्कृते एव सदा वदसि,
এয়া আহিলো। কিন্তু তুমিতো সদায় সংস্কৃততে কথা কোৱা।

प्रथम : तेन का हानिः अस्ति?
তেনেহ'লে কি অসুবিধা?

द्वितीय : हानिः नास्ति। परं संस्कृते वक्तुं मम अभ्यासः नास्ति।
অসুবিধা একো নাই। কিন্তু সংস্কৃততহে কথা কোৱাৰ অভ্যাস মোৰ নাই।

प्रथम : कथम्? त्वं तु स्नातकतृतीयवर्षे पठसि?
কিয়? তুমিতো স্নাতক তৃতীয় বর্ষত পঢ়া।

द्वितीय : अवश्यं पठामि। उत्तीर्णश्च भवामि। परं संस्कृते वक्तुं मम योग्यता नास्ति। यदि अधिकं वदामि, तदा तु अनेकाः अशुद्धयः जायन्ते।
হয়, নিশ্চয় পঢ়ো। পৰীক্ষাত উত্তীর্ণও হৈছো। কিন্তু সংস্কৃতত কথা কোৱাৰ যোগ্যতা মোৰ নাই। যদি অধিক সময় কথা কওঁ, তেতিয়া কিন্তু অনেক ভুল হয়।

प्रथम : किं तव महाविद्यालये जनाः संस्कृते न वदन्ति।
তোমাৰ মহাবিদ্যালয়ত শিক্ষক আৰু ছাত্র-ছাত্রীসকলে সংস্কৃতত কথা নাপাতে নেকি?

***अशिक्षयिष्यत्***, अशोधयिष्यन्, अवदिष्यन्, अभविष्यत्, अवर्द्धिष्यत चेति क्रियापदानि लृङ् लकारस्य सन्ति।

দ্বিতীয় : ন বদন্তি। কেঽপি ন বদন্তি। সর্বে মাতৃভাষায়াং বদন্তি আঙ্গ্লভাষায়াং বা।
নাপাতে। কোনেও সংস্কৃতত কথা নকয়। সকলোৱে মাতৃভাষা বা ইংৰাজীতেই কথা পাতে।

প্রথম : কিম্ বিভাগস্য অধ্যাপকাঃ অপি সংস্কৃতে ন বদন্তি?
বিভাগৰ অধ্যাপক/অধ্যাপিকাসকলেও সংস্কৃতত কথা নকয় নেকি?

দ্বিতীয় : ন বদন্তি, ন চ ছাত্রান্ বক্তুং শিক্ষয়ন্তি।
নকয়, ছাত্র-ছাত্রীসকলকো ক'বলৈ নিশিকায়।

প্রথম : কিং ছাত্রাঃ অপি ন বদন্তি?
ছাত্র-ছাত্রীসকলেও নকয় নেকি?

দ্বিতীয় : যদি অধ্যাপকাঃ এব ন বদন্তি তদা ছাত্রাণাং কা কথা? যদা মূলং নাস্তি তদা কুতঃ শাখাঃ ভবিষ্যন্তি।
যদি অধ্যাপক-অধ্যাপিকা সকলেই নকয় তেনেহ'লে ছাত্র-ছাত্রীসকলৰ কথানো আৰু কি কম? যদি শিপাডালেই নাথাকে তেনেহ'লে শাখা-প্রশাখা বাৰু থাকিব নে?

*अशिक्षयिष्यन्*,
अशोधयिष्यन्, अवदिष्यन्,
अभविष्यत्, अवर्द्धिष्यत
चेति क्रियापदानि लृङ्
लकारस्य सन्ति।

প্রথম : যথার্থ বদসি। যদি অধ্যাপকাঃ আরম্ভত এব অনুবাদম্ *अशिक्षयिष्यन्*, অশুদ্ধীঃ *अशोधयिष्यन्* তথা ছাত্রৈঃ সহ সংস্কৃতে *अवदिष्यन्* তদা অবশ্যং ছাত্রাণাং সংস্কৃতভাষণে রুচিঃ *अभविष्यत्*, উৎসাহশ্চ *अवर्द्धिष्यत*।
ঠিকেই কৈছা। যদি অধ্যাপক-অধ্যাপিকাসকলে আৰম্ভণিৰে পৰা অনুবাদ কৰিবলৈ শিকালেহেঁতেন, ভুলবোৰ শুধৰাই দিলেহেঁতেন আৰু ছাত্র-ছাত্রীসকলৰ সৈতে সংস্কৃতত কথা পাতিলেহেঁতেন তেতিয়া নিশ্চয় ছাত্র-ছাত্রীসকলৰ সংস্কৃত ভাষাত কথা কোৱাত ইচ্ছা আৰু উৎসাহ বাঢ়িলেহেঁতেন।

দ্বিতীয় : অন্যচ্চ, ছাত্রেষু অপি উৎসাহো নাস্তি।
আনহাতে, ছাত্র-ছাত্রীৰ মাজতো উৎসাহ নাইকিয়া হৈছে।

প্রথম : তস্য কিং বা কারণম্?
তাৰ কাৰণ নো কি?

দ্বিতীয় : এতদেব, যত্ ন তান্ কো পি বক্তুং শিক্ষয়তি ন বা প্রেরয়তি ন চ প্রোৎসাহয়তি।
এইটোৱেই যে, তেওঁলোকক কোনোৱে ক'বলৈ নিশিকাই, প্রেৰণা অথবা উৎসাহও প্রদান নকৰে।

প্রথম : আশ্চর্যম্! মহাবিদ্যালয়েষু ঈদৃশী স্থিতিঃ অস্তি?
আচৰিত! মহাবিদ্যালয়সমূহৰ এই অৱস্থা নেকি?

দ্বিতীয় : অন্যচ্চ, যদি কশ্চন বক্তুং সাহসং করোতি তদা অন্যে ছাত্রাঃ তম্ উপহসন্তি - পণ্ডিতো জাতঃ ইতি। অথ যদি কাচিত্ অশুদ্ধির্ভবতি তদা র্তু তস্য দুর্দশৈব জায়তে। সর্বে তং নিন্দন্তি।

আনহাতে, যদি কোনোজনে ক'বলৈ সাহস কৰে তেতিয়া অন্য ছাত্র-ছাত্রীসকলে তেওঁক পণ্ডিত বুলি কৈ উপহাস কৰে। আকৌ যদি কথা কোৱাত কেতিয়াবা ভুল হয় তেতিয়াতো তেওঁৰ অৱস্থা অতি শোচনীয় হয়। সকলোৱে তেওঁক নিন্দা কৰে।

প্রথম : धिक् धिक्। महतः कष्टस्यायं विषयः।
ধিক্ ধিক্। এইটো অতি পৰিতাপৰ বিষয়।

দ্বিতীয় : मित्र। तव ईदृशी योग्यता कथं जाता? कमपि मन्त्रं जानासि किम्?
বন্ধু। তোমাৰ কেনেকৈ এই যোগ্যতা হ'ল? কোনো মন্ত্র জানা নেকি?

প্রথম : सखे। अत्र मन्त्रः कारणं नास्ति। मम गुरवः सदा माम् अनुवादं शिक्षयन्ति स्म, मया सह सदा संस्कृते एव वदन्ति स्म। तेन कारणेन मम ईदृशी योग्यता जाता।
বন্ধু। ইয়াত মন্ত্রৰ কথা নাহে। মোৰ শিক্ষাগুৰুসকলে সদায় মোক অনুবাদ কৰিবলৈ শিকাইছিল আৰু মোৰ সৈতে সদায় সংস্কৃততেই বার্তালাপ কৰিছিল। সেই কাৰণেই মোৰ এই যোগ্যতাপ্রাপ্ত হ'ল।

দ্বিতীয় : किं ते सदा संस्कृते एव वदन्ति स्म?
তেওঁলোকে সদায় সংস্কৃততেই কথা পাতিছিলনেকি?

প্রথম : आम्, पठने, पाठने, वार्तालापे, प्रश्ने, उत्तरे, आज्ञाप्रदाने च सदैव ते संस्कृते वदन्ति स्म। विद्यालये पि बहिरपि।
হয়, পঢ়োতে, পঢ়াওতে, বার্তালাপ কৰোঁতে, প্রশ্নশোধোতে, উত্তৰ দিওঁতে, আদেশ প্রদান কৰোঁতে সদায় সংস্কৃততে কথা কৈছিল। বিদ্যালয়তো কৈছিল আৰু বাহিৰতো।

দ্বিতীয় : अथ च यदि काचित् अशुद्धिः भवति स्म?
যদি কেতিয়াবা কিবা ভুল হৈছিল?

প্রথম : तदा मां बोधयन्ति स्म, वत्स।, एवं वक्तव्यम् इति।
তেতিয়া মোক বুজাইছিল হে, পুত্র এনে ধৰণে ক'বা।

দ্বিতীয় : तस्य कारणमपि बोधयन्ति स्म?
তাৰ কাৰণও বুজাইছিল নেকি?

প্রথम : आम्, सम्यक् प्रकारेण बोधयन्ति स्म।
হয়, ভালদৰে বুজাইছিল।

দ্বিতীয় : किं ते कोपं न कुर्वन्ति स्म?
তেওঁলোকে কি খং কৰা নাছিল?

প্রথম : कोपस्य का वार्ता? ते तु प्रसन्नाः भवन्ति स्म।
খং কৰাৰ কথাই নুঠে, তেওঁলোকে ভালহে পাইছিল।

***श्रावयिष्यामि :*** श्रु-णिच्-लृट्लकारे उत्तमपुरुषे एकवचने रुपम्।

দ্বিতীয় : তদা তেষাং বিদ্যার্থিনঃ ভবন্তশ্চ বহুভাগ্যবন্তঃ আসন্। সম্প্রতি অহমপি স্বমহাবিদ্যালয়ে এতদর্থ প্রযত্নং করিষ্যামি।

তেনেহ'লে, তেখেতসকলৰ সকলো বিদ্যার্থী আৰু আপুনি অতি ভাগ্যৱান। এতিয়া মইয়ো মোৰ নিজৰ মহাবিদ্যালয়ত ইয়াৰ বাবে প্রচেষ্টা হাতত ল'ম।

প্রথম : অবশ্যং প্রযত্নং কুরু। ভাষণেনৈব ভাষণশক্তিঃ বর্দ্ধতে। অল্পকালেন ত্বং সুযোগ্যঃ বক্তা ভবিষ্যসি। অস্তু পুনর্মেলিষ্যাবঃ। ইদানীং গচ্ছামস্তাবৎ।

নিশ্চয় প্রচেষ্টা কৰা। সম্ভাষণৰ দ্বাৰাই বাচন শক্তি বাঢ়ে। এইভাৱে তুমি অতি কম সময়ৰ ভিতৰতেই সুবক্তা হ'ব পাৰিবা। ঠিক্ আছে আকৌ লগ পাম। এতিয়া যাওঁ।

দ্বিতীয় : অনুগৃহীতী স্মি। নমস্কারাঃ। পুনঃ দর্শনং দেয়ম্।

মই কৃতজ্ঞ হ'লো। নমস্কাৰ। আকৌ লগ পাম।

## 4.5 विद्यार्थिनः दिनचर्या (বিদ্যার্থীৰ দৈনিক কাম-কাজ/দিনপঞ্জী)

শিক্ষক : কুমার!

কুমাৰ!

কুমার : एष आगच्छामि। आदिश्यताम्, किं कार्य वर्तते?

এয়া আহিলো (মহাশয়)। আদেশ কৰক, কি কাম আছে।

শিক্ষক : कार्य किमपि नास्ति। अद्य तव दिनचर्यां ज्ञातुमिच्छामि यत् त्वं कदा किं कार्य करोषि इति।

মই তোমাৰ দৈনন্দিন কাম-কাজ যেনে তুমি কেতিয়া কি কাম কৰা ইত্যাদি জানিব খুজিছোঁ।

কুমার : महाशय। मम दिनचर्या तु नियमिता नास्ति तथापि भवताम् आज्ञया श्रावयिष्यामि।

মহাশয়। মোৰ দৈনন্দিন কাম-কাজ সদায় একে নহয়। তথাপি আপোনাৰ আজ্ঞানুসাৰে কওঁ।

শিক্ষক : अवश्यं श्रावय। यदि को पि दोषो भविष्यति, तर्हि अहं कथयिष्यामि।

নিশ্চয় কোৱা। যদি কিবা ভুল হয় তেন্তে মই কৈ দিম।

কুমার : महती कृपा। तदा तु उचितं वा अनुचितं वा सर्व निवेदयिष्यामि।

আপোনাৰ অশেষ কৃপা। তেনেহ'লে উচিত বা অনুচিত সকলোখিনিয়েই মই কম।

শিক্ষক : आम्, सर्वनिवेदय, तदैव तत्र संशोधनं भविष्यति।

ঠিক আছে। সকলো কথা কোৱা, তেতিয়াহে সংশোধন হ'ব।

***भाग्यवन्त*** (भाग्य+मतुम्) पुल्लिङ्गे प्रथमाविभक्तौ बहुवचने रूपम्।

কুমার : তর্হি পৃচ্ছন্তু ভবন্তঃ। তদনুসারেণ অহম্ উত্তরং দাস্যামি।
তেতিয়া হ'লে আপুনি সোধক। সেই অনুসাৰে মই উত্তৰ দিম।

শিক্ষক : অস্তু। কথয, প্রাতঃ কালে কদা উত্তিষ্ঠসি?
হয়। কোৱাচোন, ৰাতিপুৱা কেতিয়া উঠা?

কুমার : অহং প্রাতঃ কালে চতুর্বাদনে উত্তিষ্ঠামি।
মই ৰাতিপুৱা চাৰি বজাত উঠোঁ।

শিক্ষক : স্বয়ং জাগর্ষি অথবা কশ্চন জাগরয়তি?
নিজেই উঠা নে কোনোবাই জগাই দিয়ে?

কুমার : কদাচিত্ স্বয়মেব জাগর্মি, কদাচিত্ চ পিতৃচরণাঃ জাগরয়ন্তি।
কেতিয়াবা নিজেই উঠোঁ, আকৌ কেতিয়াবা পিতাই জগাই দিয়ে।

শিক্ষক : সদৈব চতুর্বাদনে এব জাগর্ষি?
সদায় চাৰি বজাতে উঠানে?

কুমার : নৈব, কদাচিত্ পঞ্চবাদনমপি জায়তে।
নহয়, কেতিয়াবা পাঁচটা বজাতো উঠোঁ।

শিক্ষক : ভবতু। তেন ন কা পি হানিঃ। ততঃ পরং কিং করোষি?
ঠিক্ আছে। এইটো একো দোষণীয় কথা নহয়। তাৰ পাছত কি কৰা?

কুমার : ততঃ মুখং প্রক্ষাল্য কিঞ্চিত্ পঠামি। তদনন্তরং নিত্যক্রিয়াং বিধায় জলপানং করোমি।
তাৰ পাছত মুখ ধুই অলপ পঢ়োঁ। তাৰ পাছত নিত্য কর্ম শেষ কৰি জলপান/পুৱাৰ আহাৰ খাওঁ।

শিক্ষক : অথ জলপানং কেন বস্তুনা করোষি?
তুমি জলপান/পুৱাৰ আহাৰ কিহেৰে খোৱা?

কুমার : কো পি নিয়মঃ নাস্তি। চায়ং, দুগ্ধং মিষ্টান্নং বা যদেব সুলভং ভবতি তেনৈব জলপানং করোমি।
কোনো ধৰাবন্ধা নিয়ম নাই। চাহ, গাখীৰ, বা মিঠাই যিটোৰেই সহজতে পাওঁ তাৰেই পুৱাৰ আহাৰ কৰোঁ।

শিক্ষক : শোভনং করোষি। ভোজনে জলপানে বা বস্তুবিশেষে আগ্রহো ন কর্তব্যঃ।
ভাল কৰা। ভোজনত কোনো নির্দিষ্ট বস্তুৰ প্রতি আসক্তি থকা উচিত নহয়।

কুমার : ততঃ পরং পাককার্যে সংলগ্নো ভবামি।
তাৰ পাছত ৰন্ধা কাম কৰোঁ।

শিক্ষক : স্বয়মেব পাকং করোষি?
নিজেই ৰান্ধা নেকি?

কুমার : আম্, স্বয়মেব করোমি।
হয়, নিজেই ৰান্ধোঁ।

শিক্ষক : কিং কিং পচসি?
কি কি ৰান্ধা?

কুমার : ওদনং, রোটিকাং, শাকং দ্বিদলং(সুপং) তথা চ কদাচিত্ কৃশরান্নং পচামি।
ভাত, ৰুটি, শাক-পাচলি, দালি (চুপ) আকৌ কেতিয়াবা খিচিৰি ৰান্ধোঁ।

শিক্ষক : এতত্ তু সর্বেষাং সামান্যং দৈনিকং ভোজনম্।
এইটো তো সকলোৰে দৈনিক সাধাৰণ ভোজন।

কুমার : আম্ শ্রীমন্। ততঃ পরং ভুক্ত্বা, বস্ত্রং পরিধায় পুস্তকানি চ গৃহীত্বা মহাবিদ্যালযং গচ্ছামি।
হয় মহাশয়। তাৰ পাছত ভাত খাই, কাপোৰ-কানি পিন্ধি কিতাপ-বহী লৈ মহাবিদ্যালয়লৈ যাওঁ।

শিক্ষক : বিদ্যালযং পদাতিরেব গচ্ছসি যানেন বা?
বিদ্যালয়লৈ খোজকাঢ়ি যোৱানে বাছেৰে/গাড়ীৰে যোৱা?

কুমার : নিশ্চিতং নাস্তি, প্রাযঃ দ্বিচক্রিকযা গচ্ছামি, তদভাবে বসযানেন, তস্যাপি অভাবে পাদাভ্যাং গচ্ছামি।
কোনো ঠিক নাই প্রায় সদায়েই চাইকেলেৰে যাওঁ, অসুবিধা হ'লে বাছেৰে যাওঁ, বাহ নাথাকিলে খোজকাঢ়ি যাওঁ।

শিক্ষক : তদনন্তরং কদা গৃহং নিবর্তসে?
তাৰ পাছত ঘৰলৈ কেতিয়া আহা?

কুমার : চতুর্বাদনানন্তরং গৃহং নিবর্তে। ততঃ জলপানং বিশ্রামঃ, ভ্রমণং, ক্রীডাদিকং জাযতে।
চাৰি বজাৰ পাছত ঘৰলৈ যাওঁ। তাৰ পাছত জলপান কৰো। জলপান কৰি বিশ্রাম কৰো আৰু তাৰ পিছত খেলিবলৈ যাওঁ।

শিক্ষক : ইদং সর্বং সাযংকালিকং কৃত্যং বর্ততে। তত্পশ্চাত্?
এই সকলোবোৰ দিনৰ ভাগত কৰা কাম। তাৰ পাছত?

কুমার : তত্পশ্চাত্ পুনরপি পঠনং লেখনং চ প্রারভে।
তাৰ পাছত পুনৰ পঢ়া আৰু লেখা কাম আৰম্ভ কৰো।

শিক্ষক : কিযত্কালং পঠসি? কদা চ ভোজনং করোষি?
কিমান সময় পঢ়া? আহাৰ কেতিয়া খোৱা?

কুমার : নববাদনং যাবত্ পঠামি। ততঃ পাকং কৃত্বা ভোজনং করোমি। অনন্তরং কিঞ্চিত্ কালং যাবত্ দূরদর্শনং পশ্যামি। ততঃ কপাটং বিধায দীপং নির্বাপযামি। ততশ্চ একাদশবাদনে শযিতুং গচ্ছামি।
ন বজালৈকে পঢ়োঁ। তাৰ পাছত ভাত ৰান্ধি খাওঁ। খোৱাৰ পাছত অলপ সময় দূৰদর্শন চাওঁ। তাৰ পিছত দর্জা বন্ধ কৰি চাকি নুমাই এঘাৰ বজাত শুবলৈ যাওঁ।

शिक्षक : एषा एव ते दिनचर्या?

এয়াই তোমাৰ দৈনিক কাম-কাজ নেকি?

कुमार : आम्, एषा एव मे दिनचर्या अस्ति। इतः परं यदा कदा वस्तूनि क्रेतुम् आपणमपि गच्छामि। यदा कदा गृहसदस्यैः सह विवाहादिषु उत्सवेषु अपि गच्छामि, कदाचित् च भाषणानि श्रोतुं सभादिषु गच्छामि।

হয়, এয়া মোৰ দৈনিক কাম-কাজ। ইয়াৰ উপৰিও কেতিয়াবা বস্তু কিনিবলৈ দোকানলৈ যাওঁ। কেতিয়াবা পৰিয়ালৰ আন সদস্যৰ লগত বিবাহ আদি উৎসৱলৈ যাওঁ, কেতিয়াবা বক্তৃতা শুনিবলৈ সভা ঘৰলৈও যাওঁ।

शिक्षक : अथ पुस्तकालयं वाचनालयं वा न गच्छसि?

পুথিভঁড়াল বা অধ্যয়ন কক্ষলৈ নোযোৱা নেকি?

कुमार : एतद् द्वयं तु मम महाविद्यालये एव अस्ति। तत्रैव पुस्तकानि संवादपत्राणि च पठामि। यदा कदा बहिरपि गच्छामि।

এই দুটাটো মোৰ মহাবিদ্যালয়তেই আছে। তাতেই কিতাপ বা বাতৰি কাকত পঢ়ো। কেতিয়াবা কেতিয়াবা বাহিৰলৈকো যাওঁ।

शिक्षक : तर्हि शोभना ते दिनचर्या। एवमेव नियमितां दिनचर्याम् आचरन् त्वम् अवश्यं सफलो भविष्यसि। गच्छ तावत्, स्वकीयं कार्यं कुरु।

তেতিয়া হ'লে তোমাৰ দিনপঞ্জী অতি সুন্দৰ। এই দিনপঞ্জী অনুসৰণ কৰি তুমি অৱশ্যেই কৃতকার্য হ'বা। যোৱা এতিয়া নিজৰ কাম কৰা।

कुमार : अभिवादये श्रीचरणेषु।

আপোনাৰ শ্রীচৰণত অভিবাদন জনাইছোঁ।

## 4.6 अतिथेः स्वागतं सत्कारश्च (অতিথি আপ্যায়ন আৰু পৰিচর্যা)

गृहस्थ : आगच्छन्तु, आगच्छन्तु। नमस्करोमि।

আহক, আহক। নমস্কাৰ।

अतिथि : नमस्काराः, नमस्काराः।

নমস্কাৰ, নমস্কাৰ।

गृहस्थ : कुतः शुभागमनं भवताम्?

আপুনি ক'ৰ পৰা আহিলে?

अतिथि : अहं तेजपुरात् आगतो स्मि।

মই তেজপুৰৰ পৰা আহিছো।

गृहस्थ : श्रीमतां शुभनाम ज्ञातुं शक्नोमि?

আপোনাৰ ভাল নামটো জানিব পাৰোনে?

अतिथि : अवश्यम्। मां जनाः प्रियव्रत गोस्वामी इति कथयन्ति।
নিশ্চয়। মোক প্রিয়ব্রত গোস্বামী বুলি সকলোৱে জানে।

गृहस्थ : एवम्। नाम तु श्रीमतां मया श्रुतमासीत् परं दर्शनमेव न कृतवान् आसम्। अद्य दर्शनमपि जातम्।
হয়। মই আপোনাৰ নাম শুনি আছিলো। কিন্তু দেখাহে হোৱা নাছিল। আজি দেখাও হ'ল।

अतिथि : ममापि बहोः कालात् अत्र आगन्तुम् उत्कण्ठा आसीत्।
মোৰও বহুদিনৰ পৰাই ইয়ালৈ অহাৰ ইচ্ছা আছিল।

गृहस्थ : महान् अनुग्रहः कृतः। आयान्तु, उपविशन्तु, आसनम् अलङ्कुर्वन्तु।
মই কৃতার্থ হ'লো। আহক, বহক, আসন গ্রহণ কৰক।

अतिथि : धन्यवादाः।
ধন্যবাদ।

गृहस्थ : महोदय! भवतां जलपानाय किम् आनयामि?
মহোদয়! আপোনাৰ জলপানৰ বাবে কি আনিম?

अतिथि : यत् सुलभं भवेत्।
যিটো সহজতে পোৱা যায়।

गृहस्थ : चायं गृह्णन्ति भवन्तः?
আপুনি চাহ খায়নে?

अतिथि : गृह्णामि परन्तु इदानीम् इच्छा नास्ति।
খাওঁ, কিন্তু এতিয়া ইচ্ছা নাই।

गृहस्थ : मिष्टान्नं तु किञ्चित् ग्रहीतुं शक्यते?
অলপমান মিঠাই তো খাব পাৰিব?

अतिथि : आम् शक्यते।
হয়, পাৰিম।

गृहस्थ : किञ्चित् लावणिकमपि?
অলপ নিমখীয়া?

अतिथि : यथा भवतः इच्छा।
আপোনাৰ যি ইচ্ছা।

गृहस्थ : भवतु नाम। तत्कालं प्रबन्धं विदधामि। अथ भवते विशेषरूपेण किं भोजनं रोचते?
ঠিক আছে। সোনকালেই যোগাৰ কৰি আছো। আপুনি বিশেষভাবে কি খাই ভাল পায়।

अतिथि : को पि आग्रहः नास्ति। ओदनं रोटिका वा सर्व रोचते। परन्तु प्रायेण वयं दिने ओदनं रात्रौ च रोटिकां खादामः।

কোনো এটাতেই বিশেষ আগ্রহ নাই। ভাত বা ৰুটি সকলো ভাল লাগে। কিন্তু প্রায়ে আমি দিনৰ ভাগত ভাত আৰু ৰাতি ৰুটি খাওঁ।

গৃহস্থ : अस्माकमपि तथैव अभ्यासः अस्ति।
আমাৰো সেইটোৱেই অভ্যাস।

अतिथि : तर्हि सुतरां प्रियं नः। मदर्थे पृथक् कष्टं कर्तव्यं न भविष्यति।
তেতিয়া হ'লেতো ভালেই হ'ব। মোৰ কাৰণে বেলেগে কষ্ট কৰিব লগা নহ'ব।

गृहस्थः : आः, किमिदं कथयति भवान्। कष्टं किं भविष्यति। सौभाग्येनैव भवादृशां सेवाया अवसरो लभ्यते। अयं सुदिवसो मे अद्य।
এহ্ আপুনিনো কি কয়। কিনো কষ্ট হ'ব, সৌভাগ্যক্রমেহে আপোনাৰ নিচিনা এজনক সেৱা কৰিবলৈ পাইছো। আজিতো মোৰ কাৰণে শুভদিন।

अतिथि : इदं तु भवतां सौहार्दं वर्तते।
এইটো আপোনাৰ সৌহার্দৰ পৰিচয়।

ৰামায়ণৰ বালকাণ্ডৰ প্ৰথম সৰ্গৰ আৰম্ভণিতেই মহৰ্ষি বাল্মীকিয়ে এই পৃথিৱীৰ অসাধাৰণ গুণসমন্বিত লোক এজনৰ বিষয়ে মুনিশ্ৰেষ্ঠ নাৰদৰপৰা জানিব বিচাৰিছে। এই প্ৰশ্নৰ সমিধানৰূপে নাৰদে কৈছে যে ইক্ষ্বাকুবংশত জন্ম গ্ৰহণ কৰা আৰু সকলোৰে মাজত ৰাম নামেৰে পৰিচিত লোকজনেই হৈছে সৰ্বগুণেৰে বিভূষিত। তেওঁ সংযতাত্মা, বীৰ্য্যবান, ধৈৰ্য্যশীল, জিতেন্দ্ৰিয়, নীতিপৰায়ণ, বাগ্মী আৰু শত্ৰুবিনাশক। তেওঁৰ শাৰীৰিক বৰণ স্নিগ্ধ। অঙ্গসমূহ সুশ্ৰী আৰু সুলক্ষণসম্পন্ন। তেওঁৰ শিৰোদেশ দৰ্শনীয়, নয়নযুগল ***আকৰ্ণবিস্তৃত***, স্কন্ধ সুপুষ্ট, বুকু বিশাল আৰু বাহু ***আজানুলম্বিত***।



***আকৰ্ণবিস্তৃত*** = কৰ্ণ পৰ্য্যন্ত বিস্তৃত।
***আজানুলম্বিত*** = জানু বা আঠু পৰ্য্যন্ত দীৰ্ঘ।

এনে উত্তম গুণসম্পন্ন ৰামক ৰজা দশৰথে যুৱৰাজ পদত অভিষিক্ত কৰিবলৈ ইচ্ছা কৰিলে। কিন্তু সেই সময়ত ৰাজমহিষী কৈকেয়ীয়ে দশৰথ ৰজাই আগতে প্ৰতিশ্ৰুতি দিয়ামতে পাবলগা বৰ দুটা প্ৰাৰ্থনা কৰিলে। সেয়া হ'ল ৰামৰ বনবাস আৰু ভৰতৰ অভিষেক। ৰজা দশৰথেও প্ৰতিজ্ঞা ৰক্ষাৰ বাবে ৰামক বনবাস দিলে। ৰাম বনলৈ যাবলৈ ওলোৱাত তেওঁৰ ভ্ৰাতৃ লক্ষ্মণ আৰু স্নেহশীলা পত্নী সীতাইও ৰামৰ অনুগমন কৰিলে। যাত্ৰাপথত তেওঁলোকে বহুতো ডাঙৰ ডাঙৰ নৈ-বন আদি অতিক্ৰম কৰিলে আৰু অৱশেষত চিত্ৰকূট পৰ্বত পালেগৈ। তাত বনৰ মাজত তেওঁলোকে এটি ৰমণীয় পৰ্ণকুটীৰ সাজি লৈ পৰম সুখত থাকিবলৈ ললে। ইপিনে অযোধ্যাত পুত্ৰ শোকাতুৰ ৰজা দশৰথে প্ৰাণত্যাগ কৰিলে। পিতৃৰ-অবৰ্তমানত বশিষ্ঠ আদি দ্বিজসকলে ভৰতক ৰাজ্যভাৰ লবলৈ অনুৰোধ কৰিলে। ভৰতে এই কথাত মান্তি নহ'ল আৰু ৰামচন্দ্ৰক ওভতাই আনিবলৈ

বনলৈ গ'ল। কিন্তু ৰামচন্দ্ৰই ৰাজপদ লবলৈ ইচ্ছা নকৰিলে আৰু নিজৰ পাদকাযুৰি দি ভৰতক ওভতাই পঠিয়ালে। ৰামৰ আগমনৰ অপেক্ষা কৰি ভৰতে নন্দীগ্ৰামত ৰাজ্যস্থাপন কৰি ৰাজকাৰ্য্য চলাবলৈ ধৰিলে। ইপিনে কমেও পূৰ্বৰ স্থান ত্যাগ কৰি দণ্ডকাৰণ্যত প্ৰৱেশ কৰিলে। তাত কেইবাগৰাকী ঋষিক ৰামে দেখা কৰিলে। সেই ঋষিসকলে ৰামক অসুৰ আৰু ৰাক্ষস নিধনৰ বাবে অনুৰোধ জনালে। ৰামেও সেই অনুৰোধ ৰক্ষা কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হ'ল। সেই সময়তে জনস্থান নিবাসিনী ৰাক্ষসী শূৰ্পণখাক ৰামে বিৰূপাকৃতি কৰিলে। ইয়াৰ পিছত ৰামে চৈধ্য হাজাৰ ৰাক্ষসক বধ কৰিলে। জ্ঞাতিবধৰ বাতৰি পাই ৰাৱণ ক্ৰোধান্বিত হ'ল। তেওঁ মাৰীচ নামৰ ৰাক্ষসৰ সহায়ত ৰামৰ পত্নী সীতাক হৰণ কৰিলে। সীতা হৰণৰ বাৰ্তাত ৰাম যথেষ্ট শোকাভিভূত হৈ পৰিল। তেওঁ সীতাক বিচাৰি বনে বনে ঘূৰি ফুৰিবলৈ ধৰিলে। এনেদৰে এদিন পম্পাতীৰত হনুমানৰ লগত তেওঁৰ সাক্ষাৎ হয়। হনুমানৰ কথামতে ৰামে সুগ্ৰীবৰ আগত সকলো কথা প্ৰকাশ কৰিলে। ইপিনে সুগ্ৰীবেও ককায়েক বালীৰ লগত তেওঁৰ বৈৰীতাৰ বিষয়ে ৰামক অৱগত কৰিলে আৰু ৰামে বালীক বধ কৰিব বুলি প্ৰতিজ্ঞা কৰিলে। প্ৰতিজ্ঞা মতে বালীক বধ কৰি ৰামে সুগ্ৰীবক ৰজা পাতিলে। ৰজা হৈ সুগ্ৰীবে বান্দৰ সমূহক সীতা বিচৰা কাৰ্য্যত নিয়োজিত কৰিলে। সেই আজ্ঞা অনুসৰি মহাবলশালী হনুমানে বিস্তীৰ্ণ লৱণ সমুদ্ৰ পাৰ হ'ল। লঙ্কানগৰীত উপস্থিত হৈ তাত থকা অশোক বনত হনুমানে সীতাক দেখিলে আৰু সকলো কথা তেওঁক নিবেদন কৰিলে। তাৰ পিছত হনুমানে লঙ্কানগৰী দহন কৰিলে আৰু ৰামৰ ওচৰলৈ উভতি আহি সমগ্ৰ বাৰ্তা জনালে। ইয়াৰ পিছত ৰামে সমুদ্ৰত সেতু বন্ধাই সেই সেতুৰে লঙ্কালৈ গ'ল আৰু যুদ্ধত ৰাৱণক বধ কৰি সীতাক উদ্ধাৰ কৰিলে।

তাৰ পিছত ৰামে জনসমাজৰ আগত সীতাক উদ্দেশ্য কৰি কঠোৰ বাক্য প্ৰয়োগ কৰিলে। এই কথা সহিব নোৱাৰি সীতাই অগ্নিত প্ৰবেশ কৰিলে। কিন্তু অগ্নিদেৱতা আৱিৰ্ভাব হৈ সীতাক নিষ্পাপ বুলি ঘোষণা কৰিলে।

ইয়াৰ পিছত ৰামে বিভীষণক লঙ্কাৰ ৰাজপদত অভিষিক্ত কৰিলে আৰু বন্ধুবৰ্গৰ সৈতে পুষ্পক ৰথত উঠি অযোধ্যা অভিমুখে যাত্ৰা কৰিলে। বাটত ভৰদ্বাজৰ আশ্ৰমত পদাৰ্পণ কৰি তাৰপৰা ৰামে সুগ্ৰীবৰ লগত নন্দীগ্ৰামলৈ গ'ল। এই নন্দীগ্ৰামতে সীতাক ৰাজমহিষী হিচাপে লৈ ৰামে ৰাজ্যভাৰ গ্ৰহণ কৰিলে। ৰামৰ ৰাজত্বত ৰাজ্যত সকলো ধৰণৰ সুখ সমৃদ্ধি বিৰাজ কৰিলে।

দেবৰ্ষি নাৰদে ইয়াৰ পিছত ঘোষণা কৰিলে যে দহ হাজাৰ দহশ বছৰ ৰাজত্ব কৰি ৰামে শেষত ব্ৰহ্মলোকলৈ গমন কৰিব। যিয়ে ৰামৰ চৰিত্ৰৰ এই আখ্যান পাঠ কৰিব তেওঁ সকলো পাপৰ পৰা মুক্ত হ'ব।

## ৬.৪.২ ৰামচন্দ্ৰৰ গুণসমূহৰ বৰ্ণনা

ৰামায়ণৰ নায়ক শ্ৰীৰামচন্দ্ৰক মহাকাব্যখনত সৰ্বগুণসমন্বিত এগৰাকী অসাধাৰণ পুৰুষ হিচাপে প্ৰতিষ্ঠিত কৰা হৈছে। মুনিশ্ৰেষ্ঠ নাৰদৰদ্বাৰা ৰামচন্দ্ৰৰ বিভিন্ন গুণসমূহৰ বিষয়ে বালকাণ্ডৰ প্ৰথম সৰ্গৰ আৰম্ভণিতেই উক্ত হৈছে। ইয়াত কোৱা হৈছে যে শ্ৰী ৰামচন্দ্ৰ বুদ্ধিমান, নীতিপৰায়ণ, বাগ্মী, সৌভাগ্যবান আৰু শত্ৰুবিনাশক। তেওঁৰ স্কন্ধ বিশাল আৰু বাহু দীৰ্ঘ। বিশাল বক্ষযুক্ত এই গৰাকী পুৰুষৰ ডিঙি সুপুষ্ট। তেওঁৰ কপাল আৰু মস্তক মনোৰম। আকৃতিত তেওঁ মধ্যম। স্নিগ্ধ বৰ্ণযুক্ত আৰু বিশাল নেত্ৰধাৰী শ্ৰীৰামচন্দ্ৰ বিভিন্ন শুভলক্ষণৰো আঁকৰস্বৰূপ। তেওঁ ধৰ্মজ্ঞাতা আৰু সত্য প্ৰতিজ্ঞ। প্ৰজাসমূহৰ হিতসাধনত তেওঁ সদাৰত। ইয়াৰ উপৰিও তেওঁ যশস্যাশালী, জ্ঞানী আৰু জিতেন্দ্ৰিয়। জীৱলোকৰ ত্ৰাণকৰ্তা আৰু ধৰ্মৰ ৰক্ষক এই গৰাকী ব্যক্তি সৰ্বশাস্ত্ৰৰ তত্ত্বজ্ঞাতা। তেওঁ সকলোৰে প্ৰতি সমান ভাব প্ৰদৰ্শনকাৰী। ইয়াৰ উপৰিও তেওঁৰ আকৃতি অতিশয় আনন্দপ্ৰদায়ক। গাম্ভীৰ্য্যত তেওঁ সমুদ্ৰ সদৃশ আৰু ধৈৰ্য্যৰ ক্ষেত্ৰত হিমালয় পৰ্বততুল্য। তেওঁ বিষ্ণুৰ দৰে পৰাক্ৰমী, কালাগ্নিৰ দৰে ক্ৰোধী আৰু পৃথিৱীৰ দৰে ক্ষমাশীল।

এনেদৰে অনেক গুণৰ সমন্বয়ত শ্ৰীৰামচন্দ্ৰৰ চৰিত্ৰটি ৰামায়ণত অংকিত হৈছে।



**অগ্ৰগতিৰ নিৰীক্ষণ**

প্ৰশ্ন নং ২ঃ ৰামচন্দ্ৰই জন্মগ্ৰহণ কৰা বংশটিৰ নাম কি আছিল?

.....

প্ৰশ্ন নং ৩ঃ ৰামচন্দ্ৰৰ তিনিটা শাৰীৰিক বৈশিষ্ট্য উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৪ঃ ৰাণী কৈকেয়ীয়ে দশৰথ ৰজাৰপৰা কি দুটা বৰ প্ৰাৰ্থনা কৰিছিল?

.....

## ৬.৪.৩ ৰামচন্দ্ৰৰ বন গমনৰ পৰা সীতা হৰণ পৰ্য্যন্ত বৰ্ণনা

পিতৃ নিৰ্দেশ পালন কৰি আৰু মাতৃ কৈকেয়ীৰ মনোবাঞ্ছা পূৰ্ণ কৰি ৰামচন্দ্ৰই বনলৈ গমন কৰিলে। এই বনগমনত ভ্ৰাতৃ লক্ষ্মণ আৰু পত্নী সীতাও তেওঁৰ সঙ্গী হ'ল। কিছু দূৰ পৰ্য্যন্ত নগৰবাসী সকলেও এই বনগমনকাৰীসকলৰ অনুগমন কৰিলে। গঙ্গা নদীৰ পাৰত শৃঙ্গবেৰপুৰত ৰামে নিষাদৰাজ গুহক লগ পালে। গুহ, লক্ষ্মণ আৰু সীতাৰ সৈতে ৰামে বহুতো ডাঙৰ ডাঙৰ নদী আৰু বন অতিক্ৰম কৰি গৈ চিত্ৰকূট পৰ্বত পালেগৈ। তাত তেওঁলোকে এনে ৰমণীয় পৰ্ণকুটীৰ সাজি পৰম সুখত বাস কৰিবলৈ ধৰিলে। ৰাম চিত্ৰকূটত থকা কালছোৱাতে ৰজা দশৰথে পুত্ৰশোকত প্ৰাণত্যাগ কৰিলে। পিতৃৰ মৃত্যুৰ পিছত বশিষ্ঠ আদি দ্বিজসকলে ভৰতক ৰাজ্যভাৰ লবলৈ অনুৰোধ কৰিলে যদিও ভৰতে

তাত মান্তি নহ'ল আৰু ৰামক লগ কৰিবলৈ বনলৈ গ'ল। বনত মহাত্মা ৰামক লগ পাই ভৰতে ৰাজপদ যাচিলে। কিন্তু ৰামে পিতাকৰ আদেশ স্মৰণ কৰি সেই ৰাজপদ গ্ৰহণ কৰিবলৈ ইচ্ছা নকৰিলে। ৰামচন্দ্ৰই তেওঁৰ খৰমযোৰ ভৰতক দিলে আৰু ৰাজ্যলৈ ওভতাই পঠিয়ালে। নিজ ইচ্ছাপূৰ্ণ নোহোৱাকৈ ভৰতে ৰামক প্ৰণাম জনাই উভতি আহিল। ৰামৰ আগমনৰ অপেক্ষা কৰি ভৰতে নন্দীগ্ৰামত ৰাজ্যস্থাপন কৰি ৰাজকাৰ্য্য চলাবলৈ ধৰিলে। ভৰত উভতি যোৱাৰ পিছত ৰামচন্দ্ৰই দণ্ডকাৰণ্যত প্ৰবেশ কৰিলে। দণ্ডকাৰণ্যত প্ৰবেশ কৰি ৰামে বিৰোধ নামৰ ৰাক্ষসক বধ কৰিলে। তাৰ পিছত শৰভঙ্গ ঋষিক দৰ্শন কৰিলে। ইয়াৰ পিছত ৰামে সুতীক্ষ্ণ, অগস্ত্য আদি বিভিন্নজন ঋষিক সাক্ষাৎ কৰিলে। দণ্ডকাৰণ্যত বাস কৰি থকা সময়ত তাত থকা ঋষিসকলে ৰামক অসুৰ আৰু ৰাক্ষসকুলৰ নিধনৰ কাৰণে প্ৰাৰ্থনা জনালে। ৰামেও সেইসমূহক বধ কৰিব বুলি প্ৰতিজ্ঞা কৰিলে। সেই কালছোৱাতেই জনস্থান নিবাসিনী ৰাক্ষসী শূৰ্পণখাক ৰাম-লক্ষ্মণে বিৰূপাকৃতি কৰিলে। শূৰ্পণখাৰ কথা শুনি খেদি অহা শৰ, দূষণ প্ৰমুখ্যে ১৪ হাজাৰ ৰাক্ষসক ৰামে সিহঁতৰ অনুচৰ বৰ্গৰ সৈতে বধ কৰিলে। ইপিনে আত্মীয়সকলৰ বধৰ বাতৰি পাই ৰাৱণ ক্ৰোধান্বিত হ'ল। তেওঁ মাৰীচ নামৰ ৰাক্ষসৰ সহায় বিচাৰিলে। মাৰীচে প্ৰথমাৱস্থাত ৰাৱনক ৰামৰ বিৰোধিতা কৰিবলৈ নিষেধ কৰিলে। কিন্তু ৰাৱণে মাৰীচৰ কথাত কাণ নিদিলে আৰু মাৰীচক লৈ ৰামে বাস কৰা আশ্ৰমলৈ গ'ল। মায়াবী মাৰীচে ছলনাৰে ৰাম আৰু লক্ষ্মণক আঁতৰাই পঠিয়ালে। ইয়াৰ পিছত ৰাৱণে সীতাক হৰণ কৰিলে। সীতাহৰণৰ বাৰ্তা পক্ষী জটায়ুৰ মুখত শুনি ৰাম শোকত আকুল হ'ল আৰু সীতাক বিচৰা কাৰ্য্য আৰম্ভ কৰিলে।



**অগ্ৰগতি নিৰীক্ষণ**

প্ৰশ্ন নং ৫ঃ নিষাদৰাজ কোন?

.....

প্ৰশ্ন নং ৬ঃ দণ্ডকাৰণ্যত ৰামে সাক্ষাৎ লাভ কৰা দুজন ঋষিৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৭ঃ ৰাম আৰু লক্ষ্মণক সীতা হৰণৰ বাৰ্তা কোনে দিছিল?

.....

## ৬.৪.৪ সীতা উদ্ধাৰ কাৰ্য্যৰ বিৱৰণ

দণ্ডকাৰণ্যত থকা সময়ত ৰামৰ পত্নী জনকনন্দিনী সীতাক লঙ্কাৰ ৰজা ৰাৱণে হৰণ কৰিছিল। পিছত ৰামে এই কথা পক্ষী জটায়ুৰ মুখত জানিব পাৰি শোকত অধীৰ হৈ পৰিল। বনৰ মাজে মাজে ৰামে সীতাক বিচাৰিবলৈ আৰম্ভ কৰিলে। এই সময়ছোৱাত ৰামে ভয়ঙ্কৰ আকৃতিৰ কবন্ধ নামেৰে এক ৰাক্ষসক লগ পালে। এই ৰাক্ষসক ৰামে বধ

কৰিলে আৰু দাহ কাৰ্য্যও সম্পন্ন কৰিলে। তেতিয়া ৰাক্ষসটোৱে স্বৰ্গগামী হোৱাৰ আগেয়ে ৰামক তপস্বিনী শৱৰীৰ বিষয়ে কৈ গ'ল। ৰামে শবৰীৰ ওচৰলৈ যোৱাত শৱৰীয়ে তেওঁক যথাযোগ্য সৎকাৰ কৰিলে। ইয়াৰ পিচত পম্পাতীৰত ৰামৰ হনুমানৰ লগত সাক্ষাৎ হয়। হনুমানৰ কথামতে ৰামে সুগ্ৰীবৰ লগত দেখা কৰিলে। ৰামে সীতাৰ বিষয়ে সকলো কথা সুগ্ৰীৱৰ আগত প্ৰকাশ কৰিলে। সুগ্ৰীৱে ৰামৰ লগত বন্ধুত্ব স্থাপন কৰিলে আৰু ককায়েক বালীৰ লগত থকা বৈৰীতাৰ কথা কলে। ৰামেও প্ৰথমে নিজৰ শক্তিৰ পৰিচয় দিলে। ইয়াৰ পিচত সুগ্ৰীৱে ৰামক কিষ্কিন্ধা নামৰ গুহালৈ লৈ গ'ল আৰু গৰ্জন কৰিবলৈ ধৰিলে। বানৰৰাজ বালী ওলাই আহি সুগ্ৰীবৰ সন্মুখীন হ'ল। যুদ্ধত এপাট শৰতে ৰামে বালীক নিধন কৰিলে আৰু সুগ্ৰীবক ৰজা পাতিলে।

ইয়াৰ পিছত সুগ্ৰীবে সকলো বান্দৰ সমবেত কৰি জনকনন্দিনী সীতাক বিচাৰিবলৈ দশোদিশে পঠিয়ালে। সম্পাতি নামৰ এক পক্ষীৰ কথা অনুসৰি হনুমানে বিস্তীৰ্ণ লৱণ সমুদ্ৰ অতিক্ৰম কৰি লঙ্কাত উপস্থিত হ'ল। তাত অশোকবনত হনুমানে ধানমগ্না সীতাক দেখিবলৈ পালে। হনুমানে পৰিচয়ৰ এক চিহ্ন সীতাক দেখুৱালে আৰু সকলো ঘটনা নিবেদন কৰিলে। ইয়াৰ পিছত সীতাক আশ্বাসবাণী প্ৰদান কৰি হনুমানে লঙ্কাৰ তোৰণ ভঙ্গ কৰিলে। তাৰ পিছত পাঁচজন সেনাপতি, সাতজন মন্ত্ৰীকুমাৰ আৰু ৰাৱণপুত্ৰ অক্ষক নিধন কৰিলে আৰু ইন্দ্ৰজিতৰ ব্ৰহ্মাস্ত্ৰত বান্ধ খালে। ব্ৰহ্মাৰ বৰ অনুসৰি নিজকে ব্ৰহ্মাস্ত্ৰৰ বন্ধনৰপৰা মুক্ত বুলি জানিলেও হনুমানে ৰাক্ষসসেনাসকলক ক্ষমা কৰি দিলে আৰু সীতাই অৱস্থান কৰা স্থানক বাদ দি সমগ্ৰ লঙ্কানগৰী পুৰি পেলালে। ইয়াৰ পিছত এই প্ৰিয় বাতৰিটো ৰামক জনাবলৈ হনুমান উভতি আহিল।

হনুমানে গৈ সীতাক লগপোৱাৰ বাৰ্তা ৰামক প্ৰদান কৰিলে। তাৰ পিছত ৰামে সুগ্ৰীৱৰ লগত মহাসমুদ্ৰৰ পাৰত উপস্থিত হ'ল আৰু অগ্নি সদৃশ শৰৰদ্ধাৰা সমুদ্ৰক ক্ষুভিত কৰিলে। সমুদ্ৰ দেৱতা তেতিয়া আৱিৰ্ভাব হ'ল, সমুদ্ৰৰ কথা অনুসৰি ৰামেও নলৰদ্ধাৰা সেতু নিৰ্মাণ কৰি সেই সেতুৰে লঙ্কালৈ গ'ল। লঙ্কাত হোৱা যুদ্ধত ৰামে ৰাৱণক বধ কৰিলে আৰু পত্নী সীতাক উদ্ধাৰ কৰি ৰাজ্যলৈ উভতি আহিল।



**অগ্ৰগতি নিৰীক্ষণ**

প্ৰশ্ন নং ৮ঃ ৰামচন্দ্ৰই হনুমানক প্ৰথমে ক'ত লগ পাইছিল?

.....

প্ৰশ্ন নং ৯ঃ হনুমানে কেনেকৈ লঙ্কাত উপস্থিত হৈছিল?

.....

প্ৰশ্ন নং ১০ঃ লঙ্কাত কোন স্থানত সীতাক ৰখা হৈছিল?

.....



**জানি থোৱা ভাল**

ৰামায়ণৰ কাহিনীৰ আধাৰত পিছৰ যুগৰ কবিসকলে বিভিন্ন কাব্য ৰচনা কৰিছিল। মহাকবি ভাসে ৰামায়ণৰ আলমত 'প্ৰতিমা' আৰু 'অভিষেক' নামৰ দুখন নাটক ৰচনা কৰিছিল। ৰামায়ণৰ কাহিনীৰ আধাৰত ভৱভূতিয়ে 'মহাবীৰ-চৰিত' আৰু 'উত্তৰ ৰামচৰিত' নামৰ দুখন নাটক ৰচনা কৰিছিল। ইয়াৰ উপৰিও প্ৰবৰসেনৰ সেতুবন্ধ, কুমাৰদাসৰ জানকীহৰণ, ভোজৰ ৰামায়ণচম্পূ আদি বিভিন্ন কাব্যৰ মূল উৎস হৈছে ৰামায়ণ।

## ৬.৫ সৰ্গটিত উল্লেখিত কেইটামান বিশেষ চৰিত্ৰৰ পৰিচয়

১। **নাৰদঃ**- নাৰদ হৈছে এজন প্ৰধান দেৱৰ্ষি। তেওঁ ব্ৰহ্মাৰ পুত্ৰ। বীণা মন্ত্ৰৰ সৃষ্টিকৰ্তা এই নাৰদক ত্ৰিলোক বিহাৰী আৰু ত্ৰিকালদৰ্শী বুলি জনা যায়।

২। **ইন্দ্ৰজিৎঃ**- ইন্দ্ৰজিৎ লঙ্কাৰ ৰজা ৰাৱণৰ পুত্ৰ। তেওঁৰ আন এটা নাম মেঘনাদ। এসময়ত তেওঁ ইন্দ্ৰক জয় কৰে আৰু বন্দী কৰি লঙ্কালৈ আনে। ব্ৰহ্মা আদি দেৱতাসকলে ইন্দ্ৰৰ মুক্তিৰ বাবে লঙ্কালৈ আহে। ব্ৰহ্মাই তেতিয়া মেঘনাদক ইন্দ্ৰজিৎ নাম দিয়ে।

৩। **সম্পাতিঃ**- সম্পাতি হৈছে পক্ষী জটায়ুৰ জ্যেষ্ঠ ভ্ৰাতা। এবাৰ সম্পাতিয়ে সূৰ্য্যৰ কিৰণৰপৰা নিজৰ পাখিৰে বেঢ়ি ভায়েকক ৰক্ষা কৰে আৰু তাত সম্পাতিৰ পাখি পুৰি যায়। শক্তিহীন হৈ সম্পাতি বিন্ধ্য পৰ্বতত পৰি থাকে। পিছত ঋষি আৰাধনাৰদ্বাৰা সম্পাতিৰ ডেউকাবোৰ সজীব হয়। সম্পাতিয়ে ৰামৰ অনুচৰ বান্দৰবোৰক সীতাৰ সন্ধান যোগায়।

৪। **জটায়ুঃ**- জটায়ু এটি ডাঙৰ পক্ষী। গৰুড়ৰ জ্যেষ্ঠ ভ্ৰাতা অৰুণৰ সৰু পুত্ৰ হৈছে জটায়ু। ই গৃধ্ৰৰাজ। ৰজা দশৰথৰ লগত জটায়ুৰ বন্ধুত্ব আছিল। ৰাৱণে সীতাক হৰণ কৰাৰ সময়ত এই জটায়ুয়ে সীতাৰ ৰক্ষাৰ বাবে ৰাৱণৰ লগত যুদ্ধত অৱতীৰ্ণ হয়। কিন্তু ৰাৱণৰ আক্ৰমণত পক্ষী জটায়ু অত্যন্ত আঘাতপ্ৰাপ্ত হয় আৰু মাটিত পৰি থাকে। ৰাম আৰু লক্ষ্মণ আহি এই আহত পক্ষীৰপৰা সীতা হৰণৰ বাৰ্তা পায়। ইয়াৰ পাছত জটায়ু মৃত্যু মুখত পৰে। ৰাম আৰু লক্ষ্মণে জটায়ুৰ মৃতদেহ সৎকাৰ কৰে।

৫। **কবন্ধঃ**- কবন্ধ হৈছে মূৰ আৰু ডিঙি নোহোৱা এটা ৰাক্ষস। ইয়াৰ পেটত এটা চকু আৰু এখন মুখ আছে। আগতে ই এক গন্ধৰ্ব আছিল। পিছত ঋষিৰ শাপত ই ভয়ঙ্কৰ ৰূপ পায়। এবাৰ ইন্দ্ৰৰ লগত যুদ্ধ হোৱাত ইন্দ্ৰৰ বজ্ৰাঘাতত ইয়াৰ ডিঙি আৰু মূৰ ভাঙি যায়। ইন্দ্ৰই কৈছিল যে ৰাম যেতিয়া তাৰ হাত দুখন কাটিব তেতিয়া ই আগৰ ৰূপ পাই স্বৰ্গলৈ যাব। ৰামচন্দ্ৰই সীতাৰ সন্ধান কৰি থকাৰ সময়ত এই কবন্ধক লগ পায় আৰু তাৰ বাহু দুটা কাটি পেলায় আৰু শৰীৰটো অগ্নিত নিক্ষেপ কৰে। অগ্নিৰ মাজৰপৰা এক দিব্য পুৰুষৰ আৰিৰ্ভাব হৈ স্বৰ্গলৈ গতি কৰে।

৬। **শৰৰীঃ**- শৰৰী এগৰাকী বৃদ্ধা তপস্বিনী। তেওঁ ব্ৰহ্মচাৰিণী। তেওঁ নীচকুলজাতা ৰমণী

আছিল। মুনি মতঙ্গৰ কথা মতে তেওঁৰ আশ্ৰমত শৱৰীয়ে ৰামৰ আগমনৰ অপেক্ষা কৰিছিল। সীতা অন্বেষণকাৰী ৰামচন্দ্ৰ যেতিয়া তাত উপস্থিত হৈছিল তেতিয়া শৱৰীয়ে তেওঁক যথাযোগ্য সৎকাৰ আগবঢ়াইছিল। ইয়াৰ পিছত অগ্নিত নিজৰ দেহ সমৰ্পণ কৰি শবৰী স্বৰ্গগামী হয়।



## ৬.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- সমগ্ৰ ৰামায়ণৰ এটি সাধাৰণ ধাৰণা লাভ কৰিলে। ইয়াৰ উপৰিও ৰামায়ণৰ প্ৰতিটো কাণ্ডৰ বিষয়বস্তুৰ আভাস লাভ কৰিলে।
- ৰামায়ণৰ বালকাণ্ডৰ প্ৰথম অধ্যায়ৰ সাৰাংশ পাঠৰ জৰিয়তে সমগ্ৰ ৰামায়ণৰ কাহিনীটো যে এই অধ্যায়টিয়ে সামৰি লৈছে সেই বিষয়ে অবগত হয়।
- এই অধ্যায়ত সন্নিবিষ্ট ৰামচন্দ্ৰৰ গুণাৱলী, তেওঁৰ বনগমনৰ পৰা সীতা হৰণ পৰ্যন্ত ঘটা ঘটনাসমূহ তথা সীতা উদ্ধাৰ কাৰ্য্য সম্পৰ্কে বিশদভাৱে জানিব পাৰিলে।
- অধ্যায়টিত উল্লেখ কৰা কেইটিমান চৰিত্ৰৰ বিশেষ পৰিচয় লাভ কৰিলে।



## ৬.৭ অধিক জানিবলৈ


১) পাণ্ডুৰঙ্গ পৰৱ, কাশীনাথ, *দ্য ৰামায়ণ অৱ ৱাল্মীকি*, প্ৰপ্ৰাইটৰ অব্ জাভাজী দাদাজীজ নিৰ্ণয়সাগৰ প্ৰেছ, বোম্বে, ১৯০২।

২) *শ্ৰীমদ্ ৱাল্মীকি ৰামায়ণ* (প্ৰথম খণ্ড) গীতা প্ৰেছ, গোৰখপুৰ ১৯৬৯।

৩) বন্দোপাধ্যায়, অশোক কুমাৰ, *ৰামায়ণম্*, শ্ৰীবলৰাম প্ৰকাশনী, কোলকাতা, ১৪১২।

৪) মহন্ত, কবিচন্দ্ৰ, *অসমীয়া বাল্মীকি ৰামায়ণ*, লয়ার্ছ বুক ষ্টল, ১৯৬২।

৫) সেন, দীনেশচন্দ্ৰ, *ৰামায়ণী কথা*, জিজ্ঞাসা, কলিকাতা, ১৩৬৭।

৬) আগৰৱাল, এইচ. আৰ, *এ চৰ্ট হিষ্টৰী অৱ সংস্কৃত লিটাৰেচাৰ*, মুন্সীৰাম মনোহৰলাল, দিল্লী, ১৯৬৩।

৭) শৰ্মা, থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ।

৮) দেবগোস্বামী, হৰমোহন, *সংস্কৃত সাহিত্যৰ বুৰঞ্জী*।

৯) শৰ্মা দলৈ, শ্ৰীহৰিনাথ, *ভাৰত কোষ*, পদ্মপ্ৰিয়া লাইব্ৰেৰী, বৰপেটা, ১৯৭৭।



## ৬.৮ অগ্রগতিৰ খতিয়ান

**১ নং প্রশ্নৰ উত্তৰঃ** (ক) কাণ্ড।

(খ) ২৪,০০০

(গ) আদি, আদি।

**২ নং প্রশ্নৰ উত্তৰঃ** ইক্ষ্বাকু।

**৩ নং প্রশ্নৰ উত্তৰঃ** ৰামচন্দ্ৰৰ নয়নযুগল আকর্ণবিস্তৃত, স্কন্ধ সুপুষ্ট আৰু বাহু আজানুলম্বিত।

**৪ নং প্রশ্নৰ উত্তৰঃ** ৰামচন্দ্ৰৰ নির্বাসন আৰু ভৰতৰ অভিষেক।

**৫ নং প্রশ্নৰ উত্তৰঃ** গুহ।

**৬ নং প্রশ্নৰ উত্তৰঃ** শৰভঙ্গ, সুতীক্ষ্ণ।

**৭ নং প্রশ্নৰ উত্তৰঃ** পক্ষী জটায়ুয়ে।

**৮ নং প্রশ্নৰ উত্তৰঃ** পম্পাতীৰত।

**৯ নং প্রশ্নৰ উত্তৰঃ** বিস্তীর্ণ লৱণ সমুদ্র অতিক্রম কৰি।

**১০ নং প্রশ্নৰ উত্তৰঃ** অশোক বনত।



## ৬.৯ আৰ্হি প্রশ্ন

**প্রশ্ন ১ঃ** আদিকাব্য ৰামায়ণৰ এটি চমু আভাস দাঙি ধৰক।

**প্রশ্ন ২ঃ** ৰামায়ণৰ বালকাণ্ডৰ প্রথম অধ্যায়ৰ সাৰাংশটি লিখক।

**প্রশ্ন ৩ঃ** বালকাণ্ডৰ প্রথম অধ্যায়ত সন্নিবিষ্ট ৰামচন্দ্ৰৰ বনগমনৰ পৰা ৰাৱণৰদ্বাৰা সীতা হৰণ পর্য্যন্ত বর্ণিত ঘটনাৰাজিৰ চমু বিৱৰণ আগবঢ়াওঁক।

**প্রশ্ন ৪ঃ** চমুটোকা লিখক -

(ক) ইন্দ্রজিৎ (খ) কবন্ধ (গ) শবৰী।

*** ***** ***

# অধ্যায় ৭ ঃ বৈদিক সাহিত্যৰ সাধাৰণ পৰিচয়

## অধ্যায় গাঁথনি


৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ বেদ শব্দৰ ব্যুৎপত্তি আৰু পর্যায়বাচক শব্দবোৰ

৭.৩.১ ত্রয়ী বিদ্যা

৭.৪ বেদৰ লক্ষণ

৭.৫ বেদ বিভাজন

৭.৬ সংহিতাবোৰৰ চমু আভাস

৭.৬.১ ঋক্‌বেদ

৭.৬.২ সামবেদ

৭.৬.৩ যজুর্বেদ

৭.৬.৪ অথর্ববেদ

৭.৭ কর্মকাণ্ড, জ্ঞানকাণ্ড তথা মীমাংসাদ্বয়ৰ উদ্ভৱ

৭.৮ বেদৰ কাল

৭.৯ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

৭.১০ অধিক জানিবলৈ

৭.১১ অগ্রগতিৰ খতিয়ান

৭.১২ আর্হি প্রশ্ন


## ৭.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- বৈদিক সাহিত্যৰ প্রাচীনত্বৰ বিষয়ে কিছু কথা জানিব পাৰিব
- বেদ শব্দৰ ব্যুৎপত্তি আৰু পর্যায়বাচক শব্দবোৰৰ অর্থ জানিব পাৰিব
- বেদৰ লক্ষণৰ জ্ঞান লাভ কৰিব পাৰিব
- ত্রয়ী বা ত্রয়ী বিদ্যাৰ তাৎপর্য বুজিব পাৰিব
- বৈদিক সাহিত্যৰ স্তৰ চাৰিটাৰ সামান্য জ্ঞান লাভ কৰিব পাৰিব
- বৈদিক মন্ত্র-সংহিতাবোৰৰ আভাস পাব
- কর্মকাণ্ড আৰু জ্ঞানকাণ্ড তথা দুই মীমাংসাৰ উদ্ভৱ সম্বন্ধে জানিব পাৰিব।

## ৭.২ পৰিচয়

বৈদিক সাহিত্যৰাজি, জগতৰ প্ৰাচীন সাহিত্যবিলাকৰ মাজত অধিক প্ৰাচীন আৰু মহত্ত্বপূৰ্ণ। একেদৰে ইয়াৰ পৰিসৰো বিশালতম বুলিব পাৰি। এই বিশালতম সাহিত্যক বুজোৱা 'বেদ', 'ব্ৰাহ্মণ' 'উপনিষদ' আদি শব্দবোৰৰ সৈতে আপোনাৰ পৰিচয় আছে। বেদ ভাৰতীয় আৰ্যসকলৰ পবিত্ৰ ধৰ্মগ্ৰন্থ। ইয়াক হিন্দুসকলে নিত্য, অপৌৰুষেয় আৰু অলংঘনীয় বুলি বিশ্বাস কৰে।

আপুনি হয়তো চাৰিবেদৰ নাম শুনিছে ঃ ঋগ্বেদ, সামবেদ, যজুৰ্বেদ আৰু অথৰ্ববেদ। বৰ্তমান অধ্যায়ত এই গ্ৰন্থসমূহৰ সামান্য পৰিচয় পাব আৰু পৰৱৰ্তী অধ্যায়ত সিবোৰৰ কিছু বহল বিৱৰণ অৱশ্যে পঢ়িবলৈ পাব।

জগতৰ সাহিত্যৰ মাজত প্ৰাচীনতম বুলি চিহ্নিত বৈদিক গ্ৰন্থমালাক লৈ আপুনি বৰ গৌৰৱান্বিত হোৱাৰ থল আছে। সেয়ে বৈদিক সমাজ আৰু সংস্কৃতিৰ আধাৰস্বৰূপ বৈদিক গ্ৰন্থশ্ৰেণীৰ সৈতে আপোনাৰ পৰিচয় নিশ্চয় শ্লাঘনীয়। এই অধ্যায়ত আপুনি বেদৰ অৰ্থ, বেদৰ লক্ষ্য, বেদৰ বিভাজন, বেদৰ কাল তথা সংহিতাসমূহৰ চমু পৰিচয় অধ্যয়ন কৰিব পাৰিব।

## ৭.৩ 'বেদ' শব্দৰ ব্যুৎপত্তি আৰু পৰ্যায় বাচক শব্দবোৰ

'বেদ' শব্দটো সাধিত হৈছে জ্ঞানাৰ্থক 'ৱিদ্' (জ্ঞান সামান্যে) ধাতুৰ পৰা। 'বিদ্ + অচ্' = বেদ। বেদ শব্দৰ সাধাৰণ অৰ্থ জ্ঞান। কিন্তু ই বৰ্তমান বিষয়ত পৰম জ্ঞানক বুজাইছে। মানুহে সাধাৰণতে চকু, কান, নাক, জিভা আৰু ত্বক্ বা ছাল—এই পঞ্চ ইন্দ্ৰিয়ৰে পাঁচ প্ৰকাৰ পাৰ্থিব জ্ঞান অৰ্জন কৰে। সিবোৰ ক্ৰমশঃ ৰূপ, শব্দ, গন্ধ, ৰস আৰু স্পৰ্শ—জ্ঞান বুলি জনা যায়। কিন্তু এইবোৰ ইন্দ্ৰিয়ই অতীন্দ্ৰিয় জ্ঞান দিব নোৱাৰে। ঋষি যাজ্ঞবল্ক্যই কৈছে যে অতীন্দ্ৰিয় জ্ঞান দিব পাৰে একমাত্ৰ বেদশাস্ত্ৰই। তেওঁ কৈছে যে প্ৰত্যক্ষ আৰু অনুমানৰ দ্বাৰা যি জ্ঞান লাভ সম্ভৱ নহয় সেই অতীন্দ্ৰিয় জ্ঞান লাভ হয় বেদৰ পৰা—

প্ৰত্যক্ষেনানু মিত্যা বা য়স্তূপায়ো নি ৱিদ্যতে।
এনং ৱিদন্তি ৱেদেন তস্মাদ্ ৱেদস্য ৱেদতা।।

বেদ শব্দৰ কেইবাটাও প্ৰচলিত প্ৰতিশব্দ অমৰকোষৰ শব্দাদিবৰ্গত পোৱা যায়। যেনে—শ্ৰুতি, বেদ, আম্নায়, ত্ৰয়ী, আগম, ছন্দস্ প্ৰভৃতি। এই পৰ্যায়বাচক শব্দবোৰে বৈদিক পৰম্পৰাৰ বৈশিষ্ট্য প্ৰকাশ কৰে। যেনে—শ্ৰুতি (শ্ৰু + ক্তিন্)—যাৰ দ্বাৰা ধৰ্ম বাণী শুনা যায়। বেদ (বিদ্ + অচ্ )—ধৰ্ম জনা যায় ইয়াৰ দ্বাৰা। আম্নায়-(আ + ম্না + ঘঞ্) - ধৰ্মৰ উপদেশ হয় ইয়াৰ দ্বাৰা ইত্যাদি।

ওপৰত দিয়া পৰ্যায়বাচক শব্দবোৰৰ ভিতৰত 'শ্ৰুতি' শব্দই বিশেষ তাৎপৰ্য বহন কৰে। বৈদিক যুগত লেখন পদ্ধতিৰ প্ৰচলন নাছিল। গুৰুৰ মুখৰ পৰা বেদবাণী শুনি শিষ্যই কণ্ঠস্থ কৰিছিল। এইদৰে গুৰু-শিষ্য পৰম্পৰাক্ৰমে বেদবিদ্যাৰ প্ৰচলন হৈছিল বাবে বেদক শ্ৰুতি বোলা হয়।

## ৭.৩.১ ত্রয়ী বা ত্রয়ী বিদ্যা

বেদক প্রায়ে ত্রয়ী বা ত্রয়ী বিদ্যাও বোলা হয়। ত্রয়ী বা ত্রয়ী বিদ্যা বোলোতে ঋক্, যজুস্ আৰু সামবেদক বুজা যায়। যাগ-যজ্ঞত ক্রমে হোতাই ঋগ্বেদৰ মন্ত্র সমষ্টি 'শস্ত্র' পাঠ কৰে, উদ্গাতাই 'সাম্' গান গায় আৰু অধ্বর্যুয়ে যজুস্ মন্ত্র মাতি অগ্নিত দেবতাসকললৈ হব্য-ঘৃতাদি অর্পণ কৰে। গতিকে যজ্ঞকর্মত ত্রয়ী বিদ্যাৰ মন্ত্রৰ প্রয়োগ হয়, বিশেষতঃ শ্রৌত যাগবোৰত। ঋক্, যজুস্ আৰু সামমন্ত্রক ত্রয়ী বা ত্রয়ী বিদ্যা বোলা হয়। ইয়াৰ মাজত অথর্ববেদ পৰিগণিত নহয়। এই লৈ বাদানুবাদ নোহোৱা নহয়। পূর্ব মীমংসা দর্শনৰ প্রণেতা ঋষি জৈমিনিয়ে ঋক্, সাম্ আৰু যজুস্ এই তিনি প্রকাৰ মন্ত্রৰ লক্ষণ নিম্নোক্তধৰণে নির্দেশ কৰিছে—

তেষামৃক্ য়ত্র অর্থবশেন পাদব্যৱস্থা (জৈঃ সূঃ ২/১/৩৫)
গীতিষু সামাখ্যা (জৈঃ সূঃ ২/১/৩৬)
শেষে য়জুঃ শব্দঃ (জৈঃ সূঃ ২/১/৩৭)

বেদৰ যিবোৰ মন্ত্রত অর্থ অনুসৰি ছন্দঃ আৰু পাদব্যৱস্থা আছে, সেইবোৰ ঋক্ মন্ত্র। যিবিলাক ঋক্ মন্ত্র গোৱা হয় সেইবোৰক সাম বোলা হয়। যিবোৰ মন্ত্র উক্ত দুই লক্ষণৰ ভিতৰত নপৰে সেইবোৰক যজুস্ মন্ত্র বোলা হয়। ইয়াৰ তাৎপর্য ব্যাখ্যা কৰি কোনো কোনো পণ্ডিতে কয় যে অথর্ব বেদৰ মন্ত্রবোৰো ছন্দোময় আৰু পাদব্যৱস্থাৰ ভিতৰত পৰে। সেয়ে অথর্ববেদৰ মন্ত্রৰ সুকীয়া লক্ষণ দিয়া হোৱা নাই।

কিছুমানে বৈদিক যুগৰ আদিছোৱাত অথর্ব বেদৰ অস্তিত্ব লৈ সন্দেহ প্রকাশ কৰে। কিন্তু ঋগ্বেদৰ দশম মণ্ডলৰ পুৰুষসূক্তত (১০/৯০/৯) চাৰিওখন বেদৰ উৎপত্তি পুৰুষৰ পৰা যে হৈছে তাকে কোৱা হৈছে—

তস্মাদ্ য়জ্ঞাৎ সর্বহুতঃ ঋচঃ সামানি জজ্ঞিৰে।
ছন্দাংসি জজ্ঞিৰে তস্মাদ্ য়জুস্তস্মাদজায়ত।।

অর্থাৎ সেই যজ্ঞৰ পৰা ঋক্, সাম্, ছন্দ আৰু যজুস্ মন্ত্রবোৰ উৎপন্ন হয়। ইয়াত বাকী তিনিবেদৰ লগতে 'ছন্দোময়' (অথর্ব বেদৰো) উৎপত্তি হোৱা বুলি কোৱা হৈছে।

একেদৰে আন এটা ঋকত অথর্ববেদক জাতবিদ্যা ৰূপে ব্রহ্মাই আবৃত্তি কৰা বুলি কোৱা হৈছে —

ঋচাং ত্বঃ পোষমাস্তে পুপুষ্বান্
গায়ত্রং ত্বো গায়তি শক্ৱৰীষু
ব্রহ্মা ত্বো ৱদতি জাতৱিদ্যাং
য়জ্ঞস্য মাত্রাং বিমিমীত উ ত্বঃ।।

যজ্ঞত এজনে ঋক্মন্ত্রৰে পুষ্টিসাধন কৰে, এজনে গায়ত্র মন্ত্র শক্ৱৰী ছন্দত গায়, ব্রহ্মাই জাতবিদ্যা আবৃত্তি কৰে আৰু এজনে যজ্ঞীয় শালা, বেদী, কুণ্ডৰ মাত্রা

জোখ-মাপ কৰে। ইয়াতো অথর্ববেদৰ উল্লেখ ত্রয়ীৰ লগতে কৰা হৈছে। গতিকে জৈমিনিয়ে ত্রয়ীৰ লক্ষণ ক'লেও আথর্বনীয় মন্ত্রৰ লক্ষণো তাৰ ভিতৰত পৰিছে।

## ৭.৪ বেদৰ লক্ষণ

বেদ বুলিলে কোন কোন শাস্ত্রক বুজায় সেইটোও জনা আৱশ্যক। আপস্তম্ব নামে সূত্রকাৰ এজনে তেওঁৰ পৰিভাষাত বেদৰ লক্ষণ এইদৰে দিছে, 'মন্ত্র ব্রাহ্মণয়োর্বেদ নামধেয়ম্'। অর্থাৎ মন্ত্র আৰু ব্রাহ্মণক বেদ বোলা হয়। ভাষ্যকাৰ সায়ণাচার্যয়ো কৈছে 'মন্ত্রব্রাহ্মণাত্মকঃ শব্দৰাশির্বেদঃ'। গতিকে বেদ বুলিলে মন্ত্র আৰু ব্রাহ্মণ দুয়ো ভাগকে বুজিব লাগে। ব্রাহ্মণৰ আকৌ তিনিটা ভাগ। বিধি-অর্থবাদাত্মক যজ্ঞীয় বর্ণনাসহ ব্রাহ্মণ, আৱণ্যক আৰু উপনিষদ্। উপনিষদ্ কেতিয়াবা সংহিতাৰ অন্তত (যেনে ঈশোপনিষদ্ বাজসনেয়ী সংহিতাৰ অন্তত) কেতিয়াবা আৱণ্যকৰ মাজত আৰু কেতিয়াবা অন্তত থাকে।

## ৭.৫ বেদ বিভাজন

অতি প্রাচীন কালত বেদ অখণ্ড আৰু একমাত্র আছিল। তাৰ বাবে ক্রিয়া-কাণ্ডত বা যাগ-যজ্ঞত মন্ত্রৰ প্রয়োগ আৰু অনুষ্ঠানত কেতবোৰ বেমেজালিয়ে দেখা দিলে। অবিভক্ত এই বেদত মন্ত্রসমূহৰ কোনো সুকীয়া বৈশিষ্ট্যৰ প্রতি নজৰ কৰা হোৱা নাছিল। বিশ্বৰ যিকোনো সাহিত্যৰ আদিছোৱাত থকাৰ দৰে মন্ত্রবোৰ বহুদিন ধৰি লোক সাহিত্যৰ ৰূপত মানুহৰ মুখে মুখে বাগৰি ফুৰিছিল বুলি ভাবিবৰ স্থল আছে। তেনে অৱস্থাত মন্ত্রবোৰ কালৰ বুকুত জাহ যোৱাৰ উপক্রম হৈছিল। প্রক্ষেপৰ অৱকাশো সদায় আছিল। মন্ত্রবোৰৰ লগে লগে যাগ-যজ্ঞ অনুষ্ঠানবোৰো জটিল হৈ পৰিল। ডাঙৰ যজ্ঞবোৰত ঋত্বিকৰ সংখ্যা চাৰিজনৰ পৰা ক্রমে সোতৰজনলৈ বৃদ্ধি পালে। পুৰোহিতসকলৰ কর্তব্যবোৰৰ সুবিহিত বিভাজন আবশ্যক হৈ পৰিল। পুৰোহিতসকলৰ সুবিধাৰ কাৰণে বেদৰ মন্ত্রবোৰ পুথিৰ ৰূপত প্রস্তুত কৰা প্রয়োজন হ'ল। এনেবোৰ কাৰণতে অখণ্ড বেদক চতুর্ধা খণ্ডত ভাগ কৰা হ'ল।

এই প্রাগ্ ঐতিহাসিক কামটো সম্পাদন কৰিছিল বশিষ্ঠৰ নাতি পৰাশৰৰ সুপুত্র কৃষ্ণ দ্বৈপায়নে। বিভাজন কৰা বাবে ইতিহাসে তেওঁক বেদব্যাস বুলিহে পৰিচয় দি আহিছে।

হস্তিনাপুৰত তেতিয়া ৰাজত্ব কৰিছিল প্রতীপৰ পুত্র শান্তনু বা শান্তনুয়ে। এদিনাখন বশিষ্ঠ ঋষিৰ নাতিয়েক পৰাশৰে গঙ্গাৰ পাৰত উপস্থিত হ'ল। ধীৱৰ ৰজাৰ কন্যা মৎস্যগন্ধাই (সত্যৱতী) নাও এখন লৈ ঋষিৰ ওচৰ চাপিল। ঋষি নাৱত উঠিল। তেওঁ ধীৱৰ কন্যাৰ ৰূপত মুগ্ধ হ'ল। তেওঁ ধীৱৰ কন্যাৰ পাণি গ্রহণ কৰিলে। যোগবলত গঙ্গাৰ মাজত দ্বীপ এটাৰ সৃষ্টি কৰি তাত দুয়ো যৌৱন উপভোগ কৰিলে। তেওঁলোকৰ মিলনৰ ফলত জন্ম হ'ল এটি পুত্রৰ। বৰণ কলা হৈছিল বুলিয়েই তেওঁৰ পিতৃদত্ত নাম কৃষ্ণ। দ্বীপত জন্ম হ'ল বাবে দ্বৈপায়ন আখ্যা পালে। বেদৰ বিন্যাস কৰা বাবে তেওঁ বেদব্যাস নামেৰে খ্যাতিমান হ'ল।

ব্যাসদেৱে বিভিন্ন কাৰণত অখণ্ডবেদ চাৰি ভাগত ভাগ কৰিলে। তেওঁ পৈলক ঋগ্বেদৰ,

জৈমিনিক সামবেদৰ বৈশম্পায়নক যজুর্বেদৰ আৰু সুমন্তক অথর্ব বেদৰ ধাৰক, প্রসাৰক আৰু প্রচাৰক নিযুক্ত কৰিলে। পৈল, জৈমিনি, বৈশম্পায়ন আৰু সুমন্তয়ে ঋগাদি চাৰিবেদৰ প্রসাৰ আৰু প্রচাৰৰ বাবে আশাসুধীয়া চেষ্টা কৰিলে। কালক্রমত উক্ত চতুর্বেদৰ অনেক শাখা-প্রশাখা গঢ়ি উঠিল। প্রাপ্ত তথ্য মতে ঋগ্বেদৰ শাখা একৈশটা, সামবেদৰ এহেজাৰ, যজুর্বেদৰ কৃষ্ণ ভাগৰ ছিয়াসীটা আৰু শুক্লভাগৰ যোল্লটা আৰু অথর্ব বেদৰ নটা শাখা হ'লগৈ।

ইবোৰৰ অনেক শাখা-প্রশাখাৰ নাম পুৰাণসমূহত পোৱা যায় যদিও সম্প্রতি ঋগ্বেদৰ শাকল শাখা, সামবেদৰ কৌথুম, ৰানায়নীয় আৰু জৈমিনীয় শাখা, কৃষ্ণ যুজুর্বেদৰ তৈত্তিৰীয়, কাঠক, কঠ-কপিষ্টল আৰু মৈত্রায়ণী, শুক্ল যজুর্বেদৰ বাজসনেয়ী সংহিতাৰ কান্ব আৰু মাধ্যন্দিন শাখা আৰু অথর্ববেদৰ শৌনক আৰু পৈপ্পলাদ শাখাহে বর্তি আছে। আনবোৰৰ নামমাত্রহে জনা যায়।



**অগ্রগতিৰ নিৰীক্ষণ**

প্রশ্ন নং ১ঃ 'বেদ' শব্দৰ ব্যুৎপত্তি আৰু অর্থ লিখক।

.....

.....

প্রশ্ন নং ২ঃ বেদক অতীন্দ্রিয় জ্ঞান কিয় বোলা হয়?

.....

.....

প্রশ্ন নং ৩ঃ ত্রয়ী বা ত্রয়ী বিদ্যা বুলিলে কি কি গ্রন্থক বুজায়?

.....

.....

প্রশ্ন নং ৪ঃ তিনি প্রকাৰ মন্ত্রৰ লক্ষণ কি কি?

.....

.....

প্রশ্ন নং ৫ঃ অথর্ব বেদৰ প্রাচীনত্ব বুজোৱা বেদৰ মন্ত্র এটা মুখস্থ লিখক।

.....

.....

প্রশ্ন নং ৬ঃ অখণ্ড বেদৰ বিভাজন-কর্তা কোন?

.....

.....

প্রশ্ন নং ৭ঃ চতুর্বেদৰ ধাৰকসকলৰ নাম লিখক।

.....

.....

## ৭.৬ সংহিতাবোৰৰ চমু আভাস

ওপৰত উল্লিখিত চতুর্বেদৰ প্রতিখন বেদৰে নিজস্ব এক বা একাধিক সংহিতা, একাধিক ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ্ আছে। ইয়াৰ ভিতৰত সংহিতাবোৰৰ চমু পৰিচয় তলত তুলি ধৰা হ'ল —

### ৭.৬.১ ঋগ্বেদ

ঋগ্বেদৰ পাঁচটা শাখাৰ নাম শৌনকৰ চৰণব্যূহত পোৱা যায় ঃ শাকল, বাষ্কল, আশ্বালায়ন, শাংখায়ন আৰু মাণ্ডূকায়ন। একমাত্র শাকল সংহিতাৰ বাহিৰে আন চাৰি শাখাৰ অস্বিত্বৰ কথা জনা নাযায়। শাকল সংহিতাত ১০৫৫২টা মন্ত্র আছে। এই মন্ত্রবোৰ দহটা মণ্ডলত ভাগ কৰা হয়। প্রথম মণ্ডলক শতর্চিন, দ্বিতীয়ৰ পৰা সপ্তম পর্যন্ত ছয় মণ্ডলক কুলমণ্ডল বোলা হয়। অষ্টম মণ্ডলক প্রগাথ মণ্ডল, নৱম মণ্ডলক সোম-পৱমান আৰু দশম মণ্ডলক ক্ষুদ্রসূক্ত-মহাসূক্ত বুলি কোৱা হয়। কিছুসংখ্যক ঋক্ মন্ত্রৰ সমষ্টিক সূক্ত বোলা হয়। সূক্তবোৰৰ একোটা সংকলনক মণ্ডল বোলা হয়। আধুনিক পণ্ডিতসকলে কোনো মন্ত্রৰ উল্লেখ কৰোঁতে মণ্ডল, সূক্ত আৰু মন্ত্র বুজাবলৈ তিনিটা সংখ্যা ব্যৱহাৰ কৰে। যেনে— ১.১.১, এই সংখ্যা তিনিটাই ঋগ্বেদৰ প্রথম মণ্ডলৰ প্রথম সূক্তৰ প্রথম মন্ত্রটোক বুজায়।

সূক্ত বা মন্ত্রৰ স্রষ্টাক দ্রষ্টা বুলি কোৱা হয়। সেই বাবে দ্রষ্টাজন ঋষি পদবাচ্য। পঠন-পাঠনৰ সময়ত পাঠকে মন্ত্র বা সূক্তৰ ঋষি, ছন্দ, দেৱতা আৰু বিনিয়োগৰ উল্লেখ কৰিব লাগে।

আচার্য শৌনকে তেওঁৰ বৃহদ্দেৱতাত কৈছে —
অবিদিত্বা ঋষিং ছন্দো দৈৱতং য়োগমেং চ।
য়োহধ্যাপয়েজ্জপৈদ ৱাপি পাপীয়ান্ জায়তে তু সঃ।।

অর্থাৎ 'ঋষি, দেৱতা, ছন্দ আৰু বিনিয়োগ নজনাকৈ মন্ত্র পাঠ বা জপ কৰিলে লোকে পুণ্য সঞ্চয় কৰা দূৰত থাকক অধিক পাপীহে হয়।'

আন এজন আচার্য কাত্যায়নে ঋষি আদি পদৰ পৰিভাষা বৰ সংক্ষিপ্তকৈ এনেদৰে দিছে; য়স্য ৱাক্যং স ঋষিঃ, যা তেন উচ্যতে সা দেৱতা, অক্ষৰ পৰিমাণং ছন্দ, য়োগঃ বিনিয়োগঃ।

অর্থাৎ যাৰ বাক্য তেঁৱে ঋষি, যাৰ কথা কোৱা হয় সেয়ে দেৱতা, অক্ষৰৰ সংখ্যাই ছন্দক বুজায় আৰু যোগেই বিনিয়োগ (মন্ত্রৰ যজ্ঞত প্রয়োগ)। উদাহৰণ ঃ অগ্নিমীড়ে ইতি মন্ত্রস্য ৱৈশ্বামিত্রো মধুচ্ছন্দা ঃ ঋষিঃ, অগ্নির্দেৱতা, গায়ত্রী ছন্দঃ জপে-হোমে চ বিনিয়োগঃ।

ঋগ্বেদৰ ঋষিসকলে প্রকৃতিৰ অনেক শক্তি আৰু সত্তাক মন্ত্রবোৰত স্তুতি কৰিছিল।

সেই দেৱতাসকলক স্তুতি কৰাৰ লগতে হোমাগ্নিত আহুতি দিয়াৰ আগে পাছে পুৰোনুৱাক্যা যাজ্যা আৰু অনুৱাক্যাৰূপে ঋগ্বেদীয় মন্ত্ৰবোৰ উচ্চাৰণ কৰিছিল। যজ্ঞৰ্হ দেৱতা সকলৰ মাজত ইন্দ্ৰ, অগ্নি আৰু সোমৰ প্ৰাধান্য আৰু জনপ্ৰিয়তা আছিল সৰ্বাধিক। সেয়ে দেখা যায় ঋগ্বেদৰ সৰ্বমুঠ ১০২৮টা সূক্তৰ এক চতুৰ্থাংশত ইন্দ্ৰৰ, এক পঞ্চমাংশত অগ্নিৰ আৰু এক অষ্টমাংশত সোমৰ স্তুতি পোৱা যায়। একেদৰে অশ্বিদ্বয়, মৰুৎসকল, ঊষা, বৰুণ, ঋভুসকল, সৱিতা, পূষা আদি দেৱতাসকলেও প্ৰাধান্য লাভ কৰিছিল। বিষ্ণু, ৰুদ্ৰ, সূৰ্য, বায়ু বা বাত, পৰ্জন্য, ভগ, ৰাত্ৰি আদি দেৱতাসকলেও সমাদৰ লাভ কৰিছিল বৈদিক আৰ্যসকলৰ মাজত।

সকলো বেদৱিদ্ পণ্ডিতে একমুখে স্বীকাৰ কৰিছে যে ঋগ্বেদ ইণ্ডো-ইউৰোপীয় আৰ্য সাহিত্যৰ মাজত সৰ্বপ্ৰাচীন গ্ৰন্থ। খৃষ্টপূৰ্ব পাঁচ ছহেজাৰ বছৰৰ আগতে ঋগ্বেদৰ মন্ত্ৰবোৰ আৰ্য সকলৰ মুখে মুখে শুনা গৈছিল।

তিনি বেদ-সাম, যজুস্ আৰু অথৰ্ববেদৰ ওপৰত ঋগ্বেদৰ অসীম প্ৰভাব পৰিছে। সামবেদৰ প্ৰায় সকলো মন্ত্ৰ ঋগ্বেদত পোৱা যায়। যজুৰ্বেদৰ ওপৰতো ঋগ্বেদৰ প্ৰভাব অনস্বীকাৰ্য। অথৰ্ববেদৰ (শৌনক সংহিতাৰ) প্ৰায় শতকৰা ২২% মন্ত্ৰ ঋগ্বেদৰ পৰা লোৱা হৈছে। বিশেষতঃ অথৰ্ববেদৰ ঊনবিংশ আৰু বিংশ কাণ্ডৰ মন্ত্ৰবোৰ ঋগ্বেদৰ পৰা ধাৰ কৰা। ঋগ্বেদৰ পাতত দেৱ-দেৱতাসকলৰ পুৰাকল্প প্ৰচুৰ পৰিমাণে পোৱা যায়। বেদৰ দেৱতাসকলৰ অৱয়ৱ মানবোচিত। ইন্দ্ৰৰ সকলো কাৰ্য অলৌকিক। বজ্ৰ তেওঁৰ প্ৰধান অস্ত্ৰ। সেই অস্ত্ৰেৰে তেওঁ বৃত্ৰক বধ কৰা ঘটনাৰ উল্লেখ ঋগ্বেদৰ পাতত ভৰি আছে। তেওঁ বৃত্ৰক বধ কৰি জলধাৰা বোৱাইছিল। একেদৰে তেওঁ দিবোদাসৰ বাবে শম্বৰাসুৰক বধ কৰিছিল। দাশৰাজ্ঞ যুদ্ধত তেওঁ সুদাসৰ পশুলৈ দহ-বাৰজন আৰ্য অনাৰ্যৰ জাক সিপুৰীলৈ পঠাইছিল। একেদৰে তেওঁ হৰিয়ূপিয়া যুদ্ধত সৃঞ্জয় আৰু চয়মানৰ পুত্ৰ অভ্যাৱৰ্তীক সহায় কৰিছিল আৰু বৃচীবানৰ বংশধৰ সকলক পৰাস্ত কৰিছিল। ইন্দ্ৰক মঘৱা বা ধনবান বোলা হৈছে। তেওঁ ভক্তসকলক ধন দান কৰিছিল। তেওঁ সোমৰস পান কৰি শক্তিমন্ত হৈ ভক্তসকলক সহায় কৰিছিল।

ঋগ্বেদত অগ্নিৰ মানবোচিত অৱয়ৱ পৰিপূৰ্ণ। তেওঁ ঘৃতপৃষ্ঠ, আৰু শোচিষ্কেশ। তেওঁ হব্যবাহ। তেওঁ দেৱদূত। যজ্ঞত তেওঁ ঋত্বিক্ পুৰোহিত হৈ কাৰ্যনিৰ্বাহ কৰে। তেওঁ গৃহপতি। তেওঁ যজমানৰ পিতা, মাতা, ভ্ৰাতা। তেৱোঁ যজমানক ধন দান কৰে।

একেদৰে ঋগ্বেদত মিত্ৰ, বৰুণ, সবিতা, মৰুৎসকল, অশ্বিদ্বয়, পৰ্জন্য, ত্বষ্টা, ঋভুসকল, ৰুদ্ৰ, বিষ্ণু, সূৰ্য আদি দেৱতাই মানৱীয় শৰীৰ ধাৰণ কৰি কেতিয়াবা অলৌকিক কৰ্ম কৰাৰ উল্লেখ আছে। সোমৰ বৰ্ণনা চকুত লগা। ঊষা, ৰাত্ৰি, পৃথিৱী, অদিতি আদি দেবীৰো স্তুতি ঋগ্বেদত পোৱা যায়।

ঋগ্বেদত ভালেমান দাৰ্শনিক ভাবপুষ্ট সূক্ত সন্নিবিষ্ট হৈছে। ঋঃ ১/১৬৪; ১০, ৭২; ১০, ৮১-৮২; ১০, ৯০; ১০, ১২১; ১০, ১২৫; ১০, ১২৯; ১০, ১৩০; ১০,

১৭০ আদি সূক্তত অস্যৰাম বা দাক্ষায়নী-বিশ্বকর্মা, পুৰুষ হিৰণ্যগর্ভ, বাগ্‌দেবী, পৰমেষ্ঠী, প্রজাপতি, বিভ্রাত্‌-বিৰাট্‌ আদিৰ স্তুতিৰ মাজেৰে সৃষ্টিতত্ত্বৰ ৰহস্য উদ্‌ঘাটনৰ যত্ন কৰিছে ঋষিসকলে।

ঋগ্বেদৰ পাতত ভালেসংখ্যক সংবাদ সূক্তও আছে। এনে সূক্তবোৰৰ ভিতৰত অগস্ত্য-লোপামুদ্রা (ঋ ১/১৭৯), বিশ্বামিত্র আৰু নদীসকল (৩/৩৩); উর্বশী আৰু পুৰূৰৱা সংবাদ (১০/৯৫) যম-যমী সংবাদ (১০/১১০); সৰমা আৰু পনিসকল (১০/১০৮) আদি সুখ্যাত।

অক্ষসূক্ত (১০/৩৪), ভিক্ষুসূক্ত (১০/১১৭), মণ্ডূক সূক্ত (৭/১০৩) আদি সূক্তক ধর্মনিৰপেক্ষ বুলি কোৱা হয়।

ঋগ্বেদ আদি বেদ চতুষ্টয় যদিও ধর্মগ্রন্থ বুলি চিহ্নিত তথাপি ইয়াৰ পাতত ঐতিহাসিক তথ্য বিৰল নহয়। দিবোদাসশম্বৰ যুদ্ধ, হৰিয়ূপীয়া যুদ্ধ আৰু দাশৰাজ্ঞ যুদ্ধৰ বর্ণনাৰ মাজত বেদজ্ঞ পণ্ডিতসকলে প্রাগৈতিহাসিক আৰু ঐতিহাসিক তথ্য দেখা পাইছে। তদুপৰি ঋগ্বেদৰ পাতত ইতস্ততঃ প্রাপ্ত দানস্তুতিবোৰে ইতিহাসৰ খণ্ডচিত্র বুলি পণ্ডিতসকলে দাবী কৰে।



### অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৮ঃ ঋগ্বেদৰ ধাৰক কোন আছিল?

.....

.....

প্রশ্ন নং ৯ঃ সূক্ত বুলিলে কি বুজায়?

.....

.....

প্রশ্ন নং ১০ঃ বেদব্যাসৰ পিতা-মাতাৰ নাম লিখক।

.....

.....

প্রশ্ন নং ১১ঃ ঋগ্বেদত কেইটা মণ্ডল আছে?

.....

.....

প্রশ্ন নং ১২ঃ ঋগ্বেদৰ কুলমণ্ডল বুলিলে কি বুজায়?

.....

.....

প্রশ্ন নং ১৩ঃ ঋগ্বেদত স্তুত পাঁচজন দেৱতাৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ১৪ঃ ঋগ্বেদত বৰ্ণিত তিনিগৰাকী দেবীৰ নাম লিখক।

.....

.....

## ৭.৬.২ সামবেদ

ঋগ্বেদক জগতৰ সাহিত্যত সৰ্বপ্ৰাচীন সাহিত্য বোলাত কাৰো আপত্তি নাই। একেদৰে সামবেদো ঋগ্বেদৰ দৰেই প্ৰাচীন। কাৰণ ৭৫টা মন্ত্ৰৰ বাহিৰে সামবেদৰ প্ৰায় সকলোবোৰ মন্ত্ৰ ঋগ্বেদৰ ১৮৭৫ পাতৰ পৰা আহৃত। গীতাৰ বিভূতি যোগত ভগবানে নিজকে বেদৰ মাজত সামবেদ বুলিছে (বেদানাং সামৱেদোহস্মি)।

সামবেদৰ চৰ্চা আৰম্ভ হৈছে কৌথুম সংহিতাৰ দ্বাৰা। ৰানায়নীয় আৰু জৈমিনি সংহিতাৰ ব্যাপক চৰ্চা এতিয়াও হোৱা নাই।

'সাম' মন্ত্ৰবোৰৰ মূল ঋক্ (ঋক্ সাম্নাং য়োনিঃ)। আচাৰ্য জৈমিনিয়ে পূৰ্বমীমাংসাৰ পাতত কৈছে 'যত্ৰ অৰ্থৱশেন পাদব্যৱস্থা সা ঋক্। গীতিষু সামাখ্যা। শেষে য়জুঃশব্দঃ'। ইয়াৰ পৰা বুজা যায় 'সাম'বোৰ গীত বা গান। আবৃত্তিৰ সময়ত ঋক্বোৰ উদাত্ত, অনুদাত্ত আৰু স্বৰিত স্বৰৰ সহায় লোৱা হয়। কিন্তু একেবোৰ ঋক্ সামগানৰূপে গাওঁতে সপ্তস্বৰৰ আশ্ৰয়ত গীতৰূপে গোৱা হয়। উক্ত স্বৰবোৰ ক্ৰমে ঃ ক্ৰুষ্ট, প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ, মন্ত্ৰ আৰু অতিস্বাৰ্য। পিছলৈ মাৰ্গসঙ্গীতত এই সাতোটা স্বৰেই ষড়জ, ঋষভ, গান্ধাৰ, মধ্যম, পঞ্চম, ধৈৱত আৰু নিষাদ নাম পাইছে।

ঋক্ মন্ত্ৰবোৰ সাম গান কৰি গাওঁতে সিবোৰ ছয় প্ৰকাৰে বিকৃত হয়। সিবোৰে ক্ৰমশঃ বিকাৰ, বিশ্লেষণ, বিকৰ্ষণ, অভ্যাস, বিৰাম আৰু স্তোভৰ মাজেৰে গানৰ উপযোগী হয়।

সামগানৰ পদ্ধতি জটিল। সাধাৰণতে সামবেদী ঋত্বিক্ উদ্গাতাই আন তিনিজন সহকাৰী ঋত্বিকৰ সহায়ত সামগীত পৰিৱেশন কৰে।

তলত কৌথুম শাখাৰ চমু ৰূপৰেখা মাত্ৰ দিয়া হ'ল ঃ

সামবেদৰ প্ৰধান ভাগ দুটা। আৰ্চিক আৰু গান। আৰ্চিকৰো ভাগ দুটা, পূৰ্বাৰ্চিক আৰু উত্তৰাৰ্চিক। পূৰ্বাচিকত আছে ছটা প্ৰপাঠক। উত্তৰাৰ্চিকত আছে নটা প্ৰপাঠক।

পূৰ্বাচিকৰ প্ৰথম প্ৰপাঠকক লৈ আগ্নেয় কাণ্ড দ্বিতীয় চতুৰ্থ প্ৰপাঠকক লৈ ঐন্দ্ৰ কাণ্ড, পঞ্চম প্ৰপাঠকক লৈ পাৱমান কাণ্ড আৰু ষষ্ঠ প্ৰপাঠকক লৈ আৰণ্যক কাণ্ড গঠিত।

ইয়াৰ অন্য ভাগ গান। ই চাৰিভাগত বিভক্ত; গ্ৰামগেয় গান, আৰণ্যগেয় গান, ঊহগান আৰু ঊহ্যগান। পূৰ্বাৰ্চিকৰ মন্ত্ৰ সংখ্যা ৬৫০। উত্তৰাৰ্চিকৰ মন্ত্ৰৰ সংখ্যা ১২২৫। দুয়ো আৰ্চিকৰ মন্ত্ৰ সংখা (৬৫০ + ১২২৫ =) ১৮৭৫।

আৰণ্যগেয় গানবোৰ সকলোৰে শ্ৰব্য নহয়। সেইবাবে সিবোৰ লোকালয়ৰ পৰা দূৰত, অৰণ্য নাইবা মৰুভূমিতহে গেয়। অন্যথা শ্ৰোতাৰ অনিষ্ট হ'বৰ আশংকা।

## ৭.৬.৩ যজুৰ্বেদ

ঋগ্বেদ আৰু সামবেদৰ সৈতে যজুৰ্বেদো ত্ৰয়ীৰ অন্তৰ্গত। ইয়াৰ মন্ত্ৰবোৰ প্ৰায়ে গদ্যত ৰচিত আৰু যজুস্ নামে জনাজাত। যজ্ ধাতুৰ পৰা যজুঃ শব্দ নিষ্পন্ন হৈছে। যজ্ ধাতুৰ অৰ্থ যজ্ঞ কৰা। ইয়াৰ মন্ত্ৰবোৰক অনিয়তাক্ষ ৰাৱসানো য়জুঃ' বুলি কোৱা হয়। যিহেতু এই বেদ অধ্বৰ্যু নামে ঋত্বিকৰ হাত পুথি সেয়ে ইয়াক 'আধ্বৰ্যৱ' বা 'কৰ্মবেদ' বোলা হয়।

এই বেদৰ দুটা ভাগ দেখা যায়, কৃষ্ণযজুৰ্বেদ আৰু শুক্লাযজুৰ্বেদ। দুয়োখন বেদৰ ভিতৰত কৃষ্ণযজুৰ্বেদ অধিক পুৰণি। তাৰ তুলনাত শুক্ল যজুৰ্বেদ অৰ্বাচীন। কৃষ্ণ যজুৰ্বেদৰ ছয়াশীটা শাখাৰ ভিতৰত এতিয়া মাত্ৰ চাৰিটা শাখাহে পোৱা যায়। সেই কেইখন হ'ল ঃ তৈত্তিৰীয়, কাঠক, কঠ-কপিষ্টল আৰু মৈত্ৰায়ণী শাখা। আনহাতে শুক্লযজুৰ্বেদৰ (বাজসনেয়ী সংহিতাৰ) দুটা শাখা—কাণ্ব আৰু মাধ্যন্দিন শাখা প্ৰচলিত হৈ আছে।

শুক্লযজুৰ্বেদ কেবল পদ্যাত্মক মন্ত্ৰৰ সংকলন। আনহাতে কৃষ্ণ যজুৰ্বেদত মন্ত্ৰ আৰু গদ্যাত্মক ব্ৰাহ্মণৰ সংমিশ্ৰণ ঘটিছে। এই ক্ষেত্ৰত কৃষ্ণ' শব্দটো 'মিশ্ৰ' অৰ্থত ব্যৱহৃত হৈছে। তৈত্তিৰীয়, কাঠক, কঠ-কপিষ্টল আৰু মৈত্ৰায়ণী সংহিতা মূলতঃ গদ্যত ৰচিত।

কৃষ্ণ যজুৰ্বেদ বা তৈত্তিৰীয় সংহিতা নিতান্ত মহত্বপূৰ্ণ। এই সংহিতা সাতটা কাণ্ডত বিভক্ত। ইয়াৰ মন্ত্ৰৰ সংখ্যা ১৯০০।

মৈত্ৰায়ণী সংহিতা চাৰিখণ্ডত বিভক্ত। ইয়াৰ মন্ত্ৰ সংখ্যা ২১৪৪। ইষ্টিযাগ, চাতুৰ্মাস্য, বাজপেয়, ৰাজসূয়, অশ্বমেধৰ দৰে গুৰুত্বপূৰ্ণ যজ্ঞবোৰ ইয়াত বৰ্ণিত হৈছে।

কৃষ্ণ যজুৰ্বেদৰ ভিতৰুৱা কাঠক সংহিতাখন পাঁচকাণ্ডত বিভক্ত। ইয়াতো বিবিধ সৰু-বৰ যাগ যজ্ঞৰ ভিতৰত পশুবন্ধ, বাজপেয়, ৰাজসূয়, চাতুৰ্মাস্য আৰু সৌত্ৰামনী যজ্ঞৰ বৰ্ণনা পোৱা যায়।

কঠ-কপিষ্টল সংহিতা অষ্টক, অধ্যায় আদি বিভাজনত বিভক্ত। ই চৰক শাখাৰ উপশাখা।

শুক্ল যজুৰ্বেদ ঃ শুক্লযজুৰ্বেদৰ আন নাম বাজসনেয়ী সংহিতা। ইয়াৰ দুই শাখা কাণ্ব আৰু মাধ্যন্দিন সংহিতা।

কোৱা বাহুল্য যে উক্ত দুয়ো শাখাৰ বিষয়বস্তু একে। পাৰ্থক্য মাত্ৰ বিষয় বস্তুৰ চয়নত। এই সংহিতা ৪০টা অধ্যায়ত বিভক্ত। ইয়াত ইষ্টি, পিণ্ড পিতৃযজ্ঞ, অগ্ন্যাধ্যান, চাতুৰ্মাস্য, অগ্নিষ্টোম, বাজপেয়, ৰাজসূয় আদি গুৰুত্বপূৰ্ণ যজ্ঞৰ বৰ্ণনা পোৱা যায়। লগতে অশ্বমেধ যজ্ঞ, পুৰুষমেধ যজ্ঞ, পিতৃমেধৰ বৰ্ণনাও ইয়াত পোৱা যায়।



**অগ্রগতি নিৰীক্ষণ**

প্রশ্ন নং ১৫ঃ সামবেদৰ তিনিটা শাখাৰ নাম লিখক।

.....

.....

প্রশ্ন নং ১৬ঃ সামবেদ আৰু ঋগ্বেদৰ মাজত উচ্চাৰণগত পার্থক্য কি?

.....

.....

প্রশ্ন নং ১৭ঃ সামগানৰ সপ্তস্বৰ কি কি?

.....

.....

প্রশ্ন নং ১৮ঃ সামবেদৰ বিভাগ দুটা কি কি?

.....

.....

প্রশ্ন নং ১৯ঃ ভাৰতীয় সঙ্গীতৰ গুৰি ক'ত?

.....

.....

প্রশ্ন নং ২০ঃ পৰৱর্তী কালৰ মার্গসঙ্গীতৰ সপ্তস্বৰ কি কি?

.....

.....

প্রশ্ন নং ২১ঃ যজুর্বেদৰ মূল বিভাগ দুটা কি কি?

.....

.....

প্রশ্ন নং ২২ঃ কৃষ্ণ যজুর্বেদৰ উপলব্ধ শাখা কেইটাৰ নাম লিখক।

.....

.....

প্রশ্ন নং ২৩ঃ কৃষ্ণ যজুর্বেদৰ কাঠক মৈত্রায়ণী সংহিতাত বর্ণিত তিনিটা গুৰুত্বপূর্ণ যজ্ঞৰ নাম লিখক।

.....

.....



**জানি থোৱা ভাল**

ঋগ্বেদৰ ঋক্‌বোৰক সাম মন্ত্ৰৰ যোনি বা উৎস বোলা হয়। ভগৱান কৃষ্ণই সামবেদক শ্ৰেষ্ঠত্ব দান কৰি 'ৱেদানাং সামৱেদোহস্মি' বুলি কৈছে। সাম বেদৰ স্বৰাঙ্কন পৃথক। সামবেদৰ উপবেদ হৈছে গান্ধৰ্ব বেদ বা সঙ্গীত শাস্ত্ৰ।

ঋগ্বেদৰ তুলনাত সামবেদৰ স্বৰ অধিক অৰ্থাৎ সাতটা। সেইবোৰ ক্ৰুষ্ট, প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ, মন্ত্ৰ আৰু অতিস্বাৰ্য। পৰৱৰ্তী কালত ইবোৰৰ সংস্কাৰ হয়। এই সপ্তস্বৰৰ নাম হয় ষড়জ্, ঋষভ, গান্ধাৰ, মধ্যম, পঞ্চম, ধৈৱত আৰু নিষাদ।

সামবেদৰ ইংৰাজী অনুবাদক দুজন ষ্টিভেনচন আৰু গ্ৰিফীথ।

কৃষ্ণ যজুৰ্বেদৰ অনুবাদক গ্ৰিফীথ। তেওঁ আছিল বাৰাণসীস্থ সংস্কৃত মহাবিদ্যালয়ৰ অধ্যক্ষ।

## ৭.৬.৪ অথৰ্ববেদ

অথৰ্ববেদ চতুৰ্থ বেদ। বহুদিনলৈ এই বেদ ত্ৰয়ীৰ বাহিৰত আছিল। কিন্তু ত্ৰয়ী বুলি পৰিচিত তিনিবেদৰ তুলনাত অথৰ্ববেদ জনপ্ৰিয় আছিল। আন তিনিবেদ উচ্চ সমাজত প্ৰচলিত অনুষ্ঠিত যজ্ঞবোৰত প্ৰযুক্ত হৈছিল। তাৰ বিপৰীতে ঘৰুৱা ক্ষুদ্ৰ যজ্ঞ, সংস্কাৰেৰে জড়িত হোমাদিতহে অথৰ্ববেদৰ মন্ত্ৰ প্ৰযুক্ত হৈছিল। সেইবাবে ত্ৰয়ীৰ ভিতৰুৱা বেদকেইখনক Vedas of the classes আৰু অথৰ্ববেদক Veda of the masses বুলি জনা গৈছিল।

বৈদিক সাহিত্যৰ প্ৰাক্‌কালত অথৰ্ববেদক অথৰ্বাঙ্গিৰস বোলা হৈছিল। অথৰ্ব আৰু আঙ্গিৰস শব্দ দুটাই দুই প্ৰকাৰ বিভাগক বুজাইছিল। শান্তি পৌষ্টিকাদি মঙ্গলময় ভাগক বুজাইছিল অথৰ্ব শব্দই। মাৰণ, উচাটন অভিচাৰ আদি অনিষ্টকাৰী—অমঙ্গলীয়া ক্ৰিয়াক বুজাইছিল আঙ্গিৰস ভাগে। তেতিয়া অথৰ্ব আৰু আঙ্গিৰস ভাগে উক্তবেদত সমানে গুৰুত্ব লাভ কৰিছিল। ইয়াৰ পাছত অথৰ্ব ভাগটোক ভৃগু শব্দটোৱে প্ৰতিনিধিত্ব কৰা হ'ল। তেতিয়া বেদখনৰ নাম হ'ল ভৃগ্বাঙ্গিৰস। শেষত আঙ্গিৰস ভাগৰ গুৰুত্ব কমি গ'ল আৰু বেদখনৰ নাম হ'ল অথৰ্ববেদ।

অথৰ্ব বেদক ব্ৰহ্মবেদ, ক্ষত্ৰবেদ, জাতবেদ, সৰ্পবেদ, পঞ্চকল্পী আদি নামেৰেও বুজোৱা হয়।

চৰণব্যূহৰ মতে অথৰ্ববেদৰ শাখা নটা। তাৰে ভিতৰত শৌনক আৰু পৈপ্পলাদ শাখা দুটাহে আবিষ্কৃত হৈছে। দুই শাখাৰ মাজত কেতবোৰ পাৰ্থক্য চকুত পৰে ঃ (১) শৌনক শাখাত আছে ৭৩১টা সূক্ত আৰু মন্ত্ৰৰ সংখ্যা ৭০০০। আনহাতে কাশ্মীৰত প্ৰাপ্ত পৈপ্পলাদ সংহিতাত মন্ত্ৰৰ সংখ্যা ৬৫০০ আৰু উৰিষ্যাত প্ৰাপ্ত পৈপ্পলাদ সংহিতাত আছে প্ৰায় ৮০০০ মন্ত্ৰ।

(২) দ্বিজসকলে ব্রহ্মযজ্ঞত ব্যৱহাৰ কৰা অথর্ববেদৰ প্রতীক মন্ত্রটো (শন্নো দেৱীৰ ভিষ্টয় আপো ভৱন্ত পীতয়ে, শং য়োৰভি স্রৱন্তু নঃ) পৈপ্পলাদ সংহিতাৰ আদিতেহে পোৱা যায়। সম্ভৱতঃ এইখন সংহিতা শৌনক সংহিতাতকৈ পৰৱর্তী।

(৩) শৌনক সংহিতাৰ অন্তিম চৰণত প্রাপ্ত কুন্তাপ সূক্তবোৰ পৈপ্পলাদ সংহিতাত পোৱা নাযায়।

পৈপ্পলাদ সংহিতাৰ পাণ্ডুলিপি পলমকৈ আবিষ্কৃত হৈছে। তাৰ আগতে শৌনক সংহিতাৰ পাণ্ডুলিপি আবিষ্কৃত আৰু প্রকাশিত হয়। তাৰ ফলত এই বেদৰ অধ্যয়ন, চিন্তা-চর্চা শৌনক সংহিতাৰ ওপৰত ভেটি কৰিয়েই আৰম্ভ হয়।

শৌণক সংহিতা কুৰিটা কাণ্ডত বিভক্ত। ইয়াৰ সূক্তবোৰৰ কিছুমানত মাত্র এটা মন্ত্র থকাৰ বিপৰীতে কিছুমান সূক্ত অত্যন্ত দীঘলীয়া।

প্রথম-সপ্তম কাণ্ডৰ সূক্তবোৰৰ মন্ত্র সংখ্যা বৰ কম। অষ্টম-দ্বাদশ কাণ্ডৰ সূক্তবোৰ দীঘলীয়া। ত্রয়োদশ-অষ্টাদশ কাণ্ড কেইটাত বিষয়ানুসৰি মন্ত্রবোৰ অন্তর্ভুক্ত কৰা হৈছে। ত্রয়োদশ কাণ্ডত অধ্যাত্ম, চতুর্দশ কাণ্ডত বিবাহ, পঞ্চদশ আৰু ষোড়শ কাণ্ডত ব্রাত্য, সপ্তদশ কাণ্ডত আভ্যুদয়িক আৰু অষ্টাদশ কাণ্ডত সন্নিৱিষ্ট হৈছে পিতৃমেধ সম্বন্ধীয় মন্ত্রবোৰ।

ঊনবিংশ আৰু বিংশ কাণ্ড দুটাত সন্নিৱিষ্ট মন্ত্রবোৰৰ অধিকখিনি ঋগ্বেদৰ পৰা আহৰণ কৰা হৈছে। ঋগ্বেদৰ দশম মণ্ডলৰ মন্ত্রবোৰৰ সৈতে অথর্ববেদৰ মন্ত্রবোৰৰ অধিক মিল দেখা যায়। বিংশ কাণ্ডৰ শেষত প্রাপ্ত কুন্তাপ সূক্তবোৰ অৱশ্যে মৌলিক আৰু ধূসৰ।

অথর্ব বেদৰ বিষয়-বস্তুৰ বৈচিত্র চকুত লগা বিধৰ। ইয়াত প্রাপ্ত বিষয়বস্তু মুখ্যতঃ তিনিভাগত ভগাব পাৰি, যেনে ঃ (১) আধ্যাত্মিক, (২) আধিদৈৱিক আৰু (৩) আধিভৌতিক। ব্রহ্ম, পৰম ব্রহ্ম, আদি বিষয়ক মন্ত্রবোৰ আধ্যাত্মিক। দেব-দেৱতা, যজ্ঞ বিষয়ক মন্ত্রবোৰ আধিদৈৱিক আৰু ৰাজকর্ম, অভিচাৰ শান্তি-পৌষ্টিক আদি বিষয়ক মন্ত্রবোৰ আধিভৌতিক। পশ্চিমীয় পণ্ডিতসকলে অথর্ববেদৰ মন্ত্রবোৰৰ বিষয় বস্তু চৈধ্যটা ভাগত ভাগ কৰি আলোচনা কৰিছে।

## ৭.৭ কর্মকাণ্ড-জ্ঞানকাণ্ড তথা মীমাংসাদ্বয়ৰ উদ্ভৱ

বৈদিক মন্ত্র সংহিতা আৰু ব্রাহ্মণ বিলাকৰ বিষয় বস্তু ঘাইকৈ আধি দৈবিক আৰু আধিযাজ্ঞিক বুলি কলেও ভুল কৰা নহয়। দেৱতা বিষয়ক তথ্যবোৰে মন্ত্রবিলাকৰ উপজীব্য বস্তু। তাৰ বিপৰীতে ব্রাহ্মণ গ্রন্থশ্রেণী মূলতঃ যজ্ঞবিষয়ক আলোচনাৰে ভৰপূৰ।

আনহাতে আৰণ্যক আৰু উপনিষদবোৰ আত্মতত্ত্ব, ব্রহ্মতত্ত্ব, জীৱ আৰু ব্রহ্ম বিষয়ক আলোচনাৰে পৰিপূর্ণ।

সেইবাবে পণ্ডিতসকলে সংহিতা আৰু ব্রাহ্মণ গ্রন্থক বুজাবলৈ কর্মকাণ্ড শব্দ ব্যৱহাৰ

কৰিছে। তাৰ বিপৰীতে আৰণ্যক আৰু উপনিষদ্ ভাগক বুজাবলৈ জ্ঞানকাণ্ড শব্দটো ব্যৱহাৰ কৰিছে।

বৈদিক পণ্ডিতসকলে ইয়াৰ মাজত দুই দৰ্শনৰ উৎপত্তি দেখা পাইছে। মন্ত্র আৰু ব্রাহ্মণৰ মাজত তেওঁলোকে মীমাংসাৰ কৰ্ম-মীমাংসা, বা ধৰ্ম মীমাংসাৰ বীজ দেখা পাইছে। ইয়াক পূৰ্ব মীমাংসাও বোলে। ভগৱান জৈমিনিয়ে এই মন্ত্র-ব্রাহ্মণাত্মক শব্দৰাশিৰ মাজত প্রাপ্ত চিন্তাধাৰাক কেন্দ্র কৰি এই পূৰ্বমীমাংসা নামে এক আস্তিক দৰ্শনৰ সূচনা কৰিছিল।

আনহাতে মহৰ্ষি বাদৰায়ণে আৰণ্যক আৰু উপনিষদৰ ভেটিত সৃষ্টি কৰিছে উত্তৰ মীমাংসা বা বেদান্ত দৰ্শন। বেদান্ত দৰ্শনক শক্তিশালী আৰু প্রণালীবদ্ধ কৰিবলৈ বাদৰায়ণে ব্রহ্মসূত্র প্রণয়ন কৰিছে। ইয়াৰ মূলত আছে উপনিষদ, গীতা আৰু ব্রহ্মসূত্র—যাক ক্রমে শ্রুতি প্রস্থান, স্মৃতি প্রস্থান আৰু প্রকাৰ প্রস্থান বোলা হয়। যিহেতু শ্রুতি প্রস্থানৰূপ উপনিষদবোৰ বেদৰ অন্তত পোৱা যায় সেইবাবে এই দৰ্শনক বেদান্ত দৰ্শন বোলা হয়।

## ৭.৮ বেদৰ কাল

বৈদিক সাহিত্যৰ কাল সম্বন্ধে পতিত সকলৰ অত্যন্ত মতভেদ আছে। বিভিন্নজনে নানান তথ্য পাতিৰ ওপৰত ভেটি কৰি একাধিক মতবাদ পোষণ কৰিছে। তলত তাৰ সংক্ষিপ্ত সূচী এখন দিয়া হ'ল।

১) ম্যাক্স ম্যূলাৰৰ মতে—
ঋগ্বেদৰ কাল খৃঃ পূঃ ১২০০-১০০০
সংহিতাৰ কাল খৃঃ পূঃ ১০০০-৮০০
ব্রাহ্মণৰ কাল খৃঃ পূঃ ৮০০-৬০০
সূত্র কাল খৃঃ পূঃ ৬০০-২০০

২) য়াকোবিৰ মতে—
বৈদিক সভ্যতাৰ কাল খৃঃ পূঃ ৪৫০০-২৫০০ চনৰ ভিতৰত

৩) লোকমান্য বালগঙ্গাধৰ তিলকেও এনে কালকে নির্দেশ কৰিছে।

৪) মেকডোনেলে কয় যে বৈদিক কাল খৃঃ পূর্বঃ ১৪০০ ৰ উৰ্দ্ধত নহয়।

৫) এ. বি. কীথেও কয় যে বৈদিক যুগ ১৬০০ খৃঃ পূর্বৰ পৰৱর্তী

৬) পার্জিটাৰৰ মতে বৈদিক যুগ ২০৫০-১৬০০ খৃষ্টাব্দৰ ভিত ৰুৱা।

৭) ৱিণ্টাৰনিৎসৰ মতে বৈদিক কাল ২৫০০ খৃষ্টাব্দৰ পৰৱর্তী

৮) চি কুনহান ৰাজাৰ মতে বৈদিকযুগ খৃঃ পূর্ব ৫০০০-৪০০০ চনৰ মাজত।
বৈদিক যুগৰ ঐতিহাসিক আলোচনা কৰিলে দেখা যায় ঋদ্বেদৰ উদ্গম কাল ৩০০০-৩৬০০ খৃঃ পূর্বাব্দ হোৱা সম্ভৱ। অন্যান্য বেদৰ কাল খৃঃ ৩০০০-২০০০ খৃঃ পূর্বাব্দ হ'ব পাৰে।



**অগ্রগতি নিৰীক্ষণ**

প্রশ্ন নং ২৪ঃ অথর্ববেদৰ অন্য নাম কি কি?

.....

.....

প্রশ্ন নং ২৫ঃ অথর্ববেদৰ এতিয়া পোৱা শাখা কেইটা আৰু কি কি?

.....

.....

প্রশ্ন নং ২৬ঃ কর্মকাণ্ড বুলিলে কি বুজায়?

.....

.....

প্রশ্ন নং ২৭ঃ জ্ঞানকাণ্ড বুলিলে আমি কি বুজোঁ?

.....

.....



## ৭.৯ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে—

- বৈদিক সাহিত্যৰাজি ভাৰতীয় সাহিত্যৰ প্রাচীনতম অংশ
- বৈদিক সাহিত্য ৰ প্রাচীন ভাগক ত্রয়ী বা ত্রয়ী বিদ্যা বোলা হৈছিল
- ত্রয়ী বিদ্যা বুলিলে সততে ঋগ্বেদ, যজুর্বেদ আৰু সামবেদক বুজায়
- বেদৰ লক্ষণ অনুসৰি এয়ী বিদ্যাৰ বিভাজন হৈছে
- ব্যাসদেবে অখণ্ড বেদক চাৰিভাগ কৰিছে
- বেদৰ চাৰিভাগ ক্রমে ঋক্, যজুস্, সাম আৰু অথর্ব বুলি জনাজাত
- সামান্যভাবে চতুর্বেদৰ আভাস পোৱা গ'ল
- ঋগ্বেদত প্রাচীন দেৱ-দেৱীৰ পৰিচয় চমুকৈ পোৱা গ'ল
- কর্মকাণ্ড, জ্ঞানকাণ্ড, পূর্বমীমাংসা, উত্তৰ মীমাংসাৰ উৎপত্তিৰ সংকেত পোৱা গ'ল
- বৈদিক সাহিত্যৰ কাল সম্বন্ধে আভাস পোৱা গ'ল।



## ৭.১০ অধিক জানিবলৈ

১) বসু, যোগীৰাজ (১৯৭২), *বেদৰ পৰিচয়*, গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

২) শৰ্মা, থানেশ্বৰ (১৯৯৭), *বৈদিক সাহিত্যৰ ৰূপৰেখা*, গুৱাহাটী ঃ বেদ বিদ্যালয়।

৩) শৰ্মা, থানেশ্বৰ (২০০৭), *বেদৰ সৌৰভ*, নগাঁও ঃ বৈদিক ৰিচাৰ্চ এণ্ড গ্লোবেল ষ্টাডি চেণ্টাৰ।



## ৭.১১ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰঃ** 'বিদ্' ধাতুৰ সৈতে 'অচ্' প্ৰত্যয়ৰ যোগত 'বেদ' শব্দ পোৱা গৈছে; ইয়াৰ অৰ্থ 'জ্ঞান'।

**২ নং প্ৰশ্নৰ উত্তৰঃ** কাৰণ, কোনো ইন্দ্ৰিয়ৰ দ্বাৰা ইয়াৰ জ্ঞান লাভ নহয়।

**৩ নং প্ৰশ্নৰ উত্তৰঃ** ঋক্, সাম আৰু যজুস্ সংহিতাক বুজায়।

**৪ নং প্ৰশ্নৰ উত্তৰঃ** য়ত্ৰ অথৰ্বশেন পাদব্যৱস্থা সা ঋক্।
গীতিষু সামাখ্যা।
শেষে য়জুঃ শব্দঃ।

**৫ নং প্ৰশ্নৰ উত্তৰঃ** তস্মাদ্ যজ্ঞাৎ সৰ্ৱহুতঃ ঋচঃ সামানি জজ্ঞিৰো।
সৰ্ৱহুতঃ ছন্দাংসি জজ্ঞিৰে তস্মাদ্ যজুস্তস্মাদজায়ত।।

**৬ নং প্ৰশ্নৰ উত্তৰঃ** বেদব্যাস বা কৃষ্ণ দ্বৈপায়ন

**৭ নং প্ৰশ্নৰ উত্তৰঃ** পৈল (ঋক্), জৈমিনি (সাম), বৈশম্পায়ন (যজুস্) আৰু সুমন্তু (অথৰ্ব)।

**৮ নং প্ৰশ্নৰ উত্তৰঃ** পৈল।

**৯ নং প্ৰশ্নৰ উত্তৰঃ** কিছু সংখ্যক ঋক্ মন্ত্ৰৰ সমষ্টিক সূক্ত বোলা হয়।

**১০ নং প্ৰশ্নৰ উত্তৰঃ** পৰাশৰ আৰু সত্যৱতী

**১১ নং প্ৰশ্নৰ উত্তৰঃ** দহটা

**১২ নং প্ৰশ্নৰ উত্তৰঃ** ঋগবেদৰ দ্বিতীয়ৰ পৰা সপ্তম পৰ্যন্ত এই ছটা মণ্ডলক কুলমণ্ডল বোলা হয়।

**১৩ নং প্ৰশ্নৰ উত্তৰঃ** অগ্নি, ইন্দ্ৰ, বায়ু, বৰুণ, আৰু সূৰ্য।

**১৪ নং প্ৰশ্নৰ উত্তৰঃ** অদিতি, ঊষা, আৰু বাক্ দেৱী।

**১৫ নং প্ৰশ্নৰ উত্তৰঃ** ৰানায়নীয়, কৌথুম, জৈমিনীয়।

**১৬ নং প্ৰশ্নৰ উত্তৰঃ** ঋগ্বেদত উদাত্ত, অনুদাত্ত, স্বৰিত—স্বৰ আছে।
সাম বেদত সাতবিধ স্বৰ আছে।

**১৭ নং প্ৰশ্নৰ উত্তৰঃ** সাম গানৰ সপ্তস্বৰ হৈছে ক্রুষ্ট, প্রথম, দ্বিতীয়, তৃতীয়, চতুর্থ, মন্ত্র আৰু অতিস্বার্য।

**১৮ নং প্ৰশ্নৰ উত্তৰঃ** পূর্বার্চিক আৰু উত্তৰার্চিক

**১৯ নং প্ৰশ্নৰ উত্তৰঃ** সামবেদ/গান্ধর্ব উপবেদ

**২০ নং প্ৰশ্নৰ উত্তৰঃ** ষড়জ, ঋষভ, গান্ধাৰ, মধ্যম, পঞ্চম, ধৈৱত আৰু নিষাদ

**২১ নং প্ৰশ্নৰ উত্তৰঃ** কৃষ্ণ আৰু শুক্ল

**২২ নং প্ৰশ্নৰ উত্তৰঃ** তৈত্তিৰীয়, কাঠক, কঠ-কপিষ্ঠল আৰু মৈত্রায়ণী

**২৩ নং প্ৰশ্নৰ উত্তৰঃ** অগ্নিষ্টোম, অগ্নিহোত্র আৰু দর্শেষ্টি

**২৪ নং প্ৰশ্নৰ উত্তৰঃ** অথর্বাঙ্গিৰস, ব্রহ্মবেদ, ক্ষত্রবেদ

**২৫ নং প্ৰশ্নৰ উত্তৰঃ** শৌনক আৰু পৈপ্পলাদ

**২৬ নং প্ৰশ্নৰ উত্তৰঃ** কর্মকাণ্ড বুলিলে বেদৰ সংহিতা আৰু ব্রাহ্মণ গ্রন্থক বুজায়।

**২৭ নং প্ৰশ্নৰ উত্তৰঃ** আৰণ্যক আৰু উপনিষদ গ্রন্থক বুজাবলৈ জ্ঞানকাণ্ড শব্দটো ব্যৱহাৰ কৰা হয়।



## ৭.১২ আৰ্হি প্ৰশ্ন

**ক) বস্তুধর্মী প্রশ্ন**

**প্রশ্ন ১ঃ** বেদ চাৰিখনৰ ভিতৰত প্রাচীনতম বেদ কোনখন?

**প্রশ্ন ২ঃ** ঋগ্বেদৰ বিভাগ কি কি?

**প্রশ্ন ৩ঃ** কোনে বেদ বিভাজন কৰিছিল?

**প্রশ্ন ৪ঃ** বেদব্যাসৰ পিতৃ-মাতৃ কোন?

**প্রশ্ন ৫ঃ** বেদব্যাসৰ শিষ্যসকলৰ নাম কি কি?

**প্রশ্ন ৬ঃ** ব্যাসৰ শিষ্যসকলৰ কোন কি বেদৰ ধাৰক আছিল?

**প্রশ্ন ৭ঃ** ঋগ্বেদ আৰু সামবেদৰ সম্বন্ধ কি?

**প্রশ্ন ৮ঃ** সামবেদৰ স্বৰ কেইটা আৰু কি কি?

**প্রশ্ন ৯ঃ** কোন কেইখন বেদ পদ্যত ৰচিত?

**প্রশ্ন ১০ঃ** কোন কোন বেদ গদ্যত ৰচিত?

**প্রশ্ন ১১ঃ** বেদৰ কোন ভাগক জ্ঞান কাণ্ড বোলে?

**প্রশ্ন ১২ঃ** বেদৰ কোন ভাগক কর্মকাণ্ড বোলে?

**প্রশ্ন ১৩ঃ** জ্ঞানকাণ্ডৰ পৰা কি দর্শনৰ উদ্ভৱ হৈছে?

**প্রশ্ন ১৪ঃ** কর্মকাণ্ডৰ পৰা কোনখন দর্শন উদ্ভূত হৈছে?

**প্ৰশ্ন ১৫ঃ** বেদৰ কাল কি?

**প্ৰশ্ন ১৬ঃ** মন্ত্ৰ আৰু ব্ৰাহ্মণৰ সম্বন্ধ কি?

**প্ৰশ্ন ১৭ঃ** বেদান্ত বুলিলে কি বুজায়?

**প্ৰশ্ন ১৮ঃ** প্ৰস্থানত্ৰয়ে কি কি গ্ৰন্থক বুজায়?

**(খ) চমু প্ৰশ্ন**

**প্ৰশ্ন ১ঃ** বেদ শব্দৰ ব্যুৎপত্তিগত অৰ্থ লিখক।

**প্ৰশ্ন ২ঃ** বেদৰ কাল সম্পৰ্কে চমুকৈ লিখক।

**প্ৰশ্ন ৩ঃ** ত্ৰয়ী বিদ্যা বুলিলে কি বুজা যায় চমুকৈ লিখক।

**প্ৰশ্ন ৪ঃ** অথৰ্ববেদৰ বিষয়ে চমুকৈ লিখক।

**(গ) ৰচনাধৰ্মী প্ৰশ্ন**

**প্ৰশ্ন ১ঃ** বেদৰ বিভাজনৰ বিষয়ে চমুকৈ লিখক।

**প্ৰশ্ন ২ঃ** প্ৰত্যেক বেদৰে সংহিতাবোৰৰ চমু পৰিচয় দাঙি ধৰক।

*** ***** ***